# ৰঙিয়া কলেজ আলোচনী

ৰঙিয়া কলেজ

১৯৬৩

নহি জ্ঞানেন সদৃশং
পবিত্ৰমিহ বিদ্যতে

RANGIA COLLEGE LIBRARY
A.C.C. NO
Dt.
KAMRUP (ASSAM)

১৯৬৯-৭০

# ৰঙিয়া
# কলেজ আলোচনী

## অসমীয়া বিভাগ

৩য় নিবেদন
১৯৬৯-৭০ চন

সভাপতি— অধ্যক্ষ বীৰেন্দ্ৰ নাথ বৰদলৈ
তত্বাবধায়ক— অধ্যাপক ছবি শৰ্ম্মা
সম্পাদক— বাণেশ্বৰ শৰ্ম্মা

মুদ্ৰক— গোবিন্দ প্ৰেছ, ৰঙিয়া

mag-150

We pay our homage to **"Nata Surya" Phani Sarma**, an artist of universal repute of Assam who passed away on 31. 7. 70.

"Infusion of a spirit of piety and religiousness, formation of character, development of personality, inculcation of civic and social duties, promotion of social efficiency and preservation and spread of national culture may be described as the chief aims and ideals of ancient Indian Education".

## এই সংখ্যাত আছে---

(১) তোমাৰ বাবে ৰচিলো এই পংক্তিবোৰ (২) সাহিত্যত সৌন্দৰ্য্যবোধ (৩) নিৰুপায় এজাক পোহৰ এটি সমীক্ষা (৪) জীৱন (৫) দুৱাৰাৰ কবিতা নিৰাশাবাদ (৬) ছন্দ পতন (৭) নিয়তিৰ জয় (৮) পাপৰিৰ পাতত ৺গনেশ গগৈ (৯) পূৱাৰ সূৰুয (১০) ধূপ নীৰৱে জ্বলে (১১) বসন্ত গুচি গ'ল (১২) হিন্দু ধৰ্ম্মত বিবেকানন্দৰ সংস্কাৰ মূলক আন্দোলন (১৩) জীৱন চাহাৰাত প্ৰথম খোজ (১৪) আমি ভাৰতীয়া (১৫) মন কামনাৰ জুই (১৬) অসীমৰ ৰূপ জেউতি (১৭) সম্পাদকীয় ।

## আগবঢ়াইছে---

॥১॥ পৰমেশ শৰ্ম্মা ॥৭॥ হৰেন্দ্ৰ নাথ শৰ্ম্মা ॥১৫॥ ধৰণীধৰ কলিতা ॥১৬॥ ফণীধৰ ডেকা ॥১৭॥ পবিত্ৰ কুমাৰ কলিতা ॥২২॥ হংসধৰ কলিতা ॥৩৬॥ প্ৰভাত চন্দ্ৰ শৰ্ম্মা ॥৩৭॥ গৌৰীপ্ৰভা কলিতা ॥৪৪॥ গোবিন্দ ৰাম ডেকা ॥৪৫॥ ভবিন ৰাজবংশী ॥৫১॥ মিৰ হুছেইন ॥৫২॥ ৰফিকুদ্দিন আহমেদ ॥৫৬॥ নুৰুল ইছলাম ॥৬১॥ চৰিফুদ্দিন আহমেদ ॥৬২॥ কবীন্দ্ৰ মহন্ত ॥৬৬॥ হৰেন্দ্ৰ কুমাৰ দাস ॥৬৭॥ সম্পাদকীয় ।

# তোমাৰ বাবে ৰচিলো এই পাংক্তিবোৰ

শীতোষ্ণ শৰতৰ আঙ্কাৰত শুকুলা মেঘ,
লৰিছিল এটুকুৰাৰ পিছত আনটুকুৰ,
পূব দিশৰ পৰা পশ্চিম দিশলৈ
উত্তৰাকাশৰ পৰা দক্ষিনান্তলৈ,
হয়তো সিহঁতৰ আশাৰ ৰঙীন সপোনে
কল্পনাৰ সাগৰত বাস্তৱৰ মৰিচিকা খেদি
শাৰদীয় দিন বোৰক কৰিছিল অপেক্ষা
শুনা—
এদিন পম খেদিছিলো জীৱনৰ সেউজ ৰংবোৰৰ
সিদিনা ময়ো আশাক ৰূপ দিবলৈ
কিন্তু সেয়া মই নুবুজাৰ পথক:
হোৱাংহোৰ উদ্দামেৰে নীল নৈৰ নীলাৰে
দিন মণিৰ আগমনত লৰিছিলোঁ
এজনৰ পাছত আন এজনৰ ওচৰলৈ,
পাইছিলো মাত্ৰ নীৰৱ সুখ।
আজি মই ৰূপান্তৰ এক পাগল নদী
মোৰ চাহাৱাৰ অতবেলিৰ স্মৃতিত
তেজগোৰা এক কৃষ্ণচূড়াৰ মাথা
জীৱনৰ বহু বন্দৰ ত্যাগ কৰি আহি
এইয়া পাইছোঁহি সমভূমি, তাৰ পাছত
পাম সাগৰৰ সঙ্গম স্থল।
আৰু অলপ সময় ৰবা
কোনো এক গভীৰ নিশা লৰা-লৰি,
কঢ়িয়াই অনা ৰিক্ত জীৱনৰ ছবি ছায়াই
মোক দিছে অসীম প্ৰেৰণা অসীম শক্তি
আৰু নিদ্ৰা বিহিন জীৱনে তাত কৰিছে
মাথোন তুমুল ৰণ হত্যাকাণ্ড।
হিমালয়ৰ শৃঙ্গবোৰ কিয় অগ্ৰ স্থিৰ ??
এই সমাজ এচাম মানুহ পৌৰাণিক
আধুনিক আৰু এচাম মানুহ, সিহঁতে
মাজৰ এই বিৰাট সমস্যা ক্ৰান্ত
আৰু নুবুজে এখন দেৱাল অন্তৰ্গত কল্লোল,
সমূখত সেয়া মোৰ বহল ওখ দেৱাল
শত শত অভিশাপ নোৱাৰি সহিব,
ক্ৰমে খহিছে তাৰ খলাপ ভুজ;
দেখা পাম শেষত নিৰ্ম্মল আকাশ
তাত নকৰে প্ৰবেশ কোনো ছাঁ।

বন্ধু অলপ ৰবাচোন—
অঙ্কিত তোমাৰ বাবে সবুজ ভাষাৰ
কেই পাংক্তিমান কবিতা লগা
এই শেষ লিপি মই সামৰিছো
অলপ হাঁহি মিহলি বহুত কান্দোন লৈ,
সুদূৰ দিগন্তলৈ সৌ উৰিছে এজাক ময়ূৰ
ৰিঙিও আহা পথিক আমাৰ লগত
ভয়লগা নীল সিপাৰে অজস্ৰ আছে
আমাৰ নিচিনা অগনন সবাহ,
দৃষ্টিৰ আবেশ আছে সেই যাত্ৰাৰ শেষত
জীৱনৰ ভাঙি যোৱা হৃদয়ত ওপজা
হেজাৰ কবিতা হেজাৰ চন্দালঙ্কাৰ।

পৰমেশ শৰ্ম্মা
৩য় বাৰ্ষিক

# সাহিত্যত সৌন্দৰ্য্যবোধ

মানুহ সৌন্দৰ্য্যপ্ৰিয়। এই চৰাচৰ বিশ্বত থকা সকলো মানুহেই অলপ নহয় অলপ সৌন্দৰ্য্যৰ কথা মনলৈ আনে। মানুহৰ অন্তৰ পটত উদ্ভাষিত হৈ থকা সৰু বৰ সকলো ভাৱকে কাৰ্য্যত খটুৱাবলৈ মানুহে হয়তো নোৱাৰিব পাৰে; তথাপিও তেওঁৰ সামান্য পৰিমাণে হলেও সৌন্দৰ্য্যৰ মাজতে সোমাই থাকিবলৈ দুৰ্ব্বাৰ বাসনা এটি জাগি উঠাটো স্বাভাৱিক। বহিঃ প্ৰকৃতিখন হৈছে সৌন্দৰ্য্যৰ আকাৰ। সেয়ে শিল্পী সকলৰ তুলিকাত বেঙাই উঠে শিল্পৰ অপূৰ্ব্ব মূৰ্চ্ছনা আৰু প্ৰকৃতিৰ ভূৱন মোহিনী ৰূপ চানেকি। এইখিনি বস্তুকে তেওঁলোকে বিচাৰে আৰু তাকে পালে তেওঁলোকৰ মৰ্য্যদাই স্বীকৃতি দিয়াত সহায় পায়। গতিকে এজন শিল্পী হবলৈ হলে তেওঁক সৌন্দৰ্য্যজ্ঞান আৰু সৌন্দৰ্য্যস্পৃহা দুয়োটা বস্তুৰে দৰকাৰ হৈ পৰে। সেইদৰে এজন কৱিকো সেইখিনি বস্তুৱে কবি বুলি স্বীকৃতি দিয়াত সহায় কৰে। শিল্পী আৰু কৱিৰ অন্তৰ পটলৈ বহিঃ প্ৰকৃতিৰ সৌন্দৰ্য্য যেতিয়া আপোনা আপুনি আহি পৰে তেতিয়াই তেওঁলোকে অনুপ্ৰেৰণা পায়। সৌন্দৰ্য্যৰ লগত সত্য, শিৱ, সুন্দৰৰ এটা অবিচ্ছেদ্য সম্বন্ধ আছে। গতিকে সৌন্দৰ্য্য উপাসনা মানে সত্য সুন্দৰৰ উপাসনা।

পাশ্চাত্য লেখক সকলে ৰস সৃষ্টিৰ ফালৰ পৰা সাহিত্যৰ আলোচনা নকৰি আনন্দৰ পিনে বিশেষ চকু দিছিল বুলি কথা-সাহিত্যিক শ্ৰীত্ৰৈলোক্য নাথ গোস্বামীদেৱে মন্তব্য কৰিছে। "Defence of Poetry" নামৰ প্ৰৱন্ধত ইংৰাজ কবি শ্বেলীয়ে "Poetry turns everything to loveliness" বুলি অভিহিত কৰিছে। "The critique of Judgement" নামৰ প্ৰৱন্ধত কান্তে সৌন্দৰ্য্যৰ স্বৰূপ নিৰ্দ্ধাৰণ কৰিছে—"Beauty is a state of mind, a satisfaction, which is purely subjective" অৰ্থাৎ সৌন্দৰ্য্যই মনৰ অৱস্থা, মনৰ সন্তুষ্টিয়ে সম্পূৰ্ণৰূপে বিষয়ীগত। 'What is poetry' নামৰ প্ৰৱন্ধত লীহাণ্টে সুন্দৰৰ সংজ্ঞা দিছে এনেধৰণে— "(Poetry) It is a passion for beauty, because its office is to exalt and refine by means of pleasure and because beauty is nothing but the loveliest form of pleasure."

সাহিত্যিক গোস্বামীদেৱে সুন্দৰৰ সংজ্ঞা এনে ধৰণে দিছে—"প্ৰমাতাৰ আত্মগত ধৰ্ম্মৰ ফালৰ পৰা চালে মনক বিশেষ ভাৱে আনন্দ দিব পৰা এটা অৱস্থাকে সুন্দৰ বোলা হয়। Objective দৃষ্টিভঙ্গীৰ ফালৰ পৰা চালে এটি সম্পূৰ্ণাঙ্গ বস্তুৱেই সুন্দৰ। এনে বস্তুক সুন্দৰ বোলাৰ কাৰণ এয়ে যে ই আগত প্ৰকাশিত হৈ আমাৰ মনত আনন্দ জগাই তুলিব পাৰে।"

অনুভূতি মানুহৰ নিজা বস্তু। যিবিলাক মানুহ অনুভূতিশীল তেওঁলোকৰ প্ৰাণত প্ৰকৃতি জগত, মনোজগত— এই দুয়ো জগতৰ সৌন্দৰ্য্যবোধ আহি ধৰা দিয়হি। উদাহৰণ স্বৰূপে ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাদেৱৰ নাটকীয় উক্তি কেইটিমান তুলি দিয়া হ'ল— "পুৱা যেতিয়া হেঙুলী উষাৰ কিৰণ আহি গোলাপৰ পাহিত ওলমি থকা নিয়ৰৰ মুকুতা বোৰত পৰি জিলিঙণি তোলে আকাশত যেতিয়া এটা ৰঙচুৱা দিগন্ত বিয়পা সৌন্দৰ্য্যৰ সৃষ্টি কৰি গোটেই বিশ্ব সংসাৰ সৌন্দৰ্য্যত অভিভূত কৰি এক মহান মোহিনী সৌন্দৰ্য্যৰ সৃষ্টি কৰে, মধুৰ বসন্তত যেতিয়া গছপাত লতাবোৰে আত্মসমৰ্পণ কৰি নযৌৱনৰ লাজুকী আভা ফুটাই পুৱাৰ কোমল কিৰণতে উৱলি পৰিব খোজে, হিমালয় তুষাৰে ঢকা টিঙ যি ৰেখাত নীলিম আকাশৰ সৈতে মিলো-মিলোকৈ লীণ যাব খোজে, তাত যেতিয়া অস্তাচলৰ সুৰুযৰ শেষ কিৰণৰ ৰেখা এটি আহি পৰি সেই অতুল সৌন্দৰ্য্যত ৰাঙ চৰাই লাহে লাহে মাৰগৈ বিশ্ববিমোহিনী ৰূপ সুধা ঢালি দিয়ে, পশ্চিমাকাশত মাৰ যাব খোজা বেলিৰ ৰক্তিম আভা দেখি আৰু আকাশত জাকপাতি উৰি যোৱা দেও ৰাজহাঁহবোৰ দেখি পাথিৱ জগতৰ দুখ শোক সকলো পাহৰি যোৱা হয়।" অপূৰ্ব্ব প্ৰকৃতি প্ৰীতিৰ লগতে সৌন্দৰ্য্যপ্ৰিয়তাৰ নমুনা এটি চিত্ৰলেখাৰ উক্তিৰে নাট্যকাৰে দিবলৈ বিচাৰিছে। এই সৌন্দৰ্য্য উপাসনাৰ কাৰণে কোনো অনুষ্ঠানৰ আৱশ্যক নকৰে, মাথো আত্মাৰ লগত ইয়াৰ এটা সংযোগ দৰকাৰ হৈ পৰে।

সৌন্দৰ্য্য বিচাৰি আমি হাবাথুৰি খাব নালাগে। বছৰৰ বিভিন্ন ঋতুত নানা সৌন্দৰ্য্যৰে জগত মুখৰিত হৈ পৰে। প্ৰকৃতিৰ এই বিভিন্নৰূপৰ সহায়ত মানুহে সৌন্দৰ্য্যজ্ঞান লাভ কৰে সঁচা কিন্তু আচলতে এই সৌন্দৰ্য্যবোধ মানুহৰ অন্তৰৰ বস্তু। অন্তৰ্জগত আৰু বহিঃজগতৰ লগত সৌন্দৰ্য্যৰ এটি সম্বন্ধ থাকিব লাগে। দুয়োৰো মাজত সম্বন্ধ বা সংযোগ নাথাকিলে প্ৰকৃত সৌন্দৰ্য্যজ্ঞান পাব নোৱাৰি। সেয়ে আচল সৌন্দৰ্য্য ক'ত পোৱা যায় বিচাৰি উলিওৱাটো দুৰূহ।

সুকুমাৰ কলাৰ ভিতৰত সঙ্গীতেই শ্ৰেষ্ঠ স্থান পাইছে। সেয়েহে কোৱা হয় সংসাৰ মৰুভূমিত গানেই অমৃত সৰোবৰ। সংগীতত কথা আৰু সুৰৰ অপূৰ্ব্ব সংযোগ ঘটে। কিন্তু কাব্য বা সাহিত্যত ভাব আৰু ভাষা থাকে ইহঁতৰ সম্বন্ধ জোন আৰু জোনাকৰ দৰে অভেদ। সংগীতত যদি তাৰ সুৰটি আঁতৰি থাকি নিৰহনিপানী কথা কেইটাহে মাথোন কানত বাজি থাকে তেনেহলে সেই সংগীতে জনসাধাৰণৰ মন আকৃষ্ট কৰিব নোৱাৰে। ডঃ ভূপেন হাজৰিকাই "অস্ত আকাশৰে সপোন ৰহন সানি, ক্লান্ত লুইতৰে হেঙুলীয়া পানী" বুলি সুন্দৰ নিভাঁজ কথা আৰু সুৰৰ অপূৰ্ব্ব লহৰেৰে সৌন্দৰ্য্য প্ৰিয়তাৰ সপোন সিচি দিছিল।

"সৌন্দৰ্য্য এটা মানসিক অৱস্থা মাথোন। বস্তু বা বিভাৱ আদিৰ মাজেদি এই অৱস্থা মনৰ মাজত পৰিস্ফুট হৈ উঠে। ভাৰতীয় আলংকাৰিক সকলৰ ৰসো এইদৰে বিভাবাদিৰ সংযোগৰ দ্বাৰাইহে পৰিস্ফুট হব পাৰে। গতিকে বিশ্লেষণৰ পিছত সৌন্দৰ্য্য আৰু ৰস দুয়োটাকে একে বস্তু বুলি ঠাৱৰাব পাৰি। মাথোন পাশ্চাত্য কলাকাৰ সকলৰ সৌন্দৰ্য্য কল্পনাত আধিক্য আছে আৰু প্ৰাচ্য আলংকাৰিক সকলৰ আলোচনাত ভাৱৰ আধিক্য পাশ্চাত্যসকলে বস্তুৰ ওপৰত বিশেষ ভৰ দিছে আৰু প্ৰাচ্যসকলে ভাৱৰ প্ৰতি বিশেষ লক্ষ্য ৰাখিছে। গতিকে সৌন্দৰ্য্য আৰু ৰস দুয়োটাকে এটা বস্তুৰ দুটা পিঠি যেন লাগে।"

জগতৰ সুন্দৰ সৃষ্টিৰ অন্তৰালত চিৰকাল এক মহামিলনৰ সুৰ বাজি আছে। এই সুৰৰ স্পন্দনে আমাৰ প্ৰাণত সৌন্দৰ্য্যৰ এক পৰিবেশ সৃষ্টি কৰে। এই পৰিবেশে বিশ্বৰ সৌন্দৰ্য্যৰ প্ৰতিবিম্ব আমাৰ প্ৰাণত পেলায়। এই প্ৰতিবিম্বিত সৌন্দৰ্য্যক যেতিয়াই ৰূপ দিয়া হয় তেতিয়াই সাহিত্য সৃষ্টি হয়। গতিকে সাহিত্য বিশ্বৰ বহুমুখী সৌন্দৰ্য্যৰ প্ৰতিবিম্ব মাথোন। অন্তৰৰ প্ৰতিফলিত হোৱা এই প্ৰতিবিম্বই সাহিত্যত এক নতুন ৰূপ লয় আৰু বাস্তৱক সত্য আৰু সৌন্দৰ্য্যৰে সাহিত্যক ৰূপ দিয়ে। নতুন সৃষ্টিৰ অন্তৰালত লুকাই থাকে সাহিত্যিকৰ সত্য আৰু সৌন্দৰ্য্য স্পৃহা। ৱৰ্ডচ্‌ৱৰ্থেও এই অপৰূপ জ্যোতিৰ কথা তেওঁৰ কবিতাত বৰ্ণনা কৰিছে। এই অপৰূপ জ্যোতিয়ে বাস্তৱক সজীৱ কৰে আৰু নতুন জীৱনৰ জেউতি চৰায়।

আনহাতে সৌন্দৰ্য্য প্ৰাণৰ কেন্দ্ৰীভূত বস্তু। প্ৰাণৰ লগত সৌন্দৰ্য্যৰ সংযোগ নঘটিলেই একে সৌন্দৰ্য্যকে বিভিন্নজনে বিভিন্ন ৰকমে অনুভৱ কৰে। অৱস্থাভেদে সৌন্দৰ্য্য আকৌ বেলেগ বেলেগ সৌন্দৰ্য্যবোধলৈ ৰূপান্তৰিত হয়। কোনোজনৰ হাতত থকা গোলাপ ফুল এটিৰো সৌন্দৰ্য্য নথকা নহয়। কাইটীয়া গোলাপৰ ঠাৰিত সেউজীয়া পাতৰ মাজত মধু বিচাৰি ব্যাকুল হৈ পৰা ভোমোৰাৰে সৈতে বাগিচাত প্ৰস্ফুটিত হৈ থকা গোলাপ ফুল আমি সকলোৱে দেখিছোঁ। সেই গোলাপফুল বহু দূৰৈত থাকিলেও মলয়া পবনে নিশ্চয় আমালৈ সুৰভি আনি দিয়ে। তাৰ সৌন্দৰ্য্য কেনে বিচক্ষণ— কেনে মনোমোহা। তথাপিও—

"কাৰ পৰশত ফুলিলি বান্ধৈ
অ' মোৰ সাদৰী ফুলাম পাহি ?
শ্যামলী পাতৰ ওৰণি গুচাই
কাৰ ফালে চাই মাৰিলি হাঁহি।"

বুলি বিহগী কবি চৌধাৰীৰ বাহিৰে আনে আমাক গোলাপৰ সৌন্দৰ্য্যৰ বিষয়ে মনোমোহা চিত্ৰ এখনি আঁকি দিব পৰা নাই। তাজমহল আমি কিমানেই বা দেখিছোঁ ? তাজমহল নেদেখাকৈ হুবহু এখনি জীৱন্ত ছবি আমাৰ আগত দাঙি ধৰিছে বহু কবি শিল্পীয়ে। প্ৰেমিকাৰ অন্তৰৰ আকুল আহ্বানকো প্ৰত্যাখ্যান কৰি চাহজাহানৰ দৰদীক ভুৱনবিজয়ী কৰি তুলি ৰাখিলে শিল্পী আলিজানে। আলিজানৰ কল্পনা প্ৰৱনতাই আজিও আমাক সকীয়াই দিয়ে তাজমহলৰ সৌন্দৰ্য্য। নিজৰ শিল্পী মনক স্বৰ্ণাক্ষৰেৰে জীয়াই ৰাখি নিজে মৰহি গ'ল আলিজান। এনে কৰুণ কাহিনীৰে জীৱন্ত চিত্ৰ বহু কবি সাহিত্যিকে লিখনিৰে ব্যক্ত কৰিলেও :

তাজ তুমি ৰঙা তেজ
বিৰহীৰ অন্তৰৰ
গোটমাৰি শিলা হোৱা
মৰ্ম্মভেদী ব্যথা
লেখা নাই আখৰেৰে
পাথৰেৰে ৰচি থোৱা
এটি নৱ যুগমীয়া
বৃহৎ কবিতা

বুলি কোনো কবিয়ে আজিও বৰ্ণনা কৰিব পৰা নাই। এয়ে হৈছে কল্পনা আৰু সৌন্দৰ্য্য প্ৰীতি। ঠিক সেইদৰে স্কট্‌লেণ্ডৰ নিজান ধাননি পথাৰৰ মাজত অকলে গুণগুণকৈ গীত গাই থকা দাৱনীৰ গীত শুনি বা হ্ৰদৰ মাজত বতাহত হালি জালি নাচি থকা ডেফডিল ফুল দেখি ৱৰ্ডচ্‌ৱৰ্থৰ অন্তৰাত্মাত যি সত্য আৰু সৌন্দৰ্য্যৰ ভাৱ সৃষ্টি হ'ল তাৰেই প্ৰতিৰূপ হ'ল ৱৰ্ডচ্‌ৱৰ্থৰ 'The Reaper' আৰু 'I wandered lonely as a cloud' আদি কবিতা।

ৰোমাণ্টিক যুগৰ সাহিত্যৰ এটি বৈশিষ্ট্য হৈছে প্ৰকৃতি প্ৰীতি। মানুহৰ অন্তৰত সৌন্দৰ্য্যবোধ থকাৰ কাৰণেই প্ৰাকৃতিক জগতৰ বিভিন্ন বস্তুৰ লগত মানুহৰ সম্বন্ধ স্থাপন হয়। ই নহলে প্ৰাকৃতিক জগত আৰু মানুহৰ মনৰ সংযোগ ঘটিব নোৱাৰে। প্ৰাকৃতিক জগতৰ পৰা সকলোবোৰ বৈষম্য দূৰ কৰিব পাৰে এই সৌন্দৰ্য্যবোধহে। ৰোমাণ্টিক যুগৰ কবিসকল প্ৰকৃতিৰ কোলাতে ডাঙৰ-দীঘল হৈছিল। সেয়েহে বাইৰণে কৈছিল—"I loved not men the less, but Nature more". ৱৰ্ডচ্‌ৱৰ্থ, কীটছ, শ্বেলী, থমচন আদি পাশ্চাত্য কবিকে ধৰি বিদ্যাপতি, চণ্ডীদাস, ৰবি ঠাকুৰ, ৰঘুনাথ চৌধাৰী, পাৰ্ব্বতীপ্ৰসাদ বৰুৱা আদিৰ কবিতাত প্ৰকৃতিবাদৰ চূড়ান্ত বৰ্ণনা পোৱা যায়। সংস্কৃত কবি কালিদাস, অপভ্ৰংশ কবি আব্দুৰ ৰহমান আদিৰ কবিতাতো প্ৰকৃতিৰ বৰ্ণনা পোৱা যায়। প্ৰাকবৈষ্ণৱ যুগৰ কবি মাধৱ কন্দলিৰ ৰামায়ণত অসমৰ প্ৰাকৃতিক জগতখনৰ এটি হুবহু চিত্ৰ পোৱা যায়। শংকৰদেৱৰ 'শৰতৰ বৰ্ণনা' নামৰ কবিতাটোৰ কথা কোনেও পাহৰিব নোৱাৰে। শৰতৰ বৰ্ণনালৈ বহুতো কবি পঞ্চমুখ। সেইবিলাকৰ ভিতৰত তিনিজন কবিৰ তিনিটা শৰতৰ বৰ্ণনা সাহিত্যত সৌন্দৰ্য্যৰ আধাৰ হিচাবে কেনেধৰণে চিত্ৰিত হৈছে উদাহৰণ হিচাবে তুলি দিয়াৰ লোভ সামৰিব নোৱাৰিলোঁ।

"কাশাংশুকা বিকচ পদ্মমনোজ্ঞ বক্ত্ৰা
সোন্মাদ হংসৰৱনূপুৰ নাদ ৰম্যা॥
আপক্ক শালিৰুচিৰা তনু গাত্ৰযষ্টিঃ
প্ৰাপ্তা শৰন্ন বধুৰিব ৰূপৰম্যা॥
কাশৈৰ্ম্মহী শিশিৰ দীধিতিনা ৰজন্যো
হংসৈৰ্জলানি সৰিতাং কুমুদৈঃ সৰাংসি
সপ্তচ্ছদৈ কুসুম ভাৰনতৈৰ্ব্বনান্তঃ
শুক্লীকৃতান্যু পবনানি চ মালতীভিঃ।"

[ কালিদাস ]

"আমাৰা বেধেঁছি কাশেৰ গুচ্ছ
আমাৰা গেথেঁছি শেফালি মালা
নবীন ধাঁণেৰ মঞ্জৰী দিয়ে
সাজিয়ে এনেছি ডালা।
এসো গো শাৰদলক্ষ্মী. তোমাৰ শুভ্ৰ
মেঘেৰ ৰথে
এসো নিৰ্মল নীল পথে
এসো ধৌত শ্যামল
আলো ঝলোমলো
বনগিৰি পৰ্ব্বতে
এসো মুকুটে পৰিয়া শ্বেতশতদল
শীতল শিশিৰ ঢালা।"

[ ৰবি ঠাকুৰ )

"জাকি মাৰি পথিলাই
কাণে কাণে কই যায়
তাৰ নাও হেনো শৰতকোঞৰ
বোটলে শেৱালি সৰা।
আজি নীল আকাশত শুকুলা ডাৱঁৰ
ধুলি উকৱাই
সৌ পদূলিয়ে আহিছে হবলা
শাৰদী লখিমী আই
আজি লুইতৰ সিপাৰৰ কহুঁৱা বনতে
নাচনী উঠিছে জাগি
ইপাৰৰ ধাননিত কঁপনি উঠিছে
বতাহৰে ঢৌ লাগি।"

[ পাৰ্ব্বতী প্ৰসাদ বৰুৱা ]

এই আটাইবোৰ প্ৰকৃতিৰ বৰ্ণনাই সৌন্দৰ্য্য প্ৰিয়তাৰ অফুৰন্ত স্বাক্ষৰ আৰু এই বৰ্ণনাই সৰ্ব্বসাধাৰণকো বিভিন্ন প্ৰকৃতিৰ ৰসোময় জগতৰ কথা কল্পনা কৰিবলৈ সুবিধা দিয়ে।



ইংৰাজ কবি ৱৰ্ডছৱৰ্থৰ এটি কবিতাত প্ৰকৃতিৰ মাজেৰে সৌন্দৰ্য্যবোধ আটক ধুনীয়াকৈ প্ৰস্ফুটিত হৈছে :

"The sounding cataract
Haunted me like a passion; the
tall rock,
The mountain and the deep and
gloomy wood
Their colours and their forms were
then to me
An appetite, a feeling and a love."

সুন্দৰৰ অপূৰ্ব্ব সন্মোহনী ৰূপত মুগ্ধ হৈ বহুতো কবিয়ে পাৰ্থিব সৌন্দৰ্য্যৰ সলনি ভগবানৰ সৌন্দৰ্য্যত মছগুল হৈছে। ইংৰাজ কবি কীট্‌ছে "Truth is beauty; Beauty Truth" বুলি উপলব্ধি কৰিব পাৰিছিল। ছক্ৰেটিছে জাগতিক সৌন্দৰ্য্যৰ জৰিয়তে স্বৰ্গীয় সৌন্দৰ্য্যৰ বাট দেখুৱাইছে : শাৰীৰিক সৌন্দৰ্য্যৰ পৰা আমি মানসিক সৌন্দৰ্য্যত উপনীত হওঁ আৰু তাৰ পৰা ভগবানৰ সৌন্দৰ্য্যৰ স্তৰলৈ গতি কৰে। অম্বিকাগিৰি ৰায়চৌধুৰী দেৱে প্ৰেয়সীৰ ৰূপ সৌন্দৰ্য্যতে হাবু-ডুবু খাইছে :

তুমি বিজুলীৰ হাঁহিখিনি
ভূমুকোৱা লাহ-বিলাহত ;
তুমি আকাশৰ ৰামধনু
জুই জ্বালি বিৰহীমনত।

চন্দ্ৰকুমাৰ আগৰৱালা দেৱেও "সুন্দৰৰ আৰাধনা জীৱনৰ খেল" বুলি সৌন্দৰ্য্যৰ মাজত ভগবানৰ



অস্তিত্ব স্বীকাৰ কৰিছে। ঠিক একেদৰে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা দেৱেও সৌন্দৰ্য্যৰ মাজতে ভগবানক বিচাৰি পাইছে :

সুন্দৰ যে ফুলাৰ মন্ত্ৰ
অহোৰাত্ৰি মাতে
সেয়েহে আজি ইমান ফুল
প্ৰভাতে প্ৰভাতে

বাস্তৱজগত কল্পনাৰ জগত। কল্পনাৰ উৎস সৌন্দৰ্য্য। কল্পনা অবিহনে সৌন্দৰ্য্যৰ জেউতি বিচাৰ কৰিব নোৱাৰি। মানুহ কল্পনাবিলাসী। কল্পনাৰ সাতৰঙী কাৰেংঘৰ বান্ধিবলৈ মানুহে প্ৰয়াস কৰে আৰু তাতেই পাই সৌন্দৰ্য্যৰ সন্ধান। মানৱঅন্তৰত সৌন্দৰ্য্য বোধ আছে কাৰণেই জগতখন ইমান ধুনীয়া আৰু সৌন্দৰ্য্যশালী। এই ধুনীয়া জগতখনতে সৌন্দৰ্য্যত আপ্লুত হৈ কবি নাইবা শিল্পীয়ে সৌন্দৰ্য্যৰ ৰহঘৰা সাজিছে আৰু মানুহক বিমলানন্দ দিব পাৰিছে।

হৰেন্দ্ৰ নাথ শৰ্ম্মা



[গল্প]

# নিৰুপায় এজাক পোহৰ এটি সমীক্ষা

.... .... ... আপোনাৰো অন্তৰত কেতিয়াবা এনেকুৱা স্মৃতি জাগি উঠে নেকি, দাদা? .... .... .... মাতত সহস্ৰ মৰম। .... .... ... মনৰ উলাহতে .... .... তাই ... উপগুপ্তৰ একেবাৰে কাষ চাপি....গৈ ডিঙিত সাৱটি ধৰিলে। .... তাইৰ .... .... স্ফিতোন্নত বুকুখন উপগুপ্তৰ কোমাল বক্ষত লিপিত খাই গ'ল। .... ... বুকুৱে বুকুৱে লগা মৃদু মৃদু ঘৰ্ষণত .... .... লাহে লাহে এটা .... ... অনামী শিহৰণ খেলি গ'ল। ... .... অকস্মাৎ এচেৰেঙা মিঠা ৰ'দ আহি পৃথিৱীত পৰাত ... .... .... আনন্দৰ পাৰ ভাগি গ'ল। .... উপগুপ্তৰ ডিঙিত জোৰেৰে সাবটি ধৰিলে হিমানী .... .. .... ... ।

* *

*

শ্যামলী পাহাৰখনৰ পৰা মন্থৰ গতিৰে নামি অহা জুৰিটিৰ জলধাৰা বৈ গৈ অসীমৰ লগত মিহলি হৈছে। জুৰিটিৰ গাতে লগাকৈ কুণ্ডটিৰ পাৰতে এখন আশ্ৰম। বসন্তৰ সমাগমত তপোবন মুখৰিত বন-বিহঙ্গৰ কাকলি-কূজন আৰু কুণ্ডৰ বক্ষত ফুলা ৰাশি ৰাশি ভেঁট আৰু পদুমৰ ৰং আৰু সুৰভিত মোহ গৈ জল-ক্ৰীড়াত উন্মত্ত হোৱা শুকুলা ৰাজ-হংসযুথৰ নৃত্যভঙ্গীমাই ভূখণ্ড অপৰিসীম ভাৱে মোহণীয় কৰি তোলাৰ উপৰিও অস্তাচলগামী সূৰুযে তাৰ স্বৰ্ণাঞ্চল বিয়পাই দিক্ দিগন্তৰ বুকু উৎভাষিত কৰাত এক অপাৰ্থিব অৱাস্তৱ স্মৃতি জাগি উঠে। আৰু? আৰু অনুকুল পৰিবেশ ব্যপ্ত বসন্ত বলীয়া কাম-গন্ধী বতাহৰ সন্নিধ্যত সংযামী যোগীৰো হৃদয়ত জাগে মৃদু শিহৰণ........

তেতিয়াও চঞ্চলা প্ৰকৃতিৰ বুকুলৈ সন্ধিয়াৰ নিস্তব্ধতাখিনি নামি অহা নাই। অস্ত আকাশৰ হেঙুলী আভাই আশ্ৰমৰ বাতাবৰণ তেতিয়াও বিঢৌত কৰি আছে।

আশ্ৰমৰ উপবনত কোমল ঘাঁহ খাই চৰি ফুৰা ভেলেঙী পোৱালী আৰু পাল তৰি উৰি যোৱা নীল আকাশৰ সৌন্দৰ্য্য আৰু অনুৰাগৰ প্ৰতীক ধক্-ধকীয়া বগা পানী-হাঁহ বিলাক চাই চাই ফুৰি আছিল হিমানী। এনে স্নিগ্ধ সন্ধিয়াৰ মধুৰ পৱন আৰু প্ৰকৃতিৰ মনোৰম দৃশ্যাৱলীৰ মাজত জড়-চেতন পদাৰ্থ সমূহৰ জয়োল্লাস দেখি তাইৰ ভাল লাগি যায়।





এজোপা গোলাপ ফুলৰ এটা ডালত বহি এহাল কাম চৰাই আপোনমনে কথা পাতি আছিল। গভীৰ আলাপ আলোচনাৰ মাজেদি বাগৰি যোৱা তেনেকুৱা নিজস্ব ক্ষণৰ কোঁহে কোঁহে যেন অনুৰণিত হৈ আছে সিহঁতৰ দাম্পত্য জীৱনৰ মাধুৰ্য্য। পুলকিত মধু-যামিনী।

হিমানীৰ শান্ত চকুহালৰ সন্ধানী দৃষ্টি সেই ফালে ঘুৰি আহি আপোনা আপুনি সিহঁতৰ ৰঙা ৰঙা ঠোঁট কেইটাত মেৰ খাই গল। বহু চেষ্টা'ৰ পাচতো সেই দৃষ্টি ঘূৰাই আনিব নোৱাৰিলে। হৃদয়ৰ উচ্ছ্বাস মিহলি সেই জোনালী মুহূৰ্ত্তবোৰ উপভোগ কৰি কৰি অন্তৰত জাগি উঠা মধুৰ কঁপনি এটাৰ উমান পাই ফোঁপাই উঠিল তাই। ....

যুগ-যুগান্তৰ ধৰি মানুহে সূক্ষ্মপদ্ধতিৰে মগজুক পৰিচালিত কৰিব পাৰে কিন্তু মানৱ মনোবিজ্ঞান সন্মত সুস্থ চিন্তাৰ দ্বাৰা অন্তৰৰ আবেগ অনুৰাগ কক্ষচ্যুত কৰাৰ ফলত প্ৰাণৰ ব্যাকুলতা অন্তঃসলিলা ফল্গুধাৰাৰ দৰেই নিগৰি থাকে। আৰু সেয়েহে মানৱ মনৰ দুৰ্ব্বলতাৰ সুযোগ লৈ গভীৰ প্ৰদেশত কুণ্ডলী পকাই শুই থকা বিগত দিনৰ সঙ্গ সুখ বিজড়িত স্নেহানুকম্পাৰ মুক্ত বন্যাই সাধনাৰ বান্ধ ভাঙি হঠাতে অন্তৰ উটুৱাই লৈ যায়।

হিমানীৰো তাপসী মনৰ বিমল জেউতি কামনাৰ বতাহত ধপ্ধপাই উঠিল। নতুন জীৱনৰ কাইটে ৰক্তাক্ত কৰা তাহানিৰ বুকুখন যেন আজিহে বিষাই গ'ল—।

'নাম কি?"

"আশালতা দাস।"

"পঢ়িছা?"

"পঢ়িছিলো, প্ৰবেশিকা দিয়া নাই।"

"কিয়?"

কিয়? এই নিমিলা (?) অঙ্কটোৰ উত্তৰ কোনো দিনেই তাই কাকো দিয়া নাই। দিব নোৱাৰে।

কুৰি শতিকাৰ সভ্যলোকালয়ৰ পোহৰ নপৰা ক্ষুধাতুৰ সমাজৰ মধ্যবিত্ত পৰিয়াল এটাৰ অসস্থল জীৱন সমুদ্ৰত জলকে জলকে পানী খোৱা দুৰ্ভগীয়া জীৱনবোৰৰ উচ্ছাভিলাসৰ সাতসৰি!!

এজনী লাজুকী ছোৱালীৰ সহজাত সংকোচ আৰু দুৰ্ব্বলতাৰে ডেকাজনৰ সন্মুখত তলমুৱাকৈ থিয় দি থকা আশালতাৰ এক অনামী শোকত অন্তৰখন অভিভূতা হৈ পৰিল। সৰু সৰু চকু দুটিত বাৰিষাৰ ঢল নামি আহি মৰম কোমল গাল দুখনিৰ ওপৰেদি সৰসৰাই বাগৰি গ'ল। তাইৰ দৰ্শন-মেগনেছিয়ামে নিজস্ব হেৰুৱালে। খুউব অকলশৰীয়া অনুভৱ কৰি কোনোবা পুৰুষ হৃদয়ৰ আবদাৰ বিচাৰি উচুপি উঠিল, আশালতা।

এজনী অচিনাকি কিশোৰীৰ সান্নিধ্যই ন পৰিবেশী অনুসন্ধিৎসু ভদ্ৰলোক জনৰো অন্তৰখন তোলপাৰ লগাই দিলে। চাকিগছ হাতত লৈ উচুপি থকা ছোৱালীজনীৰ চকুলোৰ নৈ খনত বঠা মাৰি মাৰি অজানিতে কেতিয়াবা ডেকাজনো ভাগৰি পৰিল।

একে উশাহতে তেওঁ কথা কেইটিমান তাইক সুধিলে। ইয়াৰ বাহিৰেও আৰু দুই এটা কথা সুধিব খুজিছিল, নুসুধিলে। নোৱাৰিলে

সুধিব।

আশালতাৰ বেঙা চাৱনিত যেন চিনাকী কিবা এটা বিগাৰি পালে ডেকাই। চোকা ধঁপাত হুপি গোপালভোগ বিচাৰি ঘোৱা বিদ্রোহী মনটোৰ দৰে তেওঁৰো মনটোই বিদ্রোহ কৰি উঠিল।

স্নিগ্ধ সন্ধিয়াৰ কাঁহপৰি জীণ-যোৱা সোণময় পলকে পলকে কামনাৰ মকত প্রণয়ৰ গোলাপ-পাপৰি কঁপাই যোৱা হিমেল বতাহৰ সলজ্জ তৰঙ্গত ভাহি আহে জীৱনৰ নৰ নৰ উৎপল— বিশ্বদৰবাৰৰ শীৰ্ষ ট্রেজেডিবোৰ। ৰোমাঞ্চ ৰোমাঞ্চ লগা এক সন্ধিয়া পৰত জীৱন আৰু আশালতাৰো যুগ্ম জীৱনৰ কুঁহিপাত কোবাই ফাগুনী পছোৱা বলিল। উদুলি-মুদুলি হ'ল জীৱনৰ সোণালী পদূলী।

আনন্দৰ বোকোছাত উঠি আহে ক্লান্তি। আশালতাও ক্লান্তহৈ পৰিল। জীৱন-ৰসৰ (Life pulsation) ফাঁকে ফাঁকে এদিনাখন উৰি আহিল ভয়ানক ট্রেজেডি— শোকানল! যি শোক দাৰুণ - মৰ্ম্ম স্পৰ্শী অথচ সংযত, কৰুণ। এনে শোকৰ তুহ জুইত মানুহৰ অন্তৰ দগ্ধহৈ যায় কিন্তু প্রকাশৰ কাৰণে নহয়। ভাষা মুক, মৌন। নীৰব। আশালতাও চুপহৈ ৰ'ল এদিন। হেৰাই গ'ল ভাষা। নীৰৱ হ'ল - সহ্য কৰিব নোৱাৰা মিঠা মিঠা

সিহঁতৰ গাৱঁৰে ভেঞ্চাৰ হাইস্কুলখনত জীৱন কলিতাই চাকৰি কৰিছিল হি। ভেঞ্চাৰ স্কুলৰ শিক্ষক - কিবা সামান্য অপৰাধতে চাকৰিটো গ'ল। জীৱন কলিতাও গ'লগৈ। আৰু ঘূৰি নাহিল কোনো দিনে। আশালতাৰ গুপুত আশা গোপনে মৰহি গ'ল। গম নেপালে কোনেও—

* * * *

আকৌ আহিল নৱ-বৰ্ষ। নবীন সাজেৰে। পাত্তৰ আৰৰ কুলি কেতেকীৰ হিয়া ভগা আৱাৰে দোভাগ ৰাতিও প্রেমিক-প্রেমিকাহঁতৰ হৃদয়-মকৰ ওপৰেৰে এচেৰেঙা গৰম বতাহ বোৱালে। দুৰ্ভোৰ অমানিশা ভেদ কৰি অনাই-বনাই ঘূৰি ফুৰা ভুল মেঘৰ চপৰাবোৰে উদিত দিনমনিৰ মোহস্পৰ্শত প্রাণ পাই গালে মুখে সানি ললে ৰৌদ্র-আলিপন। কথাও পাতিব খোজে ফুঁছ ফুঁছকৈ— নিজা কথা। প্রাণৰ। .... .... কিন্তু নোৱাৰে। এছাটি প্রভাতী সমীৰে ঠেলি নিয়ে সিহঁতক বহু বহু দূৰলৈ – আঁত হেৰোৱা দিগন্তলৈ .... .... ....

বেচ উম লগা ৰাতিপুৱাটোৰ শীতল বতাহ জাক সেৱন কৰি তপোবনত বিচৰণ কৰি আছিল হিমানী আৰু উপগুপ্ত। তেতিয়ামানে দিখলংত সূৰ্য্যটো যুঁজৰ কুকুৰাটোৰ দৰে ভীতিবিহ্বল চিত্তে ৰঙা পাখি মেলি দি মৃদু মৃদু কঁপিছে। আৰু তাৰ সেই মনোমোহা সেন্দুৰীয়া বোল সিচঁৰতিহৈ গৈ পাহাৰে শিখৰে লাগি 'বনে বনে' যি মৌ-মেল পাতিছে তাকে দেখি দুয়ো আচৰিত হৈ যায়।

প্রকৃতিৰ এনে অপৰূপ সৌন্দৰ্য্যাই হিমানীক আজি উন্মনা কৰি তুলিছে। উপগুপ্তক লক্ষ্য কৰি তাই লাহেকৈ সুধিলে—

"কোন সি খনিকৰে ৰাঙলী আবিৰেৰে বুকুত সানিলে সৃষ্টিৰ স্পন্দৰ প্রকৃতিৰ শ্যামলিত সপোন আঁকিলে ?"

"এওঁ ঋতুৰাজ বসন্ত, ভনী।"—সমীপস্থ পৰ্ব্বত মালাৰ এটি উচ্চ শৃঙ্গত চকু ৰাখি বৰ গম্ভীৰ স্বৰে কলে উপগুপ্তই।

"বসন্তৰ সমাগমত আশ্রমৰ আকাশ-বায়ু সঙ্গীত মুখৰহৈ বননিৰ দশোদিশ অভিনৱ উছাহত অধীৰহৈ পৰে কিয় ?" — উপগুপ্তৰ পিনে বক্র-দৃষ্টি নিক্ষেপ কৰি আকৌ প্রশ্ন কৰিলে হিমানীয়ে। তাইৰ হিয়া-ফুলনীত যেন নানা ৰঙৰ পখিলা জাকি মাৰি উৰি যায়। ..

"ভাৱ বিনিময়ৰ বাবে।" — সাগৰ এখনৰ সিপাৰৰ পৰাহে যেন কোনোবাই সহাৰি দিলে। অনুচ্চ-কণ্ঠে এনেভাৱেই উত্তৰটো উপগুপ্তই সংক্ষেপে দিয়ে।

"তাতেই বা লাভ ?"

"লাভ যথেষ্ট। বসন্তৰ আগমণৰ লগে লগেই প্রকৃতি হঠাৎ যেন সাৰ পাই উঠে টোপনিৰ পৰা। মটীয়া আৰু বগা বৰণৰ সাজ-পাৰ এৰি প্রকৃতিয়ে পৰিধান কৰে বাৰে বৰণীয়া সাজ-পোচাক। এই সময়তেই ফুলকলি পাহ মে'ল খোপা-ফুল হয়, মিঠা সৌৰভেৰে ভৰপূৰ বতাহ গোন্ধত আমে'ল মোলায়। .... .. এই সময়তেই মধুৰ স্মৃতিবোৰো আকৌ উভতি আহে জীৱনলৈ। .... .... ....

"আপোনাৰো অন্তৰত কেতিয়াবা এনেকুৱা স্মৃতি জাগি উঠে নেকি, দাদা ?" — নিলিপ্ত সাধকৰ হৃদয়াকাশৰ কল্লোল জিনি নাৰীমনৰ মিলন-স্পৃহাক ঘনীভূত কৰিবলৈ হিমানী বিৰাট ঔৎসুক্যৰে উপগুপ্তক এইবাৰ প্রশ্ন কৰিলে। 'জটীয়া শিক্ষো পৰিল পাকত।' তাই মনে মনে হাঁহিলে।

সপোন দেখি সাৰ পোৱা মানুহটোৰ দৰে হিমানীৰ কথাখিনি আচহুৱা যেন পাই উপগুপ্ত এক প্রকাৰ জিকাৰ খাই উঠিল। তথাপিও তেওঁৰ অন্তস্থলত এটি অজান সুৰ ধীৰে ধীৰে বাজি উঠিল। এই সুৰ, বাঁহীৰ সুৰ নহয়— তৰুণমনৰ মৰ্ম্ম বেদনাৰ।

ই তোমাৰ আৰু কেনে খেলা প্রভু! সিদ্ধিৰ বাটত সাধনাৰ চৰণ পিছলি যোৱা নাইতো। চকুদুটা এবাৰ বহলকৈ মেলি দি আকৌ মুদি দিলে তেওঁ।

.উপগুপ্ত নিৰ্ব্বেজাল সাধু। তেওঁৰ হৃদয়ত বিষয় সুখৰ স্থান নাই। হিমানীয়ে কথা ইঙ্গিতৰ স্বাৰ্থীয়তাই মনটো অলপ বিচলিত কৰিছিল। জাপ খোৱা চকুজুৰি আকৌ মেল খাই আহিল উপগুপ্তৰ।

গোলাপফুল এটা হাতত লৈ মনৰ উলাহতে কেতিয়াবা উপগুপ্তৰ একেবাৰে কাষ চাপি আহিল হিমানী। কিবা যেন এটি কথা কওঁ কওঁ বুলিও কব পৰা নাই।

চকুপচাৰতে এছাটি মলয়া বতাহে চুৰি কৰি তাইৰ গাৰ কাপোৰখন উৰুৱাই লৈ যোৱাত বুকুৰ উন্নত মাংসপেশীদ্বয় মেঘৰ ফাঁকেদি ওলোৱা চন্দ্রটোৰ দৰে বিৰিঙি উঠিল।.... ....

এনে সময়তে এটি মধুমত্ত ভোমোৰা কৰবাৰ পৰা উৰি আহি ভুলতে ফুল বুলি গালতে পৰাত হিমানী লাজতে ৰঙা-চিঙা পৰি গল।

ইকি! এনে ব্রহ্মমুহূৰ্ত্তত কৰ পৰা ভাহি আহে পাঞ্চজন্যৰ মধুৰ জোকাৰ! উপগুপ্ত

হিমানীৰ যেন তন্দ্ৰা ভাঙি যায়। খৰখেদাকৈ দুয়ো আশ্ৰম অভিমুখে ৰাওনা হয়।

*  *  *

চন্দ্ৰশেখৰ সন্ত পুৰুষ। সাংসাৰিক জ্বালা-যন্ত্ৰণা, দুঃখ-তাপ বিমোচন হেতু সন্যাস ধৰ্ম্ম পালন কৰি আশ্ৰম পাতি আছে। তেওঁৰ প্ৰভাৱত আশ্ৰমৰ জীৱ-জন্তু, কীট-পতঙ্গ, তৃণ-লতা সকলোৰে মাজত ঐহিক প্ৰীতিৰ এটা মধুৰ সম্বন্ধ মূৰ্ত্তমান। আৰু সেই মধুৰ অপ্ৰতি-হিত ঐক্য তানত বিমোহিত হৈ উপগুপ্ত আৰু হিমানীও গুৰুদেৱৰ কৃপা লাভৰ আশাৰে এদিন এদিনকৈ আহি শিষ্যত্ব গ্ৰহণ কৰি আছে।

মঙ্গলবাৰৰ আবেলি। পৰ্ব্বতীয়া নিজৰাৰ পানী যুঁৰলিত বতাহত হালি জালি ফুলি থকা অগনন ফুলৰ মাজত, হিমানীৰ সুকোমল দেহ-ফুল নাৰী সৌন্দৰ্য্যৰ ৰূপ ৰাশি সন্নিহিত সাই-লাথ শকুন্তলাৰ দৰে শোভা কৰি আছিল।

শকুন্তলাৰো এখন নিজা আকাশ আছিল। আবেগত লৰিছিল মুখ্য মুখ্য তাৰকা। আৰু কত কত ·········

হিমানীৰ একোৱে নাই। অনসূয়া, প্ৰিয়ম্বদা সখীহঁতো নাই — যুৱতীৰ গভীৰ অনু-ৰাগৰ সমভাগ লৈ মিলনৰ মধুৰ বেদীত প্ৰেমেৰে ধুৰঁলি-কুঁৱলি কৰি মনৰ গভীৰ বেদ-নাৰ সূত্ৰ আবিস্কাৰ কৰি দিবলৈ। নাই নাই আৰু কিবা কিবা············

অজ্ঞাতে তাইৰ এটি তপত হুমুনিয়াহ ওলাই আহিল। হাতমেলি চিঙিব খোজা কেতেকী ফুলটিৰ পাপৰিখিনিও যেন কিবা ভাবি আচম্বিতে চমকি উঠিল।

"সৰ্প দংশন হ'ল, দাদা।"— আগন্তুকক লক্ষ্য কৰি নিৰ্ব্বিকাৰ চিত্তে কথাটি কৈ থিতাতে বহি পৰিল হিমানী। মুখৰ হাঁহিটো ঢৌ খেলিয়েই আছিল। বিষাল সাপডালৰ প্ৰতি যেন তাইৰ কোনো খেদ নাই।

"সৰ্প দংশন?"— চিঞৰি লৰি আহে উপগুপ্ত। তেওঁ বিচূৰ্ত্তি খাই যায়। হাতৰ আঙুলিত কামুৰিছে। নিচেই সৰু। কিচ্‌ কিচীয়া কলা সৰ্প। বৰ বিষালে হব পায়। এটা দুৰ্দ্দমনীয় ত্ৰাসত তেওঁৰ সৰ্ব্ব শৰীৰ জিকাৰ খাই উঠিল। আৰু গালে মুখে প্ৰতিভাত হল এটি নিৰুপায় নিশ্চেষ্টাৰ বোবা চাৱনি।

ভীষণ ৰৌদ্ৰ তাপত পিয়াহত আতুৰ হৈ অণ্ঠ-কণ্ঠ শুকাই মহা আকাশত চিঁ চিঁ কৰা চাতকৰ আকুল তৃষ্ণাৰ লোলুপতা সুঁৱৰি বৰ্ষাৰ প্লাবনো নামে। কঠোৰ সাধনাত ব্ৰতী সাধু উপগুপ্তৰ হৃদয় বালিত অকাল বৃষ্টি দেখা পাই হিমানীৰ আভ্যন্তৰিণ হীৰাৰ খনিও লৰি উঠিল। আনন্দতে আকৌ এবাৰ তাই মিচি-কিয়ালে।

ইফালে তাইৰ শৰীৰৰ জ্যোতি ক্ৰমে ক্ৰমে ম্লান হৈ অহা যেন উপগুপ্তই নিজ চকুৰে দেখা পালে। তেওঁ একপ্ৰকাৰ চিঞৰিয়ে কলে,—

'সৰ্ব্বনাশ হ'ল, ভনী! মই তোমাক গুৰুদেৱৰ ওচৰলৈ লৈ যাওঁ।"

দুহাতেৰে হিমানীক দাঙিলৈ বেগতে আশ্ৰ-মাভিমুখে খোজ লবলৈ উপগুপ্ত উদ্যত হয়। তাই মুখেৰে নামাতি কেচুৱাটিৰ দৰে হাত মেলি উপগুপ্তৰ ডিঙিত সাৱটি ধৰিলে। হিমানীৰ স্ফতোন্নত বুকুখন উপগুপ্তৰ নোমাল বক্ষত লিপিত খাই গ'ল।

পশ্চিম দিগন্তত তল্‌বল্‌কৈ চকাটো পাটত বহাৰ ইতিমধ্যে সমাৰোহ চলিল। ক্ষন্তেক পাচতে নিশাদেৱীৰ তিমিৰাচ্ছন্ন অতল গহ্বৰত বিলুপ্ত হৈ যাব।

সৰ্পৰাজে হলাহল বিষ ঢালি দিছে। বিষৰ জ্ব'লাত একোবাৰ চকু মুদ খাই যাব খোজে। উপগুপ্তৰ কান্ধত তাই ভালকৈ মূৰটো পেলাই ললে।

এচেৰেঙা মিঠা ৰ'দ অকস্মাৎ উৰি আহি পৃথিবীত পৰাত প্ৰাণীজগতৰ ভাৱ সমুদ্ৰত আন-ন্দৰ পাৰ ভাগি গল। উপগুপ্তৰ কিন্তু মনৰ তৰনি নাই। বেগতে আশ্ৰম পাবগৈ লাগিব। তেওঁ আৰু বেগাই যায়।

উপগুপ্তৰ তৰিৎ গতিয়ে হিমানীৰ দেহত এটা সামান্য জোকাৰণিৰ সৃষ্টি কৰিছিল! বুকুৱে বুকুৱে লগা এনে মৃদু মৃদু ঘৰ্ষণত তাইৰ ধমনিত লাহে লাহে এটি অনামী শিহৰণ খেলি গল। উপগুপ্তৰ ডিঙিটোত জোৰেৰে সাৱটি ধৰিলে হিমানী।

উপগুপ্ত সংযমী। তেওঁৰ মনত তেনে কোনো বিষয়-সম্ভোগৰ উষ্মা লেশমানো নাই। হিমানীৰ এনে অসংলগ্ন আচৰণত মনত সন্দে-হৰ ভাৱ উপস্থিত হ'ল,— 'বিষৰ জ্বালাত এনেখন কৰিছে।'

শৰীৰৰ উত্তাপ ভালকৈ লক্ষ্য কৰি তাইৰ মৃত্যু আশঙ্কা দূৰভিত কৰাৰ প্ৰচেষ্টাত উপ-গুপ্তৰ কণ্ঠত বাণী-কুসুম মুকলিত হ'ল,— 'অত দিনৰ সাধনাত যদি কিঞ্চিৎ লাভেই নহ'ল এনেকৈ এটা উৎসাহৰ মৃত্যু হব।'

"এনে মৃত্যুযে প্ৰকৃতিৰ কাম্য, দাদা।"

"কাম্য! তেন্তে বাচা বাড়াৰ (Being and becoming) আশা বুকুত বান্ধিলৈ জানো জীৱবোৰ নমৰে?"

"বহুবাৰ মৰে। গহীন ৰাতিৰ বন্তি মুমালে কুৎচিৎ এন্ধাৰত মনবোৰ কিল্‌বিল কৰে কিন্তু দিনৰ বিমল সুষমাত আত্ম-বিস্মৃত হৈ ডুব দিয়া দীপ-শিখা দৃষ্টিৰ সমতলত ধৰা নপৰিলেও সূৰ্য্য আৰু চাকিৰ সংঘৰ্ষত যি প্ৰাপ্তিৰ গান স্পন্দিত হয় সি কাহানিও নমৰে।"

—হিমানী কৈ যায়·······

উপগুপ্তই ইয়াৰ অৰ্থ নুবুজে। বুজিবলৈ চেষ্টাও নকৰে।

বহুদূৰ বাট অবিৰাম ভাৱে খোজ কাঢ়ি কাঢ়ি তেওঁ ভাগৰি পৰিছিল। শৰীৰত কিছু ক্লান্তি অনুভৱ কৰিছিল যদিও কৰ্ত্ত্যবৰ আহ্বানত খোজৰ গতি ক্ৰমে ক্ষিপ্ৰৰ পৰা ক্ষিপ্ৰতৰ হৈ আহিব ধৰিলে উপগুপ্তৰ। গন্তব্য স্থানৰ পৰা তেওঁৰ দূৰত্ব কমি অহা অনুমান কৰি এবাৰ মূৰ দাঙি চাই উচপ খাই উঠিল.— 'চমৎকাৰ।"

"কি— হ'-ল?"— বুকুৰ মাজত লেউ-সেউ দি পৰি থকা অৱস্থাতেই কান্ধত আৰু অলপ মুখখন হেচামাৰি ধৰি কোমল সুৰে সুধিলে হিমানী।···· মাতত সহস্ৰ মৰম·········

"এজন থুলন্তৰ যুৱক আৰু ষোড়শী

মহিলা এজনী !”— কথাৰাৰ কৈ তেওঁ উশাহ সলায় ।

“হুঁ !”— হিমানীৰ গভীৰ নিশ্বাস ।

‘মহিলাই যুৱকক ফুলৰ মালা পিন্ধাই দিয়াত সি কিবা এটা তাইৰ পিনে আগবঢ়াই দিলে । মহিলা গৰাকীয়ে লললে । আকুল ভাৱে ৰোদন কৰি আশ্ৰমৰ পৰা ওলাই যোৱা সৰু বাটটোৰে দৌৰি গ'ল । তাইক বাধা দিবলৈ পাছে পাছে পুৰুষটোৱে চোঁচা লৈছেহে এনেতে তিনি আলিৰ চকটোত ঠাঁহি থকা বুঢ়াক লগ পাই থিয় দিলে । ডিঙিৰ মালাধাৰি কৰবাত কেনেবাকৈ চিঙি ৰ'ল । মহিলাৰ পাছ এৰি সি সেইবাৰ সোঁকালৰ মুকলি পথটোৰে বুঢ়াক অনুসৰণ কৰি বেগাই যোৱাত আচৰিত ভাৱে বুঢ়া ও অন্তৰ্দ্ধান হ'ল ।”— বৰ বেগাই গৈ থকা যাত্ৰীবাহী মটৰখন ঘপ্‌কৈ বৈ যোৱাৰ নিচিনাকৈ উপগুপ্তৰো অনৰ্গল কৈ যোৱা কথা-বোৰ হঠাতে বন্ধ হৈ গ'ল । মঞ্চত অভিনীত [illegible] ক্লাইমেক্স ( climax ) স্বুঁৰি হাঁহা-কাৰ কৰা দৰ্শকৰ দৰে তেওঁৰো তদ্ৰুপ অৱস্থাই হ'ল । তৎকালীন ৰহস্যটিৰ সম্ভেদ নাপাই মনটো চিৎকাৰ কৰি উঠিল ।

হিমানী যেন উপগুপ্তৰ মাজত অতপৰে শান্তিৰেই শুই আহি আছিল । অশৰিৰী আত্মাৰ ইঙ্গিত পূৰ্ণ সাঁথৰে তাইৰ আমেজ ভালকৈয়ে ভাঙি দিলে । উপগুপ্তই দেখা পোৱা ঘটনা ৰাশি তাইৰ বাবে ইবোৰ বহু পুৰণি । বহুত সময় আগৰে পৰা সিহঁতে তাইক লগ দি আহি আছে । বাৰে বাৰে বিদায় দিয়া স্বত্বেও যেন তাইৰ মমতা এৰি যোৱা নাই । হিমানীৰ চকু দুটা বেদনাৰ অশ্ৰুৰে তিতি যায় ...... ।

এইবাৰ শুনিলে উপগুপ্তই তপোবনত কিছুমান প্ৰাণীৰ বিষাদৰ কোলাহল ।

“এনেহেন ব্যাকুল বিননিৰ আঁৰে আঁৰে মঙ্গলময় বিকল্প ইঙ্গিতৰহে সূচনা কৰা যেন লাগে দেখোন । আশ্ৰমত সেয়া কাৰ নিকৰুণ আৰ্ত্তনাদ, ভনী হিমানী ?”

“বননিৰ । সিহঁতে কান্দিছে ।”

বননি কান্দিছে । এৰা, হিমানী সিহঁতৰ মাতৃ স্বৰূপা আছিল মাতৃৰ অনুপস্থিতি সন্তানে এক মুহূৰ্ত্তকালো সহ্য কৰিব নোৱাৰে । এনে স্থলত তাই আজি সিহঁতৰ মাজৰ পৰা চিৰদিনৰ বাবে গুচি যাবলৈ ওলাইছে । কোন সন্তানে বাৰু সহ্য কৰিব পাৰে ,

“সেই যে দেখিলো পুৰুষ আৰু মহিলা ?” —কোনো চিন্তা নকৰাকৈয়ে উপগুপ্তৰ মুখেদি প্ৰশ্নটি আপোনা আপুনি ওলাই আহিল ।

“সাঁথৰ । জীৱনৰ আশা ।”

‘সাঁথৰ ! আশা !! ই আৰু কেনে কথা ?” - তেওঁ ঘূৰাই সোধা স্বত্বেও হিমানী নেমাতিলে । মাতিব নোৱাৰিলে আচলতে ।

যমোপম ফান্দত মেৰখাই পৰি থাকি পুৱতি নিশা ব্যাধৰ আগমণত জীৱনৰ আশা এৰি গহীন অৰণ্যৰ মাজত অকলশৰে এৰি পোৱালী কেইটালৈ স্মৰণ কৰি দুখুনী হৰিণী পহুৰ ভগৱানৰ ওচৰত কৰা সকাতৰ চিঞৰ-বাখৰে নিৰ্জন বনৰো বুকুত কঁপনি তোলাৰ দৰে, হিমানীৰো প্ৰাণ-পখী দেহ-সজাৰ দুৱাৰ দলিত বৈ চকুপানী মচিব ধৰা দেখা পাই মুক্ত আকাশখনেও সহিব নোৱাৰি কান্দি দিলে ।



কিবা এক মৌনতা, কিবা এক নিৰৱতাই ঠাইখণ্ড আবৰি ধৰিলে । সেই মৌন বিৰতি খিনিত যেন উপগুপ্ত অস্থিৰ হৈ পৰিল । তেওঁ আকৌ আৰম্ভ কৰিলে,—“বুঢ়াজনৰ হাঁহি-টোৰ স্পষ্ট ধাৰণা নহ'ল । তেওঁ আৰু কোন ?”

“অট্টহাস্য কৰিছে । তেওঁ মৃত্যু ।’- হিমানীৰ মুখত এই কথাষাৰ কেনেবাকৈ ওলালত উপ-গুপ্তৰ চিন্তাৰ আঁতডাল থিতাতে চিঙি গ'ল— ।

ইফালে হিমানীৰ শৰীৰ শিথিল । কেহ-ৰাজ যেন হৈছে । তাইৰ চেঁচা অবয়বটো অলপ নামিও আহিল । উপগুপ্তই জানো বুজি পালে হিমানী এতিয়া ক'ত ?

... .... .... হিমানী ভূমাৰ সৌন্দৰ্য্যৰ ফাঁকে ফাঁকে .... .... হিমানী অস্ত আকাশৰ অংশুমালীৰ কিৰণজালে .. .. ....

খুউব সাৱধানে, সন্তৰ্পণে প্ৰাণ শূন্য কলেৱৰটো দুবৰি বনৰ দলিছাত খৰ্ ধৰ্‌কৈ শুৱাই দিলে উপগুপ্তই । তেওঁৰ হৃদয়াকাশ বেজাৰৰ কুঁৱলিয়ে ঢাকি পেলালে যদিও কান্দিব পাহৰি গ'ল । হিমানীৰ মৃত দেহটোৰ ফালে অনি-মেশ নেত্ৰে চাই ৰ'ল ।

ঠিক তেনে অৱস্থাতে মৃতকৰ বুকুৰ পৰা বেদনাসিক্ত মলিন মুখেৰে এজনী আধুনিকা ললনা চকা-মকাকৈ ওলাই আহি উপগুপ্তৰ চকুৰ আগত খপ্‌কৈ কিবা এখন তুলি ধৰিলে—

মৰমী আশালতা,

বিদায়বেলাৰ এই হাতে-খড়ীত ‘মৰম’ শব্দটো বৰ নিৰ্মম ভাবে বহুৱাই দিলো । তুমি চাগে কান্দিয়েই দিবা ! মই আজি লক্ষ্যহাৰা কক্ষ্যচ্যুত পপীয়া তৰা । অসীম শূন্যেৰে তীব্ৰবেগে যামগৈ । বুকুৰ জ্বলন্ত অনলত ব্ৰহ্মাণ্ডও পুৰি যাব পাৰে ।

তুমি ধ্ৰুৱ তৰা । স্বভাৱ চঞ্চলা । তথাপিও তুমি স্থিৰ । ভাঙি নপৰা । আউল লাগি যাব । ইতি— বিদায়—

তোমাৰ ‘জীৱন’ ।

ই কি ? কাৰ হাতৰ কাপ-তুলিকাৰ এই নিখুত চিনাকী ? বৰ কোবাল সোঁতেৰে স্মৃতিৰ গঙ্গা-যমুনাৰ দ্বাৰা মুকলি হৈ গ'ল । খৰ্‌খৰকৈ পঢ়ি অতোৱা ডাক-পখিলীৰ পৰি-শেষৰ “জীৱন” নামে হৃৎপিণ্ডত এটা খুন্দা মাৰিলত হিমানীৰ শ টোৰ ওপৰত উবুৰি খাই পৰিল উপগুপ্ত । বুকুখন অসহনীয় ভাৱে বিষাই উঠিল,— সাধু উপগুপ্তৰ বুকু—জীৱন মাষ্টৰৰ একেখন বুকু ।

উপগুপ্তই দেখা পালে এন্ধাৰ আৰু পোহৰৰ এখন তুমুল সংগ্ৰাম আচৰিত ধৰণে আৰম্ভ হৈ গ'ল । ৰক্ষা নাই । ডাঠ এন্ধাৰ - ব্যৰ্থতাৰ স্বাক্ষৰ-লেখা পোহৰ বিনাশ কৰি যাব এফালৰ পৰা । ভয়তে তেওঁৰ ভিতৰৰ মানুহটোৰো পেটতে হাত-ভৰি লুকাল । নিৰুপায় – অভিশপ্তা এজাক পোহৰ !

---

ধ্ৰুৱনীধ্ৰুৱ কলিতা
২য় বাৰ্ষিক

# জীৱন

ফনীধৰ ডেকা
২য় বাৰ্ষিক

ভুমিষ্ঠ হৈছিলো এটি দীঘলীয়া কান্দোনেৰে
হয়তো হঠাতে সমুখত এজাক পোহৰ দেখি,
নহয়— এই ধৰা ধামত জীৱনৰ
খেল খেলিব লাগিব বুলি ।
হে প্ৰভু ! তোমাৰ বুকুৰ উমৰ পৰা
আতঁৰাই দিলা কিয় মোক ?
আলফুলকৈ তুলি ললে মাতৃয়ে
কোলাত এবুকু মৰমেৰে—
অনন্ত আশাৰে—
আইতাই আকি দিলে চুমা
লৱণু কোমল মুখেৰে বাগৰি পৰিল
হাঁহিৰ ঢল এৰা সচাকৈয়ে
হাঁহিছিলো ।
কিন্তু নাজানিলে কোনেও এই হাঁহি
হাঁহিৰে বুৰালো সবাকে—
মায়া সাগৰত আৰু নিজেও
গলো বুৰ ।
জীৱন নৌকা ওপঙি থাকিল
থৰক-বৰককৈ দিলো খোজ
পৰিলো. কান্দিলো, উঠিলো
আকৌ হাঁহিলো— এৰা
জীৱন সংগ্ৰাম চলব লাগিব এইদৰে ।
আজি দেও দি দি আহিলে
বসন্ত কাল—
কৰি জাতিষ্কাৰ বন উপবন
যেনি চাওঁ তেনি কেৱল ফুল.
নানা বৰণীয়া শুধ ফুল,—
কিন্তু ভয় লাগে জানোচা
এই যৌবন বসন্তও
গুচি যায়
ডিঙা মেলি দূৰ সুদূৰলৈ ।



কবি সকলে নিজৰ জীৱনৰ আৰু সমাজৰ সুখ দুখৰ অভিজ্ঞতাক নিজৰ লিখনিৰ মাজত এৰি দিয়ে; আৰু তেতিয়াই সমাজে তেখেত সকলৰ লিখনিৰ ভাৱ অনুভূতিৰ সমলক নিজা নিজা বিবেক বুদ্ধিৰে কবিৰ ভাৱ অনুসাৰে আশাবাদী, নিৰাশাবাদী পলায়নবাদী আৰু ৰহস্যবাদী আদি আখ্যাৰে আখ্যায়িত কৰে ।

আমাৰ আলোচনাৰ বিষয়টো হ'ল নিৰাশাবাদ । নিৰাশাবাদক ইংৰাজীত Pessimism বোলা হয় । নিৰাশাবাদৰ সুৰ প্ৰয়োগ সম্পৰ্কে অহন বেলাগে ইংৰাজী সাহিত্যৰ সমলোচক সকলৰ মাজত আলোচনাৰ বিষয় বস্তু হৈ আছে যদিও সন্তোষজনক উত্তৰ কোনেও দিব পৰা নাই । ইংৰাজ কবি কীট্‌চ্‌ক নিৰাশাবাদী কবি বুলি কব খোজে ।

বনফুলৰ কবি ৺যতীন্দ্ৰ নাথ দুৱৰা আছিল অসমীয়া ৰোমাণ্টিক যুগৰ শিৰফুটা কবি । অসমীয়া কাব্যজগতত পুৰণি "ক্লাচিকেল" সোঁতক ভেটা দি পাশ্চাত্যৰ ৰোমাণ্টিচিজিমৰ সোঁতটো বৈ অনাৰ কাৰণে যি সকলে অশেষ চেষ্টা কৰিছিল সেই সকলৰ অন্যতম ৺যতীন্দ্ৰ নাথ দুৱৰা । মানব, প্ৰকৃতি, আকাশ, পাতাল, চন্দ্ৰ, সূৰ্য্য আকাশৰ তৰালিয়ে যি সকলৰ কবিতাৰ উৎস সেই সকলে ৰোমাণ্টিক কবি ।

৺যতীন্দ্ৰনাথ দুৱৰাৰো লিখনিৰ উৎস সেইবোৰেই আছিল । তেখেতৰ কবিতাত আশা-নিৰাশাৰ দুটি সুৰ বাজি উঠা দেখা যায় । কিন্তু বহুতে তেখেতক কেৱাল নিৰাশাবাদী কবি বুলিহে কোৱাৰ প্ৰয়াস কৰে ।

তেখেতৰ কবিতাত নিৰাশাবাদৰ সুৰ ক'ত ক'ত বাজি উঠে; আৰু দৰাচলতে সি বোৰত নিৰাশাবাদৰ সুৰ আছে নে নাই সেইটো আমাৰ আলোচনাৰ বিষয় । ৺দুৱৰা আছিল প্ৰেমৰ কবি । তেখেতৰ কবিতাৰ আহিলা প্ৰেমৰ আছিল যদিও, সেই প্ৰেম কোনো নাৰীৰূপত সীমাবদ্ধ নহয় । কোনো সুন্দৰীৰ মহান গালত চুমা আকি দিব খোজা প্ৰেম নহয় । সেই প্ৰেম অভেদ্য প্ৰাচীৰৰ সিপাৰৰ । পৰ্ব্বতীয়া জুৰিটিৰ দৰে তেখেতৰ অন্তৰৰ এক গোপন থলিৰ পৰা বৈ অহা চিৰ প্ৰৱাহমান

# দুৱৰাৰ কবিতাত নিৰাশাবাদ

পবিত্ৰ কুমাৰ কলিতা
৩য় বাৰ্ষিক (কলা)

জুৰিৰ সোঁত । কিন্তু সেই চিৰ নবীন চিৰ প্ৰৱাহমান জুৰিৰ সোঁতৰ কল কলনি ধ্বনিহীন । সেইহে ধ্বনিহীন জুৰিৰ মন সদায় মন্থৰ । নিজে এবুকু ব্যৰ্থতা সাঁচি ৰাখি কেতিয়াবা দুখ আৰু কেতিয়াবা আনন্দত আপ্লুত হৈ তাক আজুৰি দিছে । মৰম আলসুৱা কবিজনৰ কবিতাত আটাইতকৈ প্ৰাধান্য লাভ কৰিছে বিষাদে । কোনোবাই এবাৰি মৰমৰ মাত মাতিলে কবিয়ে মনৰ শোক দুখ পাহৰি আনন্দত অধীৰ হৈ পৰে । তাতে যেন জীৱনৰ



mag-150

সাৰ্থকতা নিহিত হৈ আছে।

"গছৰ ডালত বহি এহালি চৰাইয়ে
ঠোঁটত ঠোঁটটি লগালে
সেইদিনা জগতৰ নিজান চুকত
মৰমৰ বান্তৰি বিলালে।

সেইদৰে কবি স্বৰ্গীয় আনন্দত আপ্লুত হৈ থাকোতে বিষাদৰ এচপৰা মেঘ আহি দেখা দিয়ে। তেতিয়া কবিৰ ভাব হয় এই সকলোবোৰ ভুৱা মাত্ৰ। ভুৱাবে তেখেতৰ অন্তৰ জয় কৰিব নোৱাৰি কবিৰ লগৰী যেতিয়া পলাই ফাট মাৰে তেতিয়া তেখেতৰ এইবোৰ সপোন সপোন লাগে। সপোনৰ শেষত কবিয়ে দেখিবলৈ পায় মৰীচিকাময় ধূসৰ পৃথিৱী। কবিয়ে নিজকে বিজায় কোনো অনাদৃত বনৰীয়া ফুলৰ লগত।

**কোনোৱে দূৰতে চায় কোনোৱেবা চুই যায়**
**চেঙেহ কণিকা বুলি** কৰো তাকে ভুল।
সপোন আতৰি গলে দিঠকে জনাই দিয়ে
বাটৰ কাষৰ মই বননিৰ ফুল।
("বনফুল")

ৰোমাণ্টিক কবি ৺দুৰৰাই আকাশত এটি ৰাজহাঁহে তাৰ লগৰীৰ লগ লবলৈ বুলি উৰি যাওঁতে কবিয়ে লগৰীৰ প্ৰয়োজন বোধ কৰি নিজৰ নিঃসঙ্গতা প্ৰকাশ কৰিছে।

"তোমাৰ দৰেই পখী সুৰৰ লগত
ঢালি দিব খোজো মন প্ৰাণ,
সাগৰ বুকুত উঠা মহাসঙ্গীতত
জীৱনৰ হব অৱসান।"
(এটি উৰিযোৱা ৰাজহাঁহলৈ)

কবিয়ে জীৱনত অশেষ বিষাদ ক্লান্তি কঢ়িয়াই কঢ়িয়াই একেবাৰে ভাগৰুৱা হৈ পৰিছে। তেওঁৰ জই পৰি যোৱা হৃদয়ে কবিক তেওঁৰ প্ৰেয়সী বা আপোন জনৰ পৰা বহু দূৰলৈ কাঢ়ি নিব বিচাৰিছে! তেখেতে এই পথ পৰিহাৰ কৰিব। কবিয়ে বিদায় বেলাত ইয়াকো কৈছে যে তেখেতে হেনো এই ঠাইলৈ প্ৰত্যাৱৰ্ত্তন নকৰে। অকলে অকলে এন্ধাৰৰ মাজত তেওঁ সপোন দেখি শূণ্যতে ছবি আঁকি জীৱন নিপাত কৰিব তথাপি এই আলো-ছায়াই আৰু মানৱ সংস্পৰ্শলৈ নাহে।

"মেলানি মাগিলোঁ আজিলৈ
নাহো নাহো আৰু কাষলৈ,
আন্ধাৰ পুৰীত থাকি, আন্ধাৰ সপোন দেখি
আন্ধাৰৰ ছবি আঁকি লই
উৰি উৰি যাওঁ দূৰলৈ
নাহো নাহো আৰু কাষলৈ
(আমি) মেলানি মাগিলো আজিলৈ।"

এইখিনিতে এটা প্ৰশ্ন হয় নিজানত বহি আপোনমনে কেৱল বিষাদৰ সুৰকে যে বিঞ্চিয়াই আছে, তেখেত নিৰাশাবাদী নেকি? বহু সমালোচক তথা পাঠকে কয় কবি সচাকৈয়ে নিৰাশাবাদী। কোৱা বাহুল্য যে এই শ্ৰেণীৰ পাঠক, সমালোচকৰ মতামত হঠাতে মুই কৰিব নোৱাৰি। এই সংসাৰত থাকি কবিয়ে অশেষ কষ্টভোগ কৰি নিৰাশাৰ ভাৱ এটাই প্ৰকট ৰূপ ধাৰণ কৰিছে। ৺যতীন্দ্ৰ নাথ দুৱৰাৰ দৰে বিহগী কবি ৺ৰঘুনাথ চৌধুৰী



দেৰেও "অন্তিম জ্যোতি"ত তেনেকুৱা এটা ভাৱকে ফুটাই তুলিছে।

"উদ্দাম বাসনা লই স্বৰ্ণ মৃগ খেদি
সংসাৰত ভ্ৰমিলো কিমান,
দুৰ্জ্জয় লালসা তেওঁ নুগুছিল মোৰ
ব্যৰ্থ হ'ল লক্ষ্যভেদী বান"—

আনহাতে ৺দুৰৰাইও তাকেই কৈছে—

দূৰৰ মন্দিৰ যিটো অতি আচৰিত
সিয়েয়ো মাথো মায়া মৰীচিকা
নাই তাত দেৱতাৰ পূজা আয়োজন
মিছাতে দেখিছা জিলিকা।"
(এইবাটে নাহিবা ডুনাই)

জীৱনত আহি পৰা ব্যৰ্থতাত জুৰুলা কবিয়ে নিজৰ ভৱিষ্যত জীৱনটোৰ ওপৰত বিশ্বাস হেৰুৱাই পেলাইছে। বেদনাৰে ভৰা এই পৃথিৱীত যেন কবিয়ে সকলোবোৰ মৃগ তৃষ্ণাহে দেখিবলৈ পাইছে। বেদনাত আতুৰ হৈ কবিয়ে অব্যক্ত ভাৱকে ওপৰৰ কবিতাত প্ৰকাশ কৰিছে।

কবি দুৰৰাৰ কেতিয়াবা হয়তো বেলিৰ হেঙুলি পৰত ভাটি মুখে বৈ যোৱা গীতৰ লহৰ কাণত পৰিলে তেখেতৰ চকু থৰ হৈ যায়। কিন্তু পলকতে দৃষ্টি ঘুৰাই আনি এইবোৰ মিছা, ইয়াত ভোল গৈ থাকিলে নহব। নাও, নাৱৰীয়া বা গীতৰ লহৰ কোনোটোৱে আপোন নহয়। মাথো প্ৰহেলিকাময়।

"নামানিবা পুৱাৰ সপোন
কুলু কুলু গীত গাই নৈখনি বইযাই
কোনো কাৰো নহয় আপোন
মিছা মোৰ মায়াৰ সপোন।"
(শেহৰ বীণ)

প্ৰকাশ কৰিব নোৱাৰা বেদনাৰাশিক বুকুত লৈ জীৱন কটোৱা দুৰৰা দেৱক সঁচাকৈয়ে নিৰাশাবাদী যেন লাগে। সংসাৰৰ মায়াজালে কেতিয়াবা আৱৰি ৰাখিব খুজিলে তেখেতে সেই মায়াজালৰ আঁত চিঙি বাহিৰলৈ গুচি আহিব খোজে। কবিৰ প্ৰেয়সীয়ে তেখেতক কোনো প্ৰকাৰৰ আশাৰে বান্ধি ৰাখিব নোৱাৰে। কাৰণ তেখেতে ভালদৰে জানে প্ৰেয়সীৰ মৰমে দুখৰ ওপৰি দুখহে দিব। কিয়নো—

"কেনেকৈ মোক ৰখাব কোৱাছোঁ
চেনেহ জৰীৰে ধৰি
গোটেই জীৱন উটিছো বুৰিছো
সোঁতৰ মুখত পৰি।"
(তোমালৈ)

এই প্ৰসঙ্গতে ৺ৰঘুনাথ চৌধুৰী দেৱলৈ আমাৰ মনত পৰে। দুৰৰাৰ দৰে তেখেতেও প্ৰেয়সী ৰূপী ডাকিনীৰ পৰা কেৱল দুখহে পাই আহিছে- সুখ হেনো কাহানিও নেপালে। বিৰহ বিচ্ছেদত তেখেতেও জীৱনত অশেষ নিৰ্য্যাতন ভোগ কৰিছে। তাকে কৰুণ সুৰত গাইছে—

"হিয়া ভৰা বিষাদৰ তিতি অশ্ৰুজলে
পাহৰিছোঁ সংসাৰ মৰম,
ভাৰাক্ৰান্ত চিত্ত আজি উদ্বেলিত কৰি
কিবা সুখ পালা প্ৰিয়তম।
(ফুল শয্যা)

কবি দুৰ্বাই নিজে দুখৰ বোজা বুকুৰ বোকোচাত লৈও সেই পথ-লৰ বুলি মুক্ত কণ্ঠে চিঞৰিছে—

"জীৱনত মোৰ
উটি গ'ল সুৰসুৰ লয়
আঁতৰি থাকিবা
নহলে পৰিব জঁই।
নিৰাশাত মোৰ
নিৰাশা বতাহ বয়।"
(মেলানিৰ দান)

এইখিনি লৈকে আমি ৺যতীন্দ্ৰ নাথ দুৱৰা দেৱক নিৰাশাবাদী বুলি নিঃসন্দেহে কব পাৰো। কিন্তু দুই এটা কবিতাৰ পৰাই আমি মানুহজনক নিৰাশাবাদী বা পলায়ণ বাদী আখ্যা দিব নোৱাৰো। এই সংক্ৰান্তত নিৰাশাবাদৰ সঙ্গীৰো প্ৰয়োজন। দৰাচলতে নিৰাশাবাদৰ লিখনি হব লাগিব ব্যক্তিগত জীৱনৰ ওপৰত তিক্ততা, বিশ্বাস-হীনতা আৰু ব্যৰ্থতাৰ ওপৰত প্ৰতিষ্ঠিত আৰু তাৰ লগত সাঁতাৰ খাই থাকিব লাগিব। মনুষ্য জীৱনৰ দুখ পূৰ্ণতা মানৱ চৰিত্ৰৰ স্বাভাৱিক পতনশীলতা অথবা মানৱাত্মাৰ ভবিষ্যত সম্বন্ধে আশঙ্কা"
(তীৰ্থ নাথ শৰ্ম্মা)

কিন্তু দুৱৰাৰ কবিতাত জানো এনেকুৱা ভাৱ পৰিলক্ষিত হৈছে? তেওঁৰ নিজৰ ওপৰত আৰু এই বিশ্ব ব্ৰহ্মাণ্ডৰ ওপৰত জানো একেবাৰে বীতশ্ৰদ্ধ হৈ পৰিছে? এই সংসাৰত থাকি কবিয়ে জানো নিজৰ আৰু অ নৰ মুঠেও সুখ ভোগ দেখা নাই? দেখিছে। সংসাৰত দুখৰ মাজতো সুখ দেখা পোৱা যায়। নিজৰ জীৱনত কবিয়ে যদিও সুখৰ সমল বিচাৰি নাপালে তথাপি আনৰ দুখ হলে তেখেতৰ চকুত নপৰিল। এই ধৰাখনি অতি-সুন্দৰ মাথো তাক অন্তৰদৃষ্টিৰে দেখিব লাগে—

"মুকলি চকুৰে চোৱা সুন্দৰ জগত
মেলি দিয়া অন্তৰ দাপোণ
দেখা পাবা মৰণৰ আন্ধাৰ পাৰত
জীৱনৰ মধুৰ সপোন।"

এই সুন্দৰ পৃথিৱীত কবিয়ে আনৰ দাম্পত্য সুখ দেখিলেও নিজে তাৰ পৰা বঞ্চিত, সেইহে কবি অকলশৰীয়া। নিঃসঙ্গ জীৱন কবিৰ কাৰণে অসহনীয়। কবিৰ অকপট ভাল পোৱা সমভাগী হবলৈ যেন কাৰো আগ্ৰহ নাই।

"অকলই ওমলোঁ জামলোঁ।
অকলই পাতিছো সংসাৰ।
অকলই শূণ্য মন্দিৰত
যাচো মই হৃদয় সম্ভাৰ
নিজা বুলি নাই এচমকা ঠাই
জগতত মই অকলশৰীয়া।"
(এটি উৰি যোৱা ৰাজহাঁহলৈ)

কবিৰ চিৰন্তন বিষাদৰ সুৰ ইয়াত ধ্বনিত হৈছে কবিৰ চেনেহৰ জন নাই। গতিকে চেনেহৰে বিদায় দিয়া জনো নাই। কবিৰ জীৱনৰ সত্য বস্তু মাথো চকুলোঁ। ই চিৰন্তন আন সকলো মৰম, চেনেহ, ক্ষন্তেকীয়া সুখ, শান্তি সকলোতে বিৰাজমান। কিন্তু তাক লাভ কৰা টান কাৰণ তাৰ বাস্তৱতা নাই। দুৱৰাৰ সুৰ কবি Coleridge ত পোৱা যায়।

"Water water every where water
But not a drop we drink."

নিঃসঙ্গ কবিয়ে তেখেতৰ কবিতাত কবিৰ জীৱনৰ কাহিনীকে সম্বলিত কৰিছে। সমালোচক মেকেলৰ ভাষাত—

"He was himself the begining
The middle and the end of all this
Own poetry the hero of every tale,
The chief object in every land
scape."

অকলশৰীয়া জীৱনত বিষাদৰ জোৱাৰ থাকিলেও তাৰ মাজতে কবিয়ে— আশাৰ জিলিকনি নেদেখা নহয়।

"মোৰ চিৰ জনমৰ চিৰ চেনেহৰ
যত অপূৰণ আশা
হয়তো কাৰোবাৰ মধু পৰশত
পাব কেতিয়াবা ভাষা।"

দেখা যায় ৺দুৱৰা নিৰাশাবাদী নহয় আশাবাদী নিৰলাত বহি কবিয়ে জীৱনৰ দুই এটা শোক বা বিষাদৰ ভাৱ ফুটাই তুলিলেও তেখেত আশাবাদী। বিখ্যাত নাট্যকাৰ বাৰ্ণাৰ্ডশ্বক বহুত সমালোচকে সমালোচনা কৰিছিল নাটকৰ পৰা "চেন্টিমেণ্টেলিজম" বাদ দিয়া কাৰণে— কিয়নো দুখ, বেদনা, নোহোৱাকৈ জীৱন হব নোৱাৰে। ৺দুৱৰাদেৱেও তাকে কৰিছে। গতিকে ই নিৰাশাবাদ নহয় আশাবাদ হে। অৱশ্যে কোনোবাই কব পাৰে তেখেত সকল আশাবাদী নহয়। কিন্তু ৺দুৱৰা দেৱ বিহগী কবি ৺ৰঘুনাথ চৌধুৰীৰ দৰে—

"নালাগে সংসাৰৰ সুখ নাচাও মানুহৰ মুখ
জীৱনত পালো বহু বেজাৰ আমনি
ধুন-পেচ বিলাসিতা সকলো লাগিছে তিতা
আজুৰি পেলালো মায়া মোহৰ বান্ধোন।"
[বৈৰাগ্যৰ কথা]

এই বুলি সংসাৰ ত্যাগিব খোজা নাই। তেওঁৰ কবিতাত আশা আৰু নিৰাশাৰ মাজেদি আশাবাদে প্ৰকট ভাৱে ফুটি উঠিছে। ৺দুৱৰা নিৰাশাবাদী নহয়— আশাবাদী হে। ৺বিৰিঞ্চি কুমাৰ বৰুৱাৰ ভাষাত—

"দুৱৰাৰ কবিতা জীৱন মৰণ সীমা পাৰ হৈ যাবলৈ উদ্যোগ কৰা যাত্ৰীৰ ছবিও আশাবাদী জীৱনৰ চলন্ত ইতিহাস।"

# ছন্দ পতন

ৰাতিপুৰাৰ এটা নীৰৱ আৰু সেৰেঙা পৰিবেশত মই মোৰ কোঠাত বহি খিড়িকিৰে চাই আছো বাহিৰৰ পৃথিৱীখনলৈ; মেঘাবৃত আকাশখনলৈ। চকুত পৰিছিল কান্দি থকা আকাশৰ ওৰণীৰ ভিতৰত ওন্দোলাই থকা মুখখন আৰু সিক্ত পৃথিৱীৰ বস্তুবোৰ। সিটো কোঠাত থকা তৰুণে কিজানি খুব মনোযোগেৰে কিবা লিখিছে। তাৰ চাগে কামেই হৈছে। সময়বোৰৰ মূল্য ৰাখিছে। কিন্তু মোৰ? একো হৈ উঠা নাই। মোৰ সমুখত মেজ, মেজত কাগজ আৰু হাতত কলম। চকু কিন্তু বাহিৰত। মনত ভাব কি লিখিম। লিখিব লাগিব এটা গল্প। কিন্তু গল্পৰ প্লট মই বিচাৰি পোৱা নাই। তাৰ সন্ধানত মই ভাবত বিভোৰ।

যোৱা কালি এখন চিঠি পাইছিলো। আহিছিল ৰঙিয়াৰ পৰা, লিখিছিল পাৰুলে। পাৰুলে মোৰ পৰা এটা গল্প খুজি পঠাইছে। তাই বোলে স্কুলৰ আলোচনীত এটা গল্প দিব। মানে এজনী বান্ধৱীৰ লগত পাৰুলে জেদ মাৰিছে। কাৰ গল্পই আলোচনীৰ পাতত ঠাই পায়। লগতে পাঠক পাঠিকাৰ পৰা ভূয়সী প্ৰশংসা পায়। সেয়েহে তাই খুজি পঠোৱা গল্পটো। লিখিবলৈ আজি মই বিচনাৰ পৰা উঠিয়েই অতি মনোযোগেৰে অতি ব্যস্ততাৰে গল্পৰ প্লট ভাবিছো, বিচাৰিছো। গল্পৰ প্লট বিচাৰি মোৰ মন পখী উৰি ফুৰিছে নগৰ, চহৰ, গাওঁ-ভূই, নৈ-বিল, জান-জুৰি, বন-উপবন আৰু মাজে মজে মানুহ গৰু, ডেকা-গাভৰুৰ পাছে পাছে মানুহৰ প্ৰেম-প্ৰীতিৰ পম খেদি। অনেক কাহিনী, ঘটনা, সাধু কথাৰ খণ্ড খণ্ড ছবি আহি মোৰ মানস পটত ধৰা দিয়ে। কিন্তু ক্ষন্তেকতে আঁতৰি পলাই যায়। এনেদৰেই কোনো গল্পৰ প্লটেই মানস পটত ধৰা নিদিয়ে। সেয়ে চকু দুটা বহলকৈ মেলি দি বাহিৰৰ বৰষুণৰ পিনে চাই বহি আছো।

অৱশেষত গল্পৰ প্লটৰ বিনিময়ত মোৰ মানস চকুত ভাহি উঠে পাৰুলৰ সুন্দৰ শুৱনী হাঁহি মধুৰ মুখৰ ছবিখন। লগতে মনত জাগে স্মৃতি— পুৰণি স্মৃতি।

পাৰুলৰ ঘৰ ৰঙিয়াত। কিন্তু তাত সিহঁতৰ স্থায়ী ঘৰ নহয়। দেউতাকে তাত চাকৰি কৰে বাবে তাতে অলপ মাটি লৈ ঘৰ বান্ধি নিগাজীকৈ বাস কৰিছে পৰিয়াল বৰ্গক লৈ। পাৰুলৰ লগত মোৰ চিনাকি হয় মাহীদেউ হঁতৰ ঘৰত। মাহীদেউৰ একমাত্ৰ সন্তান মাধৱ মোৰ খুলশালী। আমাৰ মিতিৰ কুটুম্ব ভিতৰত মাহীদেউৰ ঘৰখনকে কিয় জানো বেচি ভাল লাগে। বিধবা মাহীজনীক মোৰ নিজৰ মাৰ দৰে লাগে। কাৰণ মোৰ জন্মধাত্ৰীয়ে মোক সাত মাহতে নিঠৰুৱা কৰি থৈ যায় এই ধৰণীৰ বুকুত। সেয়েহে তেওঁ মোক নিজৰ সন্তানৰ দৰে মৰম কৰে, চেনেহ কৰে, শাসন কৰে। মাধৱ দাদাইও ভাল পায় মোক নিজৰ সৰু ভাইৰ দৰে। লগতে বন্ধুৰ দৰে হাঁহি ধেমালি কৰে মোৰ লগত। সেইদৰে দেবীয়েও (পাৰুলৰ বায়েক) আপোন দেওৰ বুলি ভাবি মোক আদৰ সাদৰ কৰে। সেই কাৰণেই সেইখন ঘৰলৈ মোৰ আগ্ৰহ বেছি। আৰু সেই বাবেই সেই ঘৰলৈ মোৰ অহা যোৱাটোও চলে বেছিকৈ। সময় পালেই এপাক মাৰোগৈ। মাজত দুই তিনি দিনমান নগলেই বহুদিন নোযোৱা যেন পাওঁ। মাহী হঁতেও ইমান দিন কিয় অহা নাই বুলি আপত্তি কৰে।

মাহীদেউহঁতৰ ঘৰলৈ অহা যোৱা কৰাৰ কাৰণে পাৰুলক মই কেবাদিনো লগ পাওঁ। মোৰ দৰেই তাইও তালৈ গোপনে বায়েকৰ ঘৰলৈ ঘনকৈ যায়। কেতিয়াবা কেতিয়াবা আমি মানে পাৰুল আৰু মই একে সময়তে সেই ঘৰত উঠোগৈ। এদিন দুদিন একেলগে তিনিদিন তাত পাৰুলক লগ পোৱাৰ পিচৰ পৰা মোৰ ওচৰত তাইৰ মনৰ পৰা প্ৰথম চিনাকিৰ স্বাভাৱিক লাজ সঙ্কোচখিনি আঁতৰি যায়। মোৰ ওচৰত তাই সহজ হৈ পৰে। সহজ ভাবে তাই মোৰ লগত কথা বতৰা পাতে। হাঁহি ধেমালি কৰে। এনেকৈ সিফালৰ পৰা সহাঁৰি পাই তাইৰ লগত দুটা এটা কথা, অলপ ঠাট্টা মস্কৰা কৰিবলৈ ছল পাওঁ। ঠাট্টা কৰিলে তাই হাঁহে মুখ টিপি। এনেকৈ হাঁহিলে তাইক দেখিবলৈ বৰ ধুনীয়া দেখি। দেখি বৰ ভাল লাগি যায়। খুউব মৰম কৰিবৰ ইচ্ছা হয়। তাইৰ প্ৰতি মই অজানিতে আকৃষ্ট হৈ পৰো। তাইও মোৰ সান্নিধ্য পাবলৈ মোৰ ওচৰলৈ আহে লাহে লাহে। সাহিত্যিকৰ ভাষাত কবলৈ গলে পাৰুল আৰু মোৰ মন পথাৰত ভাল পোৱাৰ কঠিয়া গজে। মৰমৰ ফুলনিত মৰম স্নেহবোৰ ফুলিবলৈ আৰম্ভ কৰে। পৃথিৱীখনলৈ নতুন ৰং নামি আহে। সেই নতুন ৰংবোৰ মই দেখিবলৈ পাওঁ ধৰাৰ বুকুত। পৃথিৱীৰ চাৰিওফালে মই দেখিলো বসন্তৰ বোল; বসন্তৰ মাদকতা।

এদিনৰ কথা। হঠাতে সিদিনা মই মাহীদেউৰ ঘৰত উঠো গৈ। সময়টো আছিল দুপৰীয়া। মাধৱ দাদা ঘৰত নাছিল। তেওঁ নিশ্চয় স্কুললৈ গৈছে। স্থানীয় স্কুলৰ শিক্ষক তেওঁ। গৈয়ে বৌজনীকো দেখা পোৱা নাই। তেওঁ কিজানি ঘৰৰ ভিতৰত কামত ব্যস্ত। মাহীদেউৱে মোক বহিব দিয়ে বাৰান্দাতে। মই বহি পৰো এখন চকীত। মাহীয়ে ঘৰৰ আৰু মোৰ কুশল বতৰা সোধে। তেওঁৰ যথাযথ উত্তৰ মই দি যাওঁ। পিচত মোক বহিবলৈ কৈ মাহীয়ে বৰ ঘৰৰ ভিতৰ সোমায়। লগে লগে আন এটি কোঠাৰ পৰা ওলাই আহে এটি নাৰী মূৰ্ত্তি। অলপ মন কৰি চোৱাত এটা কথাত নিশ্চিত হলো যে সেইজনী বৌ নহয়। তেনেহলে কোন? পিচ মুহূৰ্ত্ততে দেখিলো সকলো ৰহস্য ওৰ পেলাই ওলাই আহিছে মোৰ বহু দিনৰ পৰা পৰিচিতা

পাৰুলজনী। মুখত স্বভাৱ সুলভ মিচিকীয়া হাঁহিটো লৈ তাই ওলাই আহিছে। তাইক দেখি মই একৰকম আচৰিত হৈ পৰো। এনেকৈ তাইক লগ পাই যাম বুলি মই ভাবিব পৰাই নাছিলো। কিন্তু তাইক লগ পাই মোৰ ভালই লাগিছিল।

'অ' ভিন্‌দেউ দেখোন?' পাৰুলে পোনতে মাত লগালে। লগে লগে মইও কৈ পেলাওঁ 'অ' খুলশালী যে— কেতিয়া আহিলা?' আৰু কোন আহিছে। "যোৱাকালি আহিছো। লগতে মা আহিছে।" মোৰ নিচেই ওচৰত তাই ঠিয় হৈ কয় লাহেকৈ। "এটা কথা কিন্তু, অহাই প্ৰতি মই তোমাক লগ পাওঁ। মই আহিম বুলি জানিয়েই কিজানি তুমি আগতে উপস্থিত হোৱা। আজিও মই আহিম বুলি গম পায়ে হব পায় কালিতে উপস্থিত হলাহি। কৈয়ে মই হাঁহো। সকৈকে নীৰৱে।

'কথাটো কিন্তু ওলোটাহে হ'ল। প্ৰতিবাৰে মই আপোনাতকৈ আগত আহো। গতিকে মই অহা বুলি গম পায়েই আপুনি ইয়ালৈ ৰাওনা হয়।" তাই কয় হাঁহি মুখে। কথাটোৰ মেৰ পাকত ময়ে দেখা দেখিকৈ বান্ধ খালো। কথাটো অলপ অন্য ফালে নিবৰ কাৰণে মই পাৰুলক সুধিলো— বাৰু পাৰুল এইটো কিয় হয় কব পাৰিবানে? ততালিকে তাই উত্তৰ দিলে— "কিয় আৰু হব চুম্বকত্বৰ কাৰণে। "বুজিলো পাৰুলে কি কব বিচাৰিছে। সেই কাৰণে পাৰুলৰ বক্ৰ প্ৰকাশ মই পোনতে দিলো— "তেনেহলে তুমি তোমাৰ ৰূপ লাৱণ্যৰ জাহিৰ কৰিবলৈ মোৰ লগত এই তৰ্কৰ মেৰপাকৰ সৃষ্টি কৰিছা?" মই অলপ আওঁপাকেৰে কথাটো ঘুৰালো। এইবাৰ পাৰুলে মোৰ চিধা কৰুণ আৰু খোচমাৰা ধৰণৰ কথাত অলপ কষ্টা যেন দেখুৱালে ও তলে ভালেই পালে আৰু কলে— "ইহ মই কিবা তাকেহে কলোনে? মোৰনো কিমান ৰূপ সোপা আছে বা দেখিলে?" কিমান সোপা ৰূপ মই দগা পাল্লাৰে জুখি চোৱা নাই। কিন্তু চকুৰে দেখি মনেৰে ভাবি ইয়াকে কব পাৰো— তোমাৰ পিনে এবাৰ চালে দৃষ্টি ঘূৰাই আনিবলৈ ইচ্ছা নহয়।" কৈয়ে মই হাঁহি দিও। "ইচ নিলাজটো কৰবাৰ।" এইবুলি কৈ তাই মোৰ পৰা আঁতৰি যায়। আৰু যাওঁতে মোৰ ফালে চাই মুখখন ভেঙুচালি কৰি যায়। সেই মুহূৰ্ত্তে হাতত তামোলৰ বটাটো লৈ বৌদেউ ওলাই আহে আৰু মোৰ ওচৰ পায়ে কয়, 'কিঅ' পাৰুল আমাৰ দেওৰ জনক কিয় একেবাৰে নিলাজ বনাই দিলি?' পাৰুলে তেওঁৰ কথাৰ উত্তৰ নিদি গৈয়ে থাকে ধীৰ গতিৰে। 'কি হ'ল দেৱৰ— তাই দেখোন তোমাক একেবাৰে নিলাজ বনাই দি গ'ল?' এইবাৰ মোক সোধে তেওঁ। তেওঁৰ উত্তৰ মই অলপ অন্য ধৰণে দিওঁ। "বুজিছা নবৌ, পাৰুলক মই কলো তোমাক দেখিলেই দেখোন বিয়া কৰাই থবৰ মন যায়। সেই বুলি কোৱাৰ কাৰণেই মই নিলাজ।" "ভিনদেউ, মুখখন বন্ধ কৰক কিন্তু।" পৰ্দাৰ সিফালৰ পৰা পাৰুলে নিৰ্দ্দেশৰ সুৰত কয়। আমি হাঁহো গিৰ্জ্জনি মাৰি।

তাৰ পিচত দহদিন অতীতৰ বুকুত লুপ্ত হয় কোনোৱে কব নোৱাৰাকৈ। এনেতে পিয়ন জনে মোক চিঠিৰ খাম এখন দি যায়। প্ৰথমে ভাবিছিলো চিঠি ঘৰৰ পৰা অহা বুলি নাইবা বন্ধু সকলৰ পৰা অহা বুলি। কিন্তু চিঠিখনৰ ওপৰত দৃষ্টিপাত কৰাৰ লগে লগে মই আচৰিত হৈ যাওঁ। চিঠিখন আহিছিল ৰঙিয়াৰ পৰা। লিখিছে পাৰুলে। তাইৰ চিঠি পাই মই একেবাৰে আচৰিত হৈ যাওঁ। কাৰণ ইয়াৰ আগতে তাই মোলৈ এটা বৰ্ণও লিখা নাছিল। অৱশ্যে চিঠিখন পাই ভালেই লাগিল। তাই বাৰু কি লিখিছে। আন্দাজতে নুবুজি তৎক্ষণাত খামটো খুলি মই খুউব আগ্ৰহেৰে পঢ়ি গলো।

ৰঙিয়া— ২২/৫/৬৬ ইং

পূজনীয় ভিনীহিদেউ;

প্ৰথমে সেৱা আৰু অন্তৰ ভৰা মৰম বোৰ লব বুলি আশা থাকিল। আমি আটায়ে ভগৱানৰ দয়াত ভালে আছো। আশাকৰো আপোনাৰো অন্যথা নহয়। চিঠিখন পাই আচৰিত হব নিশ্চয়। তথাপি লিখিলো! পঢ়ি বেচাৰ জানো। সিদিনা বাইদেউহঁতৰ ঘৰত আপোনাক তৰ্কৰ জালত পেলাই বহু নকৰ লগা কথা কৈছিলো। পিচত মই নিজে দুখ পাইছো। সচাঁকৈয়ে ভিন্‌দেউ সিদিনা ইমান খিনি প্ৰগল্‌ভা মই দেখুৱাব নেলাগিছিল। সেই কৰণে মই আজি অনুতাপ কৰিছো। অমাৰ্জ্জনীয় খিনিৰ কাৰণে ক্ষমা বিচাৰিছোঁ। আপুনি বাৰু মোক ক্ষমা নকৰিব নে ভিনীহিদেউ? এটা কথা; আপুনি সিদিনা কোৱা গোটেইখিনি কথা সঁচানে? মানে সঁচা হোৱাৰ সম্ভৱ নে? আপুনি কি ভাবিছে নেজানো। কিন্তু মই হলে সঁচা বুলিয়েই ধৰি লৈছো। বাস্তৱত পৰিণত হোৱাটোকে কামনা কৰো। বিশেষ লিখি আপোনাৰ বহুমূলীয়া সময়বোৰ নষ্ট নকৰো। সদৌ শেষত আপোনালৈ মোৰ হিয়াভৰা মৰম আৰু শ্ৰদ্ধা থাকিল। আজিলৈ আহো। ইতি—

আপোনাৰ মৰমৰ
পাৰুল কাকতী [ৰঙিয়া]

চিঠিখন এবাৰ দুবাৰ কৈ কেবাবাৰো পঢ়ি চাওঁ। চিঠিখন পঢ়ি মোৰ মনে মনে হাঁহিও উঠে। আৰু লগতে বৰ ভাল লাগে। পাৰুলে বাৰু এইবোৰ কিহৰ ইংগিত দিছে। ছোৱালী মানুহে খুব সৰু কথাকে বৰ গভীৰ ভাবে ধৰি লয়। তাৰোপৰি সেইবোৰ সঁচা হৈ গলেও দেখোন মোৰ একো আপত্তি নাই। বৰং মনে মনে সেইবোৰ বাস্তৱত পৰিণত হোৱাটোকে মইও কামনা কৰো। মোৰ গোটেই গাটো ৰোমাঞ্চিত হৈ উঠে। এইবোৰ ভাবি লগতে আনন্দত মোৰ বুকুখন এহাতমান ওখ হৈ উঠে। চিঠিৰ উত্তৰ মই কেনেকৈ দিম ভাবিবলৈ ধৰো। বহুত সময় ধৰি শেষত এটা উপায় উলিয়ালো। বহুত ভাবি-চিন্তি লিখিলো, খুব চমুকৈ আৰু ইঙ্গিত পূৰ্ণ হিচাবে 'পাৰুল তোমাৰ চিঠিৰ উত্তৰ বুদ্ধিমতী ছোৱালী হিচাবে তুমি নিজেই বুজি লবা।' কিছুদিন পিচত আকৌ চিঠিৰ উত্তৰ আহিল।

'ভিনীহিদেউ, মই বুদ্ধিমন্তী ছোৱালী নহওঁ। কিন্তু মই হলে কথাবোৰ সঁচা বুলি ধৰি লৈছো। আশাকৰো মই অবাটে যোৱা নাই আৰু মোৰ ভুল হোৱা নাই। ধন্যবাদ।' তেনেকৈ আমাৰ চিঠিৰ আদান প্ৰদান হয়। চিঠিৰ পাতে পাতে বৰ্ণে বৰ্ণে দুটি মনৰ কথা। দুটি জীৱনৰ পৰিকল্পনা। ইতিমধ্যে পাকলৰ পৰা আৰু এখন চিঠি পাওঁ। তাত বহুত কথাৰ লগত এইখিনিও আছিল "আপোনাক লৈয়ে মোৰ জীৱন। আপোনাৰ অবিহনে মোৰ চাৰিওফালে অন্ধকাৰ। গতিকে আপুনি ভালদৰে পঢ়ি যাওঁক। ভালকৈ এম, এ টো পাছ কৰি আহক। তাৰ পিচত সকলো ঠিক হৈ যাব।"

চমৎকাৰ কথা। পাকলৰ পৰা মই পাও পঢ়াৰ কাৰণে উৎসাহ, উদ্দীপনা আৰু জীয়াই থকাৰ প্ৰেৰণা। মই দেখো জীৱনৰ নতুন ৰং। ৰঙীণ স্বপ্ন।

দিনবোৰ বাগৰে মন্থৰ গতিৰে। কোনোৱে কব নোৱাৰাকৈ পৃথিবীৰ বয়স বাঢ়ে। পাকল আৰু মোৰ ঘনিষ্ঠতাৰ পুলিটো লহ-পহকৈ ডাঙৰ হৈ আহে অজানিতে।

কেইবাখনো চিঠিত পাকলে মোক নিমন্ত্ৰণ কৰি আছে— তেওঁলোকৰ ঘৰলৈ। তেওঁৰ ঘৰলৈ মই এদিনো যোৱা নাই। এদিন যাব লাগে। ঘৰটো চিনি আহিব লাগে। ইপিনে মোৰো তাইৰ নিমন্ত্ৰণ ৰক্ষা কৰিবলৈ ইচ্ছা নোহোৱা নহয়। কিন্তু বিশেষ অসুবিধাত যোৱাটো হৈ নুঠে। সেয়েহে হঠাতে এদিন গৈ মাধৱ দাদাক লগ ধৰো ৰঙিয়ালৈ যাবৰ কাৰণে।

—অ' বল তেন্তে। ময়ো বহুদিন তালৈ যোৱা নাই। মই নোযোৱা বাবে পাকলে বোলে বহুত খং কৰিছে। তাই বোলে আমাৰ তালৈ আৰু নাহে মই যাবলৈ বাদ দিয়াৰ কাৰণে।" মাধৱ দাদাই কয়। আমি যাবলৈ ওলোৱাত নবৌৱে মোক ঠাট্টা কৰি কয়— "পিচে বোপা তাত আকৌ ৰৈ নেযাবা।" মই কওঁ হাঁহি হাঁহি— "ভয় নাই নবৌ, ইমান সহজে সেইবোৰ নহয়। আমি দুয়ো পাকলহঁতৰ ঘৰলৈ ৰাওনা হওঁ। সেইদিনা ৰঙিয়াৰ বুকুত নৱ প্ৰতিষ্ঠিত কলেজ খনৰ বিল্ডিং নিৰ্ম্মাণৰ আধাৰশিলা স্থাপন কৰে বনগাওঁ ৰিজাৰ্ভত। প্ৰত্যেক ৰঙিয়া বাসীৰ মুখত হাঁহিৰ বিৰিঙণি। সেইদিনা ৰঙিয়াৰ বুকুৰেদি এচাটি নতুন বতাহ বৈ যায়। আমি গৈ ৰঙিয়াৰ বুকুত পদাৰ্পণ কৰিলো। অলপ গৈয়ে পাকলহঁতৰ ঘৰ পালোগৈ। আমাক দেখা পায়ে পাকলে এটা হাঁহিৰে সম্ভাষণ জনায় আৰু কয়— 'অ আই, আজি বা দুয়ো ভাই ককাই ক'ৰ পৰা ওলাল'হি। কিয় জানো আজি আমালৈ মনত পৰিল। "তই বোলে আৰু বহুত খং কৰি আছ হয়নে পাকল?" মাধৱ দাদাই তাইৰ কান্ধত হাত এখন দি কয়। "আমি পাই কাকো খং কৰা নাই। খঙে বা কৰিম কাক। খং কৰিলেই বা হব কি?" তাই ধুনীয়াকৈ অভিমানৰ সুৰত কয়। তই দেখোন বেচ বঢ়িয়াকৈ কথা কব শিকিছ অ' পাকল। দেখিছো তই কথাৰে কাৰোবাক ভুলাবি।"

"আপুনি নিজে ভোল যোৱা নাইতো?' তাই তলৰ ওঁঠতো কামুৰি ধৰি মোলৈ চায় ধুনীয়াকৈ। মোহ লগাকৈ। তাইৰ চকুত চকু থৈ মই হাঁহো অস্পষ্টকৈ। মাধৱ দাদাই কয়— মই নিজে ভোল গলে জানো তই সম্মত হবি! "ইহ, কিহৰ গৰজটো লাগিছে। সংসাৰত কিবা মানুহ নাই নেকি?" সেই বুলি কৈ তাই মোৰ ফালে চাই থাকে এটা ইঙ্গিতপূৰ্ণ হাঁহিৰে। আৰু লগে লগে আমাক বৈঠক খানাত বহিবলৈ কৈ তাই ঘৰৰ ভিতৰলৈ সোমায়। আমি গৈ বহো বৈঠক খানাত। ৰূমটো সৰু হলেও ধুনীয়াকৈ সজোৱা। কোঠাৰ ভিতৰত থকা চকী, মেজ বোৰ পৰি পাটীকৈ সজোৱা হৈছে। মেজৰ ওপৰত মেজ ঢাকনি। বঢ়িয়া ফুলাম। মেজৰ ওপৰত ফুল দানিও আছে। বেৰত কেইখনমান ডাঙৰ ডাঙৰ মানুহৰ ছবি সুশৃঙ্খল ভাবে আৰি থোৱা আছে। মুঠতে সকলো খিনিত মধ্যবিত্ত শ্ৰেণীৰ মানুহ এঘৰত নগৰীয়া সভ্যতাৰ ৰুচিবোধৰ আভাস দিয়ে।

ঘৰত তেতিয়া পাকলৰ দেউতাক নাছিল। তেখেত অফিচত। পাকলৰ মাকে আমাক কুশল বতৰা সোধে। লগতে দুয়ো এগেলগে যোৱাৰ কাৰণে আনন্দ প্ৰকাশ কৰে। তেখেতে মোক উদ্দেশ্য কৰি কয়— "বোপা, পাকলে তোমাৰ কথা কৈ থাকে। তুমি হেনো আমাৰ পিনে নাহা। কিয় নাহা বোপা, আহিব লাগে মাজে সময়ে— সময় পালে। চিনাকী ল'ৰা যেতিয়া। "ইপিনে পাকলে আমাৰ পৰিচৰ্য্যাত লাগে। তামোল চাহৰ পৰ্ব্বৰ পিচত তাই আমাৰ লগত কথা পাতে। লগে লগে কথাৰ মেৰ পাকত ঠাট্টা মস্কৰা আৰম্ভ হয়। জাউৰীয়ে জাউৰীয়ে হাঁহি। মাধৱ দাদাই ঠাট্টা মস্কৰা কৰাৰ লগত ময়ো সহযোগিতা কৰো। সঁচাকৈ খুলখালী ছোৱালীবিলাকৰ লগত কথা পাতা ঠাট্টা মস্কৰা কৰাত আনন্দ আছে। তৃপ্তি আছে। আৰু আছে মাদকতা। আমাৰ হাঁহি ধেমালিৰ মাজত তাইৰ মাকেও কথাৰ প্ৰসঙ্গতে— পাকলৰ বিয়াখন পতাৰ কথাও উলিয়ায়। তাই হেনো ডাঙৰ হ'ল। বিয়াৰ বয়স হ'ল। পাৰিলে বিয়াখন সোনকালে হব লাগে। কথাৰ মাজতে তেখেতে মাধৱ দাদাক কয়— "বোপা, ইতিমধ্যে তাইক চাবলৈ কেইবাজনো আহিছিল। কিন্তু সকলো ফালৰ পৰা সুবিধা নোহোৱাত হে মন কৰা নাই। আৰু বিয়াৰ নাম ললেই দেখো তাই জিকাৰ খাই উঠে। তাই হেনো আৰু পঢ়িব। ৰঙিয়াত কলেজখন হৈছে যেতিয়া। তথাপি তাইৰ কথাকে আমি ধৰি থাকিব নোৱাৰো। ভাল ল'ৰা পালে আমি বিয়াখন পাতিবই লাগিব। আকৌ আজিকালি যিহে দিনকাল হৈছে। বোপা বিচাৰ কৰিবাছোন কৰবাত কিবা সুবিধা হয় নেকি?

তেখেতৰ কথাতে মোৰ মনটো হঠাৎ কঁপি উঠে। মই ভাবো— যদি কেনেবাকৈ আমাৰ এই কল্পনাৰ ফুল কলি অকালতে মৰহি যাব লগা হয়। তেন্তে আমাৰ জীৱনবোৰে কোনোবা ফালে গতি কৰিব। মানুহৰ মুখত শুনিছো মনে খন্দা পুখুৰীত পানী খুব কমেহে থাব পাৰে। জানোবা আমাৰ বেলিকাও তেনে

কিবা এটা হয়। আমাৰ কথাবোৰ যদি নেজানি পাৰুল আন কাৰোবাৰ জীৱন ......। মই আৰু ভাবিব নোৱাৰা হৈ পৰো। মূৰটো আচন্দ্ৰাই কৰে। অন্তৰত কিবা এটা অজান বেদনাই মোক খুন্দিয়াব ধৰিলে। মোৰ মুখৰ বৰণ কিজানি কেহৰাজ পাতৰ দৰে হৈ পৰিছিল। সেই মুহূৰ্ত্তত মোৰ চিঞৰি চিঞৰি কবৰ মন গৈছিল – পাৰুলক ময়ে বিয়া কৰাম। পাৰল মোৰ কাৰণে। আইনৰ হাতত মোৰ সোণক কেতিয়াও অৰ্পণ কৰিব নোৱাৰো। কিন্তু মই কব নোৱাৰিলো। এটা শব্দও উচ্চাৰণ কৰিব নোৱাৰিলোঁ— কিবা এটা অজান শক্তিয়ে যেনিবা মোক ডিঙিত টিপা মাৰি ধৰিলে। মই বোবা হৈ ৰলো। অসহায় দৃষ্টিৰে শেষত মই পাৰুলৰ পিনে পৰ্দাৰ লগত এক হৈ থকা মৌন পাৰুলৰ ফালে চাইছিলো। পাৰুলে হয়তো মোৰ পিনে কিছু আগৰে পৰা চাই আছিল। তাই আত্ম প্ৰত্যয়েৰে চকু আৰু হাতৰ ইঙ্গিতেৰে আশ্বাস আৰু প্ৰতিশ্ৰুতি দিছিল ভয় নাই; অলপ আশ্বস্ত হৈ কোনো মতে সেপ ঢুকি মনতে কলো— তুমিহে জানা মোৰ মোল। মই হলে তেনেই নিসহায়। কেইটিমান নীৰৱ মুহূৰ্ত্তৰ পিচত মাকে আকৌ মুখখন মেলে— "বোপা," "মাৰ মাথোন সেইবোৰেই হৈছে দে" মাকৰ কথাত পাৰুলে বাধা দি কৈ উঠে। "অইনৰ অন্য চিন্তা আম্‌'ৰ মাৰ চিন্তা কেনেকৈনো পাৰুল জনীক চকুৰ আগৰ পৰা আতৰাব পাৰে। কিবা খং উঠিলে আজিয়েই কোনোবা এজনক বৰণ কৰি থম পিচ। মজা পাবা আকৌ।"

কৈয়ে তাই খিলখিলাই হাঁহি উঠে— এজনী সৰু ছোৱালীৰ দৰে পৰ্দাখন মেৰিয়াই লৈ চকু মুখ ঢাকি। তাইৰ কথাৰ তলতীয়া অৰ্থ বুজি মোৰ দুগুণে হাঁহি উঠে। হাঁহিৰ মাজতে মাধৱ দাদাই কয়— "হাঁহিলে নহয় দে পাৰুল। তই গিজ গিজাই উঠিলেও নহব। আমি চকুক সুধি চাউল নবহাও। দিব লগা জনক আমি দি পেলাম। এনেয়ে পৰৰ মানুহ এজনীক পুহি থকাৰ কি দৰ্কাৰ আছে। বিশেষকৈ আজি কালিৰ দিনত। গতিকে আমাৰ কাম আমি কৰি যাম। অ' দেবব্ৰত তয়ো অলপ চাবিছোন এইৰ কাৰণে ল'ৰা এজন। ইপিনে তোৰ বন্ধু বান্ধবো বহুত। গতিকে পাৰিলে ভাল ল'ৰা এজন বিচাৰি দিয়াৰ দায়িত্ব তোৰ ওপৰত থাকিল।" মাধৱ দাদাই মোক কয়। মই কোনোমতে ৰক্ষা পৰো। এটা স্বস্তিৰ নিশ্বাস পেলাওঁ। পৰিস্থিতিটো অলপ সহজ কৰিবলৈ মই অভিনয়ৰ সুৰত কওঁ— ঠিক আছে, তেনেকুৱা অধিকাৰ এটা পালেতো মই বৰ সুখী হম। আৰু মই পাৰুলৰ কাৰণে এনে এজন গুণী মানী ল'ৰা বিচাৰি দিম যাক হয়তো পাৰুলে কিয় সকলোৰে পছন্দ নহৈ নোৱাৰে। মোৰ কথাত দুয়ো হয়ভৰ দিয়ে। পাৰুলৰ মাকে মোক উদ্দেশ্য কৰি কয়— "বোপা তুমিও চাবাছোন তাইৰ কাৰণে ল'ৰা এজন। "মই তেখেতৰ কথাত সন্মতি জনাও। দুপৰীয়া খাই বৈ উঠাৰ পিচত বিচনাত অলপ বাগৰ দি উঠি মুখ-হাত ধোৱাৰ কাৰণে বাথ ৰূমলৈ যাওঁ। তেতিয়া মই আৰু পাৰুল মাথো।

কাৰণ পাৰুলে বাথ ৰূমত মোক পানী যতনাই দিবৰ কাৰণে গৈছে। সেই সুযোগতে মই পাৰুলৰ কাষলৈ গৈ লাহেকৈ সোধো— "তেতিয়াৰ মোৰ কথাখিনি বুজি পাইছানে নাই।"

"কিয় নুবুজিম ভিন্‌দেউ। সম্পূৰ্ণ বুজিছো। আপোনাৰ উপস্থিত বুদ্ধিৰ কাৰণে অশেষ ধন্যবাদ লগতে নমস্কাৰ। তাই তপৰাই উত্তৰ দিয়ে "লগতে এতিয়া এটা চুমা।" মই কওঁ খুব সৰুকৈ। মোৰ কথাত তাই খং উঠা যেন অভিনয় কৰি দেখুৱাই লগতে ধমকিৰ সুৰত কৈ উঠে – "এতিয়া নহয় পিচত দেই।" মই বেচি জোৰ নকৰিলো। কাৰণ মই বুজিছিলো ইচ্ছা কৰা হলে পাৰুলৰ পৰা এটা চুমা কিয় আৰু বহুত কিবা কিবি আদায় কৰিব পাৰিলোহেঁতেন। কিন্তু সেইবোৰ কামলৈ আগবঢ়া এতিয়া আমাৰ উদ্দেশ্য নহয়। আমাৰ উদ্দেশ্য কেনেকৈনো আমি আমাৰ যুগ্ম জীৱনত সুখী হব পাৰো। বহুিয়া খনক মোৰ মৰম লাগে। সেই মৰম অবুজ, অজান পৃথিবীখনতকৈ মোৰ অদ্ভুত মৰম উপজে।

সেইবোৰ মৰম লগা দিন অতীতৰ বুকুত লীন হৈ যায় ধীৰে ধীৰে। আমাৰ মৰম ফুলনিৰ কলিটো ফুলিবলৈ আৰম্ভ কৰে। মৰম চেনেহবোৰ পূৰ্ণতাৰ বাটত আগবাঢ়ে। লগে লগে পাৰুলৰ মৰমবোৰ মৰমৰ কথাবোৰ মোৰ মনত টেপ ৰেকৰ্ড কৰি থওঁ। পাৰুলৰ বাহিৰে মই আৰু মোৰ জীৱনত দ্বিতীয় এজনীৰ কথা ভাবিব নোৱাৰা হওঁ। ...... মোৰ আগত এম, এ পৰীক্ষাটো। এই কেইদিন অকল কিতাপৰ লগতে যুদ্ধ কৰি আছো; তথাপি পাৰুলৰ কথাই তাইৰ হাঁহিভৰা মুখখনিয়ে কেতিয়াবা কেতিয়াবা আন মনা কৰি তোলে। পাৰুলৰ উৎসাহ উদ্দীপনাই মোক পিচ মুহূৰ্ত্তত কৰ্ত্তব্য পথত আগবাঢ়ি যোৱাত সমল যোগায়। কিন্তু পাৰুলৰ গল্প ? পাৰুলে যে লিখিব দিছিল। পৰীক্ষাৰ আগ মুহূৰ্ত্ততেনো কেনেকৈ গল্প লৈ ব্যস্ত থাকো। এফালে মোৰ ভবিষ্যত জীৱনৰ পথেয় আৰু আনফালে পাৰুলৰ অনুৰোধ। আমাৰ জীৱনৰ মধুৰ কল্পনা। দুয়োটাৰ মাজত খণ্ড যুদ্ধ মই মাজত সোমাই পৰিছো। এতিয়া কি কৰো। পৰীক্ষাক প্ৰথম স্থান দিওনে আমাৰ মৰম প্ৰীতিক দিও। এই অন্তদ ন্দত মই কিছু অস্থিৰ হৈ পৰো।

ইতিমধ্যে মোৰ মনত এটা বুদ্ধি খেলিলে। 'মৰম তৃষ্ণা' নাম দি পাৰুল আৰু মোৰ মৰম প্ৰীতিৰ কাহিনীটো চমুকৈ কুলৰ আলোচনীৰ উপযোগীকৈ সজাই পৰাই লিখি পাৰুললৈ পঠাও নেকি ? অলপ চিন্তা কৰি চ'লো, নাই তাই হয়তো সমৰ্থন নকৰিব। ভাল নেপাব নিজৰ কথাবোৰকে গল্প আকাৰে ছপাই তুলিলে। কব— কি দৰ্কাৰ নিজৰ কথাক প্ৰকাশ কৰি আনৰ আগত দাঙি ধৰিবলৈ। মনত পৰিল পাৰুলৰ এটি সাৱধান বাণীলৈ।

'ভিনদেউ মনত ৰাখিব এইবোৰ কথা যেন কোনোৱেও ঘুনাক্ষৰেও গম নেপায়।' সেয়েহে আমাৰ কাহিনীটো লিখাৰ ইতি ৰেখা টানিলো। ভাবিলো গল্পত আনৰ সুখ-দুখ মিলন-বিচ্ছেদ প্ৰেম-বিৰহ আদিৰ বহন সানিহে

লিখা হয়। নিজৰ কাহিনী প্ৰেম-প্ৰীতিৰ আলখ্য অইনৰ আগত দাঙি ধৰিবলৈ বা প্ৰয়োজন কি? তেন্তে?

হঠাতে মোৰ মনৰ পৰ্দাত ভাহি উঠিল আন এটি প্লট। তাকেই মই ৰহন সানি প্ৰাঞ্জল ভাষাৰে লিখি পঠাবলৈ স্থিৰ কৰিলো। মোৰ মনটো উৎফুল্লিত হৈ উঠে এই নতুন প্লট পোৱাত। কিন্তু যি কথা মই লিখিবলৈ ওলাইছো সি গল্পত ৰূপ লব যদিও ঘটনাটো সঁচা। তাৰ বিষয়ে পাকলে মোক কৈছিল। ঘটনা টো ঘটিছিল বৰ্ডিয়া চহৰত। মই লিখিবলৈ আৰম্ভ কৰিলো। ঠিক এনে অৱস্থাতে তৰুণে "অ' দেব,— দেবব্ৰত" বুলি মোৰ কোঠালৈ হুৰমুৰকৈ সোমাই আহিল সিটো কোঠাৰ পৰা। তাৰ চিঞৰত আৰু আগমনত মোৰ হাতৰ কলম বৈ যায়— 'কি অ' তৰুণ? বৰকৈ চিঞৰিছ যে, মই কলো গম্ভীৰ ভাবে। সৰুকৈ। "এহ এটা কথা যে আমি পাহৰি গৈছো মন কৰিছ নে নাই? আজি যে নৰেনৰ ককায়েক প্ৰশান্তদাৰ বিয়া। নৰেনে যে আমাৰ বিয়াৰ আগদিনাই যাবলৈ বৰকৈ অনুৰোধ কৰিছিল। আমি জানো পাহৰি যোৱা নাই? "হো' অ' মাই গড। আই এম চৰী !! ঠিক মনত কৰিছ দে। ছিঃ ইমাননো পাহৰি থাকিব পাওঁনে? তই যদিবা মনত নকৰিলে, আজিও পাহৰিয়েই থাকিলোহেঁতেন। ও, ও এতিয়া ওলা। পঢ়া শুনা বাদ দে। এইমাত্ৰ আমি ৰাওনা হম। কালিতে নগলো নাই, আজিয়ে অলপ আগতে গৈ পালে ভাল হয়। 'ও' বুলি মই তাৰ কথা সমৰ্থন কৰো। লিখা কাম সিমানতে সামৰি থৈ নৰেনৰ ককায়েকৰ বিয়ালৈ যোৱাৰ দিহা কৰো। তৰুণ, মই আৰু নৰেন আমি তিনিও ইয়াত একেলগে থাকো। তিনিও একেখন কলেজত ভৰ্ত্তি হোৱাৰ দিন ধৰি আমাৰ মাজত বন্ধুত্বৰ ভাব উপজে। বৰ্ত্তমান আমাৰ সেই বন্ধুত্বৰ জৰীডাল বেচ টান হৈ পৰিছে। আজি কেইদিনমান আগতে নৰেন ঘৰলৈ গৈছে। কাৰণ তাৰ ককায়েকৰ বিয়া। আৰু বিয়া আজিয়েই। নৰেন ঘৰলৈ যোৱাৰ সময়ত আমাক দঢ়াই দঢ়াই কৈ গৈছে ককায়েকৰ বিয়াত যাবলৈ। নগলে বোলে খুউব দুখ পাব, আৰু বেজাৰ পাব।

বৰষুণ আৰু কিন কিনাবৰ পৰা ক্ৰমে জিপ্‌-জিপকৈ পৰিব ধৰে। তাৰ পাছত হিৰ্‌ হিৰাই জোৰেৰে পৰিবলৈ ধৰিলে। আকাশে কিয় জানো আজি ইমানকৈ কান্দিছে। প্ৰথমে কান্দিছিল নীৰৱে। শেষত হুকহুকাই। কোনেও নেজানে কি দুখত, কি বেদনাত, কি শোকত আকাশে আজি ইমানকৈ কান্দিছে। বৰষুণৰ কাৰণে কোনো বাহিৰত ওলাব পৰা নাই। সম্পূৰ্ণ ফিট্‌ফাট হৈ বিয়াঘৰৰ গাভৰু জাকক সহজে আকৰ্ষণ কৰিব পৰাকৈ পৰিপাটীকৈ সাজি কাচি ওলাই তৰুণ আৰু মই বাৰান্দাতে থিয় হৈ বৈ আছোঁ! বৰষুণ বেছিকৈ পৰিব ধৰিলে। তিতি তিতি মটৰ ষ্টেণ্ডলৈ যাবলৈ প্ৰস্তুত হলো। এয়াৰ বেগটো হাতত লৈ বাহিৰলৈ খোজ দিও এনেতে গেটখন খুলি টেলিগ্ৰাম পিয়নজন সোমাই আহে। আমি খুব আচৰিত হৈ গলো, বিশেষকৈ মই। হঠাতে মোৰ মনলৈ কিছুমান উৎকণ্ঠা আহি পৰিল। উৎসাহিত মনটো কিছু দমি গ'ল। বিয়ালৈ যাবলৈ ওলোৱাৰ আনন্দ খিনিও নিমিষতে নাইকিয়া হৈ গল। "পাৰুলৰ বৰ টান। সোনকালে আহক।" টেলিগ্ৰামখন লৈ জঠৰ হৈ পৰিলো ভাবনাত। লগতে বহু প্ৰশ্নই মোক আগুৰি ধৰিলে। পাৰুলৰ কি হ'ল। কি টান হ'ল। কেতিয়াৰ পৰা কিয় সোনকালে মাতিছে। একে ঠাইতে থিয় হৈ দুৰ্ভাবনাত বুৰ গলো। মোৰ অস্বাভাবিক পৰিবৰ্ত্তন দেখি তৰুণে কিছু আচৰিত হৈ মোৰ হাতৰ পৰা টেলিগ্ৰামখন নি পঢ়িলে। লগতে মোক কৰিলে অনেক প্ৰশ্ন। পাৰুল কোন? ইত্যাদি। মোৰ পৰা সি সেই বিলাকৰ সহজ পোনপটীয়া উত্তৰ নেপালে। মোক মৌন নীৰৱতা আৰু চিন্তা সাগৰত বুৰ যোৱা দেখি হয়তো সি বহুত কিবা বুজিছিল। আৰু নুবুজা খিনিয়ে তাক অধিক কৌতুহলী কৰিছিল। সেয়ে দ্বিতীয় বাৰৰ কাৰণে তাৰ প্ৰশ্নই মোক জুমুৰি দি ধৰিছিল। এবাৰ দুবাৰকৈ কেইবাবাৰো প্ৰশ্ন কৰি সি মোৰ পৰা উত্তৰ উলিয়াব নোৱাৰিলে। কিবা এটা যেন কৰবাত বৈ গৈছে। সেয়েহে শেষত এৰাব নোৱাৰি মোৰ অন্তৰঙ্গ বন্ধু তৰুণক মই সকলো কথা কলো। মোৰ মানসিক অৱস্থাটো চাই সি বোধহয় মোক তৎক্ষণাত ঠাট্টা মস্কৰা কৰিবলৈ সাহস কৰা নাছিল। কিন্তু কেই মিনিট মান পিচত সি মোৰ পৰিবেশৰ পৰিবৰ্ত্তন ঘটাবলৈ অলপ ৰগৰৰ সুৰত কয়— "তই দেখোন তলে তলে ভালকৈ এন্‌গেজ হৈছ অ'। আমাৰ আগত দেখোন ঘুনাক্ষৰেও এদিনো একো কোৱা নাই। ভালেই কৰিছ। আমাৰতো জীৱনত একোৱেই নহ'ল। তোক লৈয়েই আমি গৌৰৱ কৰিব পাৰিম। তই দেখিছো পেট ভাটো বাৰু নামটো কি বুলি কলি? অ' মনত পৰিছে পাৰুল। বৰ ধুনীয়া নাম দেই। ছোৱালীজনীও খুব ধুনীয়া হবলা। নহয়নে দেব" তাৰ কথাত অলপো প্ৰেমত নপৰা মানুহৰ দৰে আক্ষেপ। আমাৰ প্ৰেমৰ কথাই তাক বৰ আমোদ দিছে। হয়তো মনে মনে সি কোনো ছোৱালীৰ প্ৰেমত পৰিবলৈ ইচ্ছা কৰিছে। কিন্তু মই কি কৰিছো? ভাব সাগৰত বুৰ গৈছো। মোৰ উৰণীয়া মন পখীয়ে বাৰে বাৰে সজালৈ উৰি যাবলৈ ইচ্ছা কৰে। কিন্তু কৰো কি? উপায় যে নাই।

বৰষুণ কিছু কমিল। "বল বলদেৱ বৰষুণ শাম কাটিছে। "তৰুণে মোক সোঁৱৰাই দিয়ে। কিন্তু বিয়ালৈ আৰু যোৱাৰ ইচ্ছা মোৰ সমুলি নাই। মোৰ মন পখী উৰি গৈছে পাৰুলৰ ওচৰলৈ। মোৰ মৰমৰ পাৰুলজনীৰ বিপদৰ সম্ভেদ লবলৈ। পাৰুলৰ এনে বিপদত বিয়াত গৈ মই শান্তি পাম জানো? ভাবিবলৈ মই একেবাৰে অক্ষম। "তৰুণ— বিয়ালৈ তয়েই যা, মই নাযাওঁ। নৰেনক কবি বেয়া নেপাবলই। আৰু হয়তো মোৰ বিপদৰ কথা জানিলে সি মুঠেই বেয়া নেপায়। এনেকুৱা সন্ধিক্ষণত মই যাওঁ কেনেকৈ! তয়ে বাৰু কচোন। মই তৰুণক নম্ৰভাবে কওঁ। "ধেৎ পাগল; তই ইমান চিন্তা কৰিছ কেলেই। তই দেখোন কালিও যাব পাৰিবি। মই নদি

ৰব পাৰো— পাৰুলৰ একো হোৱা নাই। তাই বহুদিন তোক দেখা নাই। আৰু তয়ো সেইপিনে বহুদিন যোৱা নাই। তাই তোক চাবৰ বাবেহে এই বুদ্ধিটো কৰিছে। আমি যদিও প্ৰেমত পৰা নাই তাই এই বিলাক চব জানো। আৰু এটা কথা ভাবি চাচোন। তাইৰ কাৰণে তাইৰ প্ৰেমে তোক একেবাৰে মূৰ্খ বোকা কৰি পেলালে। "এনেকৈ কৈ সি পৰিস্থিতিটো পাতল কৰিবলৈ চেষ্টা কৰি হাঃ হাঃ কৈ হাঁহিলে। তাৰ যুক্তিপূৰ্ণ কথা-বোৰ শুনি মোৰ মনটো অলপ পাতল হ'ল। ইফালে মোৰ মনত পৰিল পাৰুলে চাৰিদিন আগতে দিয়া চিঠি খনলৈ। চিঠিত এই বিষয়ে তাই কোনো ইঙ্গিত দিয়া নাই। গতিকে তাই চাৰিদিন আগতে সুস্থা আছিল। সুস্থ শৰীৰে তাই মোলৈ মৰমভৰা চিঠি লিখিছিল। সেয়েহে তৰুণৰ যুক্তিয়ে মোক পতিয়ণ নিব পাৰিছিল। তথাপি কিবা এটা অজান শঙ্কাই মোৰ মন সাগৰত জোৱাৰ ভাতাৰ সৃষ্টি কৰিছিল।

"আৰে দেৱ ইমানকৈ ভাবিছ কিয় ? সেই কাৰণে আমি পাই কাৰো লগত লাড-চাড় খেলা নাই। অ' এটা ভাল উপায় ওলাইছে। তই এতিয়া ইয়াৰ পৰা গৈ বিয়া খাই নবেনৰ নিমন্ত্ৰণ ৰক্ষা কৰিবি। আৰু তাৰ পৰা ৰঙিয়ালৈ বাহিৰে বাহিৰে যাব পাৰিবি তোৰ মানসী তোৰ প্ৰেয়সীৰ সান্নিধ্য পাবলৈ।" পিচৰ কথাখিনি সি ইচ্ছা কৰিয়ে কাব্যিক ভাবাৰে কয়— মোক হহুৱাবলৈ তাৰ কথাৰ সুৰত মোৰ অলপ হাঁহি উঠে। আৰু লগতে তাৰ উপস্থিত বুদ্ধিৰ শলাগ লওঁ।

বৰযুণ তেতিয়া কমিছিল। কিন কিনাই আছিল। এটা ভাবাক্ৰান্ত মন লৈ মই তৰুণৰ লগত নবেনৰ ককায়েকৰ বিয়ালৈ ৰাওঁনা হওঁ। মোৰ মনত এটা দুৰু দুৰু ভাব। বাটত বৰষুণৰ কাৰণে কিছুমান অসুবিধা হৈছিল যদিও কোনোমতে নবেনহঁতৰ ঘৰ পাওঁগৈ। তেতিয়া সন্ধিয়া লাগি ভাগিছে। দৰা ঘৰৰ খোৱা বোৱাৰ কাম প্ৰায় শেষ হৈছে। নবেনহঁতৰ দুৱাৰ দলিত দুখন বাছ ৰৈ আছে নিশ্চয় বৰ যাত্ৰী যাবৰ কাৰণে। ভিতৰত ৰভাতলীত মানুহ বেচি নাই। কিছুমান ল'ৰা-ছোৱালীয়ে হাই উৰুমি কৰি আছে। আয়তী সকলৰ বিশৃংখল গণ্ডগোল আৰু বিয়া নামৰ ধ্বনি।

পলমকৈ যোৱা কাৰণে নবেনে আমাক ভালকৈ শুনালে। পিচত আমাৰ আহুকাল আৰু বিসঙ্গতিৰ কথা জানি– 'বাৰু' বুলি শলাগি আমাক ভিতৰলৈ আদৰিলে। ইতিমধ্যে আমি নবেনৰ পৰা জানিব পাওঁ এটি নতুন সংবাদ। আচৰিত আৰু অভাৱনীয়ও। নবেনৰ ককায়েক প্ৰশান্তৰ বিয়াৰ কইনা সলনি হ'ল একে দিনাই। প্ৰথমে প্ৰশান্তৰ কাৰণে এজনী ছোৱালী চোৱা হৈছিল। সেইজনী ছোৱালী হঠাতে বিয়াৰ আগদিনা ৰাতি উধাও হয়। মাক-পিতাক আৰু আন আন মানুহৰ অজ্ঞাতে। সকলোৰে মুখত একে প্ৰশ্ন— তাই কলৈ গ'ল। কাৰ লগত গ'ল ? কিয় গ'ল ? কেনেকৈ গ'ল! কিন্তু কোনেও উত্তৰ নেপালে। তাইৰ এই উধাও মানুহৰ মাজত ৰহস্য হৈয়ে থাকিল। কাৰণ প্ৰশান্তৰ কইনা ৰঙিয়াত ঠিক হৈছে একে ৰাতিতে। কথাটো নবেনৰ মুখৰ পৰা জানিব পাৰি তেতিয়াই বুজিব পাৰিলো আয়তীসকলৰ বিয়ানামত দিয়া জোৰা নামৰ অৰ্থ।

নবেনৰ খুড়াকে ৰঙিয়াত কাম কৰে। সেই একে অফিচৰ সহকৰ্মী এজনৰ ছোৱালী এজনীৰ লগত প্ৰশান্তৰ বিয়াৰ ঠিক হৈছে। মই ভাবিলো কথাটো ভালেই হৈছে। একে ফৰ্মুটিতে দুই চিকাৰ। দৰাৰ লগত গৈ বিয়াও চাব পাৰিম আৰু পাৰুলৰ খবৰ লব পাৰিম। এনে সুযোগ পাম বুলি মই কল্পনাই কৰিব পৰা নাছিলো। তৰুণৰ আগত কথাটো কৈ অলপ হাঁহো। তৰুণে ৰগৰ কৰি কয়— তাই তোৰে দিন। আমি সেইবিলাকৰ সোৱাদ লম দূৰৈৰ কথা গোন্ধে লব পৰা নাই। ভালৰ চব পিনে ভাল।

ৰাতিৰ এন্ধাৰেৰে দৰাঘৰীয়া বাছ চলে পূৰ্ণগতিত, মটৰতকৈয়ো মোৰ উৰণীয়া মনটো চঞ্চল হৈ বেগাই উৰা মাৰে ৰঙিয়ালৈ— পাৰুলহঁতৰ ঘৰলৈ। ডাৱৰীয়া আকাশৰ পৰা আকৌ বৰষুণৰ টোপাল আমাৰ গাত পৰিবলৈ ধৰিলে। নবেন, মই আৰু তৰুণ অলপ নিলগত একাষৰীয়াকৈ বহিছো বাছত। তৰুণে মোৰ আৰু পাৰুলৰ নানা ধৰণৰ কথাবোৰ নবেনৰ আগত কবলৈ আৰম্ভ কৰে। সিহঁত দুয়োৰে কথাৰ ঢং আৰু ইঙ্গিতপূৰ্ণ আলোচনাই মোক অস্থিৰ কৰে সিহঁতে মোক লৈ ইমান মানুহৰ মাজত যি আলোচনাত লিপ্ত হ'ল, মই যেন সিহঁতৰ হাঁহি খিকিন্দালিৰ মাজত নচুৱাবলৈ দিয়া বান্দৰহে। অৱশ্যে সিহঁতে বন্ধুত্বপূৰ্ণ ঠাট্টা মস্কৰাৰ বাহিৰে আন একো কৰা নাছিল। মই নিশ্চয়কৈ জানো তৰুণক বাধা দিয়া মানে বৰলৰ বাঁহত খুচি দিয়া।

সেয়েহে মই নীৰৱ দৰ্শক আৰু শ্ৰোতা হোৱাৰ বাহিৰে উপায় নাছিল। ৰাতি প্ৰায় মাজভাগত আমাৰ গাড়ী ৰঙিয়া পালে। নগৰখন নীৰৱ। দিনৰ হাই উৰুমি নাই। সকলো নিস্তব্ধ। গাড়ীখন হঠাতে ৰৈ গ'ল গন্তব্য স্থানত। কিন্তু মোৰ বুকুৰ স্পন্দন যেন বন্ধ হৈ গ'ল। মই গ'লো। পাৰুলহঁতৰ বঙলাত বৰযাত্ৰীৰ মটৰখন ৰৈ গ'ল কিয় ? পাৰুলহঁতৰ ঘৰতে বেণ্ডপাৰ্টি বাজে কিয় ? ভিতৰৰ চোতালত আয়তী সকলৰ উৰুলি কিয় ? কিয় ?? কিয় ??? এই কিয়ৰ উত্তৰ মই যে নেপালো। কোনে দিব মোক এই প্ৰশ্নৰ উত্তৰ ? মোৰ আৰু বুজিবলৈ বাকী নেথাকিল। (মই ক্ষন্তেকতে বোবা হৈ গলোঁ।) মোৰ বুকুত যেন কিহবাই হেঁচা মাৰি ধৰিলে। পাৰুলৰ টেলিগ্ৰামলৈ মনত পৰিল। দৰাক পদুলিৰ পৰা আদৰি নিলে। দৰা-যাত্ৰীৰ লগতে মইও ৰভা তলীত সোমালো। মোক যেন এক অজান শক্তিয়ে হে ভিতৰ সোমাই নিলে। নিজ শক্তি মই হেৰুৱাই পেলালো। নিয়তি নিষ্ঠুৰ। নবেন আৰু তৰুণক লুকাই মই এটা চুকত শিলা মূৰ্তিৰ দৰে থিয় হৈ ৰলো। অলেখ স্মৃতি জাগে মোৰ মনত। মোৰ অন্তৰে হাঁহাকাৰ কৰি উঠে। অন্তৰে নীৰৱে কান্দিলে। কিন্তু বিধিৰ বিপাক।

এনেকৈ ভাবি থাকোতে কোনোবা ফালৰ

পৰা মাধৱ দাদা আহি মোক আচৰিত হৈ সোধে - কি অ' দেৱব্ৰত তইও খবৰ পাইছ? আহিছ ভালেই হৈছে। বৰ লৰালৰিকৈ বিয়াখন হ'ল। তোক খবৰ দিবলৈ সময়েই নহ'ল। লাগতিয়াল বহুত মানুহকে মাতিব নোৱাৰিলো। অৱশ্যে যি হ'ল ভালেই হ'ল। পাৰুলৰ ভাগ্য ভাল। তাই প্ৰশান্তৰ দৰে উচ্চ বংশৰ শিক্ষিত দৰা পালে। মই নিৰ্ব্বাক নিৰুত্তৰ। মাধৱ দাদাই হাঁহি হাঁহি কথা কৈছে আৰু মই ম্লান হাঁহিৰে শুনাগিছো। হাঁহি মোৰ হেৰাই গৈছে। তাৰ পিছত কিবা মনত পৰাৰ দৰে কৈ উঠে— "আৰু দেব, তই যে তাইৰ কাৰণে দৰা বিচাৰি দিবৰ প্ৰতিশ্ৰুতি দিছিলি, সেয়ে বোধহয় তাই এই বিয়াত সন্মতি দিয়া নাছিল। কেৱল কান্দি কান্দি চকু উখহাইছিল। তাইৰ অৱস্থা দেখিলে বৰ দুখ লগা হৈছে। বুজিছ দেৱ— আজিৰ দিনতো এনে আকৰী ছোৱালী আছেনে? আৰু কিবা কিবি তেওঁ কৈছিল মোৰ কাণেৰে নোসোমাল। কথাবোৰ মন কৰা নাছিলো। তেওঁৰ কথাখিনিয়ে মোক বহুত স্মৃতি সোঁৱৰাই দিলে। মোৰ চিঞৰি কবৰ মন গৈছিল— মাধৱদা তুমিতো বুজা নাই মোৰ অন্তৰৰ বেদনা। তুমি বুজিব নোৱাৰা মাধৱদা! আকৰী পাৰুলে ঠিকেই কৰিছে। তাই ঠিকেই কৈছিল। ভুল কোৱা নাছিল। তাই মোৰ বাবে অপেক্ষা কৰিছিল। মই ভুল কৰিলো। মই তাইৰ টেলিগ্ৰাম পাই আহিব লাগিছিল। বহুত দেৰী হৈ গ'ল এতিয়া। বহুত!! কিন্তু মই একো কব নোৱাৰিলো। মোৰ বাক্ শক্তি ৰুদ্ধ হৈ গ'ল। মই যেন এখন চিনেমাহে চাই আছো। মই নীৰৱ দৰ্শক হৈ নিশ্চল গছ এডালৰ দৰে ঠিয় হৈ আছো। মোৰ গতি শক্তি হেৰাই গ'ল যেন। মই এখন বিয়োগান্ত নাটক পঢ়িছো যেন। সকলোবোৰ ঘটনা মোৰ অলৌকিক যেন লাগিল।

"খুৰাদেউ— আপোনাক মাহীয়ে মাতিছে। আহকনা।" হঠাৎ কোনোবাই মতা যেন পাই ঘূৰি চালো প্ৰদীপে মানে মাধৱদাৰ লৰাটোৱে মোৰ হাতত ধৰি মাতিছে। তন্দ্ৰা ৰাজ্যৰ পৰা উভতি বাস্তৱলৈ আহিলো। পাৰুলক দেখা কৰা জানো ভাল হব। যদি পাৰুলে মোক টান কথা কয়। পাৰুলে মোক প্ৰতাৰক, প্ৰৱঞ্চক বিশ্বাসঘাটক বুলি কয়? পাৰুলে কব লগা কথা বহুতো আছে। তথাপি মই যাম। মই যাবই লাগিব। পাৰুলক শেষবাৰৰ বাবে মই হেপাহ পলুৱাই চাই লবলৈ মই যামেই। যি জীৱন্ত প্ৰতিমাক এদিন মোৰ মানস পটত প্ৰতিষ্ঠা কৰিছিলো তাইক বিসৰ্জ্জন দিব ওলাইছো প্ৰশান্তৰ বক্ষত। সময় বেচি নাই। মই ভিতৰলৈ সোমাই গলো।

পাৰুলক দেখিলো। তাই আজি অন্য ৰূপা হৈছে। অপলক নেত্ৰে মই চাই ৰলো। মোৰ চকুৰ আগত এয়া কোন, পাৰুল নে কোনোবা অপেশ্বৰী? উৰ্ব্বশী, মেনকা ৰম্ভা নে কোনোবা দেৱী। মই মোৰ অস্তিত্ব পাহৰি গলো। মোৰ অৱচেতন মনত সহস্ৰ কল্পনা। পিচ মুহূৰ্ত্ততে মই সম্বিত ঘূৰাই পালো। মোৰ সপোন ভাঙিল। মই সকলো কথা লুকিয়াই চাবলৈ চেষ্টা কৰো। লগে লগে মোৰ চকুৰ পৰা ওলাই আহে বাধাহীন অনন্ত অশ্ৰুধাৰা। মোৰ অন্তৰখন ভাঙি-চিঙি চুৰমাৰ হৈ যাব খোজে। চকুৰ পানীক মই বাধা দিবলৈ ব্যৰ্থ চেষ্টা কৰো। এইবাৰ ভালকৈ লক্ষ্য কৰি দেখিলো — সেইয়া পাৰুল নহয়। সেইজনী যেন পাই হেৰুৱা বেদনাত বুৰ যোৱা ক্ৰন্দসী নাৰী যাৰ নয়ন যুগলৰ পৰা ওলাইছে বাধাহীন ভাবে বোৱা অবিৰাম ধাৰা। তাই মুখেৰে মোক কথা নকলে। কলে মাথোন চকুৰে। তাইৰ চকুত দেখিলো শব্দহীন অযুত 'গুপুত' কথাৰ ভাষা। সেই ভাষা হয়তো মই বুজিব পাৰিছিলো। হয়তো পৰা নাছিলো। তাইৰ সজল নয়নে কৈছিল — "আৰুতো বেচি সময় নাই। এইয়া কিয় হল বাৰু! আপুনি আহিল বহুত পলমকৈ। এইয়া কিয় হল বাৰু? তাই নিশ্চল অনিমেষ চকুৰে মোৰ আগত কৈ গৈছিল — আপুনি হয়তো মোক খং কৰিছে। কিয়? কিয়!? মইতো আপোনাক গোটেই অন্তৰ ভৰি ভাল পাইছিলো। হয়তো আপুনিও ভাল পাইছিল। কিন্তু কি হ'ল এয়া। আপুনি হয়তো মোৰ টেলিগ্ৰাম নেপালে। কিন্তু আপোনাৰ বা দোষ ক'ত? তেন্তে দোষ কাৰ? পিতা-মাতাৰ? নহয়— নিশ্চয় নহয়। ভুল কাৰোৱেই নহয়। আৰু ভুল যদি হয় সেই ভুল সকলো বোৰৰেই। মই আৰু বেচি সময় পাৰুলৰ ওচৰত ঠিয় হৈ থাকিব নোৱাৰিলো। তলমূৰ কৰিলো। কেই চেকেণ্ডমানৰ পিচত শেষ বিদায় লবলৈ যেতিয়া মই পাৰুলৰ মুখলৈ চাইছিলো, তেতিয়া মই আকো আচৰিত হৈ গলো। এইয়া পাৰুলৰ কি ৰূপ। এইয়া ক্ৰন্দসী পাৰুলে হাঁহিছে এক প্ৰতিশ্ৰুতি পূৰ্ণ চাৱনিৰে। তাই জানো কৈছে "আপুনি নিৰ্ভয়ে থাকক ভিনদেউ। মই আপোনাৰ। মই চিৰকালে আপোনাৰ মানস মন্দিৰত প্ৰতিমা হৈ ৰম। বাহ্যিক শৰীৰেৰে নহলেও। তেনেকৈ কৈয়ে যেন পাৰুলে মিচিকিয়ালে — এক দীপ্তিমান মুখেৰে। সেই হাঁহিত ফুটি উঠিছিল এক গভীৰ প্ৰশান্তি এক অনাবিল মনৰ সজীৱ প্ৰতিচ্ছবি।

মই আৰু উলটি চোৱা নাছিলো। কিন্তু অনুমান কৰিছিলো এজাক ছোৱালীয়ে পাৰুলক জোমৰ গুৰিলৈ আনিবলৈ কিৰিলি পাৰি ওচৰলৈ গৈছে। মোৰ ৰভাৰ তললৈ খোজ দিবলৈ সাহস নহল। মই নৱেন আৰু তৰুণক এবাৰ মাত দিবলৈ সাহস গোটাব নোৱাৰিলো। মই গুছি আহিলো। এন্ধাৰৰ মাজেৰে। লগত লৈ আহিলো পাৰুলৰ অন্তৰ ভৰা ভাল পোৱা।

শ্ৰীহংসধৰ কলিতা
প্ৰাক্তন ছাত্ৰ

দুখে ভৰা হৃদয় লৈ
চকু পানী মচি মচি
মই জানো আৰু সাগৰৰ
কাহানিও সিপাৰ নেপাম ?

সাগৰৰ মাজতে জানো
মোৰ জীৱনৰ নৌকাখনি
দিব কাল পচোৱাই বুৰায়
অন্ত হব তাতে জীৱন মোৰ ।

মই জানো আৰু জীৱনত
কাহানিও পোহৰ নেপাম
যোগমৰা আঁউসীৰ আন্ধাৰতে
মোৰ জানো হব জীৱন অৱসান ।

মই কিমান দিন থাকিম
বিশ্বাস হয় অলপতে মৰিম;
কিন্তু দুখ লাগে হায়
বাচি থাকিবৰ মন যায় ।

অন্ততঃ নিজকে প্ৰশ্ন কৰোঁ।
মোৰ জানো ই হব পূৰণ,
নিয়তিয়ে কৰিব জানো
মোৰ প্ৰাৰ্থনা মঞ্জুৰ ।

প্ৰতিধ্বনিয়ে কয় বিউৰিয়াই
মিছা, ভ্ৰান্ত, ধাৰণা তোমাৰ
মনুষ্যৰ আশা আকাংখ্যাত
নিয়তিয়ে নিদিয়ে কাণ সাৰ ।

এই বিশ্ব সংসাৰৰ সকলো জীৱকে
নিয়তিয়ে নিয়ে বাট দেখুৱাই
নিয়তিৰ কাৰ্য্যত বাট কধিবৰ
নাই কাৰো ক্ষমতা প্ৰাণৰ ।

সেয়ে মহা পুৰুষে কয় বিউৰিয়াই
দৰ্প, অহঙ্কাৰ, মান, অভিমান—
সকলো মিছা, ইবোৰ মাথো-ভ্ৰান্ত ধাৰণা
মাথো সত্য সিটো, নিয়তিৰ জয় ॥

# নিয়তিৰ জয় ।

প্ৰভাত চন্দ্ৰ শৰ্মা
১ম বাৰ্ষিক ।

## পাপৰিৰ পাতত

# ৺গণেশ গগৈ

চকুত অনন্ত সপোনৰ অপৰূপ ৰূপ ৰেখা প্ৰাণত অফুৰন্ত জীৱনৰ অন্তহীন মোহ আৰু বুকুত হেজাৰ স্বপ্নৰ মাধুৰীসনা চেনেহৰ কুমলীয়া কোঁহ আশা কৰি কাব্য ফুলনিত প্ৰবেশ কৰা গণেশ গগৈক "পাপৰি"ৰ কবি বুলি জনা যায় । সম্পূৰ্ণ খৈৰ্য্যমী ঢঙত জীৱনটো চলাই নিবলৈ আশা কৰিছিল যদিও নিষ্ঠুৰ মৰণৰ হাত বাউলিত এইজনা কবিয়ে মাত্ৰ আঠাইশ বছৰ বয়সতে মৃত্যুক সাৱতি ললে ।

জীৱনত বহুতে বহুত সপোন দেখে গগৈয়ে দেখিছিল— অতুল ঐৰ্শ্বৰ্য্যৰ গৰাকী হোৱাৰ সপোন কাহানিও নহয় । তেওঁৰ স্বপ্ন আছিল প্ৰেম আৰু মৌসনা চিৰসেউজীয়া সপোন । জীৱনত এদিনাখন হঠাতে বিশ্বৰ সকলোতে প্ৰেমৰ কোমল হাত বুলনি দেখিবলৈ পালে— । অসীম অনন্ত ৰহস্যৰে ভৰা প্ৰেম সদায় কালজয়ী । সেয়েহে গগৈয়ে "পাপৰি"ৰ নিবেদনতে লিখিছে—

"যুগৰ পিচত যুগ আহিছে
জীৱন কৰিছে ক্ষয়,
প্ৰাণৰ কাষত কালৰ আগত
প্ৰেমৰ সদায় জয় ।"

সেই বুলি গগৈয়ে নোপোৱাৰ বেদনাত আৰ্ত্তনাদ কৰি উঠা নাই তেওঁৰ প্ৰেমত পোৱা নোপোৱাৰ প্ৰশ্ন নাই । মিলনতেই প্ৰেমৰ স্বৰূপ প্ৰকাশ হয় নে বিৰহতেই প্ৰেম জীয়াই থাকে এনেবোৰ কথাৰ প্ৰয়োজন তেওঁৰ নাই— অশ্ৰুভৰা নয়নেৰে গগৈয়ে কাহানিও প্ৰেম নিবেদন কৰা দেখা নাযায়, পাপৰিৰ নিবেদনত গাইছে—

"পদুম ফুলৰ "পাপৰি" নহয়
'পাপৰি'— প্ৰাণৰ মোৰ—
শোকৰ নহয় দুখৰ নহয়
প্ৰেমভৰা চকুলোৰ ।

গগৈয়ে পোণপটিয়াকৈ প্ৰকাশ কৰিছেযে তেওঁৰ প্ৰেমত শোকাশ্ৰু বা দুখৰ লহৰৰ চাপ অলপো নাই— তেওঁৰ প্ৰেম সত্য শ্বাশ্বত আৰু আকাশ লজ্বা আকুলতাৰে চিৰপ্ৰৱাহমান হৈ আছে অনন্ত প্ৰেমৰ নিজৰাৰূপে এনে এগৰাকী কালজয়ী লিখকৰ কেৱল কল্পেকীয়া দিন কেইটিতে যি নিদৰ্শন দি গ'ল তাক কোনো অসমীয়াই পাহৰিব নোৱাৰে । পাহৰিব নোৱাৰে গগৈৰ বুকুৰ তেজেৰে লিখা— "পাপৰি"ক । পাহৰিব নোৱাৰে— ৰূপৰ তুলিকাৰে জন্ম দিয়া "ৰূপজ্যোতি"ক । গগৈৰ মৃত্যুয়ে অসমী আইৰ বুকুৰ পৰা অকালতে এটা উজ্জ্বল তৰাৰ স্খলন হ'ল— আমি হেৰুৱালো এনে এজন বহুমুখী ব্যক্তিক যি গৰাকী একেবাহে আছিল —"কবি, সাহিত্যিক, নাট্যকাৰ, পৰিচালক আৰু অভিনেতা ।

কবিৰ শ্ৰেষ্ঠ লিখনি হ'ল "পাপৰি।" গগৈয়ে "পাপৰি"খন মাত্ৰ তিনি ঘণ্টাৰ ভিতৰতে লিখি উলিয়াইছিল। পাপৰিত কবিয়ে জীৱনৰ প্ৰতি বিন্দু শক্তি উবুৰিয়াই ছন্দ লিখিছিল— ছন্দ লিখিছিল গগৈয়ে বুকুৰ কেঁচা তেজেৰে—। সেয়েহে পাপৰিৰ প্ৰতি পাততে আমি কবি মনৰ জীয়া প্ৰাণৰ পাপৰি দেখিবলৈ পাওঁ। ঈশ্বৰ প্ৰদত্ত চিৰ সেউজীয়া প্ৰেমৰ সত্বা ও অস্তিত্বৰ বিষয়ে গগৈৰ কবিতাত আমি বহল ছবি পাওঁ। গগৈ এনে বিমোহিনী শক্তিৰ গৰাকী আছিল যে দেবী বীণাপাণিকো মৰমেৰে ৰস কৰাৰ ভঙ্গিতে কবিতা ৰচিছে।

বীণাপাণি—

আজি পূণ্য পঞ্চমীৰ মহেন্দ্ৰ ক্ষণত
বিমোহিনী বিণালৈ আহিছ যেতিয়া
ক'ত যাবি সন্তানৰ কোমল হিয়াত
নেপেলাই কৰিতাৰ কলি কুমলীয়া।
(ৰূপজ্যোতি)

জীৱনৰ প্ৰেমৰ সত্বাটোক প্ৰকাশ কৰাৰ মাধ্যম স্বৰূপ পাপৰিকে লৈছিল। অতীত প্ৰেমৰ ৰোমন্থন, খেদ আৰু হৃদয় বিদাৰক দুখ বিৰহ ব্যথাই কাপেৰে নামি গ'ল পাপৰিৰ বুকুলৈ।

এই খিনিতেই গগৈৰ জীৱনৰ স্মৃতি পৰিবৰ্ত্তনৰ এটি ডাঙৰ ঘটনা উনুকিয়াই দিলে ভুল হব। কলেজীয়া জীৱনৰ প্ৰাৰম্ভণীৰে পৰা গগৈয়ে এজনী অসমীয়া গাভৰুক ভাল পাইছিল আৰু জীৱনৰ যথাসৰ্ব্বস্ব দান কৰি নিজে আশ্বস্থ হৈছিল যদিও বিশেষ কাৰণত গগৈৰ প্ৰেম, প্ৰীতি, মৰম, চেনেহে ৰূপ ললে একপক্ষীয় প্ৰতিদানহীন প্ৰেমত আৰু কবিৰ জীৱনৰ সকলো বিৰহ ব্যথাই ৰূপ ললে পাপৰিত।

প্ৰিয়া বিৰহত কবিয়ে কতো শান্তি নোপোৱা হল। শাৰদীয় জোনাকত গা ধুই প্ৰকৃতি বিমোহিনী ৰূপত আপোন পাহৰা হৈ শেৱালীৰ সৌৰভত নিজকে বিলিন কৰি দিওঁ কবিৰ মনত শান্তি নাই। শান্তি নাই এই কাৰণেই যে এই সকলোতে মাথো প্ৰিয়াৰ ৰূপ বিৰাজ মান। বহুত পায়ো একো নোপোৱাৰ বেদনা পদে পদে উপলব্ধি কৰিব ধৰিলে। বিশ্বৰ মৰ্ত্তৰূপত প্ৰেমৰ পোহৰ বিচাৰি গগৈ বলিয়া হৈ পৰে। যতে সৌন্দৰ্য্য তাতে গগৈ আৰু যতে গগৈ তাতে সৌন্দৰ্য্য। ৰোমাণ্টিক কবি গগৈয়ে তেওঁৰ প্ৰিয়াৰ নীল চকুযুৰিত বিচাৰি পাইছিল অপৰূপ সৌন্দৰ্য্যৰ আকাৰ, পৰাণে বিচাৰি পাইছিল জীৱনৰ প্ৰতি থকা আবেগপ্ৰৱল হিয়াৰ আকুল মোহ আৰু বুকুখনিয়ে— মৌসনা চেনেহৰ কুমলীয়া কোঁহ বিচাৰি হাবাথুৰি খাইছিল। গগৈৰ ৰূপজ্যোতি কবিতাত গাইছে—

চকুৰে বিচাৰে মোৰ অপৰূপ ৰূপ ৰেখা
পৰাণে বিচাৰে মোৰ জীৱনৰ মোহ
বুকুৰে আপোন সুৰে বিচাৰি বিচাৰি ফুৰে
মৌসনা চেনেহৰ কুমলীয়া কোঁহ।

কবি সৌন্দৰ্য্য বলীয়া— প্ৰেম, সৌন্দৰ্য্যৰ পম খেদি কবি অলক ৰাজ্যত উপনিত হৈছে। গগৈৰ প্ৰিয় বন্ধু আনন্দ বৰুৱাই ৰূপজ্যোতিৰ পাতনিত লিখিছে যে পূণিমাৰ জোনাক বিলাকত হেনো গগৈ ঘিৰেৰে থাকিব নোৱাৰিছিল প্ৰায় উন্মাদৰ দৰে হৈছিল। গগৈৰ মৃত্যুৰ এসপ্তাহ আগতে বকুলবনৰ কবি বৰুৱা দেৱলৈ লিখা কথা ফাকিতে তেওঁৰ সৌন্দৰ্য্য পিপাসু মনৰ সাম্যক পৰিচয় পাওঁ— "বৰুৱা, জ্বৰে সৈতে সখি পাতি শয্যাত পৰি নথকাহেঁতেন তোৰ তালৈ কেতিয়াবাই গলোহেঁতেন। বকুল বনত জোনাক আছে বুলি জানো কিন্তু জোনাকীহে নাই।

প্ৰিয়াৰ ৰূপতেই স্নান কৰি কবিয়ে এই পুৰণি দৈন্যভৰা সংসাৰখন নতুন ৰূপত দেখিছে আৰু প্ৰিয়াৰ ৰূপৰ জিলিকনি পৰিয়েই এই পৃথিবীৰ বিতোপণ দৃশ্যৰাজিৰ সৃষ্টি হৈছে। কবি সৌন্দৰ্য্যৰ পূজাৰী। কবিৰ মতে বসন্ত কালৰ মলয়া বতাহ, গোলাপৰ অপৰূপ সৌন্দৰ্য্য, কো'কিলৰ সুমধুৰ স্বৰ শেৱালীৰ সৌৰভ সকলো প্ৰিয়াৰ ৰূপৰ ওচৰত হাৰ মানিছে। তেওঁৰ প্ৰেমীকাক নানা ৰূপত ন ন ৰহন দি বৰ্ণাইছে। কিন্তু কবি যে দুৰ্ভগীয়া তেওঁৰ মানসিক দিবলৈ এখনি ৰিক্ত, মৰম ভৰা হিয়াৰ বাদে একোয়েই নাই—

যৌৱনৰ প্ৰথম পুৱাৰ পৰাই কবিয়ে জগতখনক ন ৰূপত ৰূপায়িত কৰিলে। বুকুৰ কবিতাৰে পূজা আৰম্ভ কৰিলে তেওঁৰ প্ৰাণ প্ৰতিমাৰ—

সেয়েই তুলসী মোৰ সেয়ে মোৰ গঙ্গাজল
তাতেই দূবৰি আছে তাতে বেলপাত—
তাতেই নিতৌ জ্বৰে প্ৰণয়ৰ ধুপ-দীপ
সেয়েই নৈবেদ্য মোৰ তোমাৰ পূজাত—।

তথাপিওঁ কিয় জানো মাজে মাজে কবিৰ অন্তৰ আগলতি কলপাত লৰা দি লৰি উঠে। কিবা হেৰুৱাৰ অজান আশঙ্কাত কবিয়ে গাইছে—

যদিওঁবা যৌৱনত প্ৰাণৰ স্পন্দন শুনি
পূজিব খুজিছো আজি প্ৰাণ উদিয়াই
ভয় হয় কি জানিবা পূজোতে পূজোতে সখী
শেষত পূজাত মোৰ প্ৰীতি কমি যায়।

কবি মোহাচ্ছন্ন জীৱনত কৰুণ পৰিণতিয়ে দেখা দিয়ে তেওঁৰ শ্ৰেষ্ঠদান ভাল পোৱাক প্ৰত্যাক্ষান কৰি গুচি গ'ল তেওঁৰ মানস প্ৰতিমা। অভিমানি কবিৰ জীৱনৰ দুখ ব্যথাই আগুৰি ধৰিলে। বিৰহ বেদনাবোৰে ষাৱণৰ চিতা জুইৰ ৰূপত ৰূপায়িত হ'ল কবিৰ হিয়া আকাশত। অভিমানত তেওঁ প্ৰিয়াৰ ছবি মনৰ পৰা মচি পেলাবলৈ স্থিৰ কৰিলে—। প্ৰিয়াক বিদায় দি কবি শান্তিত থাকিব নোৱাৰে। বাস্তৱত নেপালেওঁ কল্পনাত হলেওঁ তেওঁ মানসিৰ প্ৰতিচ্ছবি বিৰাজমান হৈ থকা বিচাৰে। এতিয়া কবিক লাগে এডোখৰ নিৰ্জ্জন ঠাই— যত মেকি স্বাৰ্থপৰ মানুহৰ হাত নাই—।

বিশাল বিশ্বত সখী নাই নে-কি এনে ঠাই
নুফুলে মালতী য'ত নেপালায় কলি—
শুনা নাই নাম য'ত কোনো কালে পদুমৰ
নুফুৰে গুঞ্জৰি য'ত মৌ লোভি অলি ?

যদি তেনে এডোখৰ ঠাই পোৱা যায় তেনে কবিয়ে কৈছে—

আছে যদি তেনে ঠাই নাওঁখনি বাই বাই
নিতউ তালৈকে সখী উটি গুচি যাম,
পদুম নুফুলে তাত নুফুলে মালতী ফুল
তোমাৰ চানেকী আৰু তাততো নেপাম।

কল্পনাৰ নাওঁত উঠি কৱিয়ে তালৈ বাই বাই নিতৌ যাব প্ৰিয়া অন্বেষণত কাহানিও নহয় বিৰহ ব্যথাৰ শাম কটাবলৈহে। কিন্তু ই জানো সম্ভৱ? প্ৰিয়াৰ স্মৃতিৰ পৰা আঁতৰি জানো কবিয়ে শান্তিত থাকিব পাৰিব? এনেবোৰ প্ৰশ্নৰ থৰকাজুতিৰ মাজত কবি প্ৰাণে কান্দি উঠিছে-।

অতীতক বাদদি জানো কবিয়ে থাকিব পাৰিব? কৱিৰ অতীতেই বৰ্ত্তমান আৰু ভবিষ্য। অতীত ৰোমন্থন কৰি কৰি অলক ৰাজ্যলৈ উৰা মাৰে।

সেইদিনা ভাৱিছিলো    এই সুধা ৰূপ ৰাশি
    প্ৰকৃতিয়ে অবাবতে ঢালি দিয়া নাই
ইয়াৰেই অনুৰূপ    মানুহেই কৱিৰ স্মৃষ্টি
    এই বিশ্ব বিমোহিনী চানেকীকে চাই।

কিন্তু হয় জানো? পালে জানো? কবিৰ কল্পনাৰথ কল্পনাতেই মাৰ গ'ল—।

ফুল যে দূৰৰ কথা    নউপৰোতে কলি
    কল্পনাতে ঢাক খালে ভৰহোৱা জাল
দিনত জিলিকি উঠা    ৰেখা এটি ৰাখি থই
    নিশাৰে সপোন আহি নিশাতে পলাল।

কবিয়ে পুনৰাই ব্যৰ্থ-মনোৰথেৰে ফিৰি আহিল প্ৰিয়াৰ ওচৰলৈ। ব্যথাৰ সহস্ৰজ্বালাত অসহনীয়- গগৈয়ে এবাৰ মাথো প্ৰশ্ন কৰিছে তেওঁৰ হিয়াহীন প্ৰিয়াক—কি দোষত কবিৰ এনে অৱস্থা কৰিলে। প্ৰিয়াৰ প্ৰতি থকা প্ৰেম প্ৰীতি যে কোনো গুণেই কম নাছিল—কোনো ত্ৰুটি কৰা মনত নপৰে। সেয়েহে কবিয়ে গাইছে—

অযোগ্য নাছিল মোৰ    পৰাণৰ ভালপোৱা
    অযোগ্য নাছিল এই পূজাৰ সম্বল,
অশুচি নাছিল সখি    অন্তৰৰো অন্তস্থল
    ৰাখিছিল ঢালি ঢালি প্ৰেম গঙ্গাজল।

প্ৰিয়াৰ পৰা কবিয়ে একো সমাধান নাপালে, বৰং কবি যেন প্ৰিয়াৰ নিৰুত্তৰ সমিধানত পোন পটিয়া ইঙ্গিত পাইছে আৰু যদি সেয়ে হয় তেন্তে—

"কব পাৰা তুমি মোক    (যদিও নোকোৱা জানো)
    স্মৃতিকে যি জনে খোজে পেলাব মোহাৰি,
ইমান কথাৰ আজি    আছে কিন্তু প্ৰয়োজন
    আপোনাৰ লক্ষ লক আপুনি বিচাৰি।"

সেয়েহে কবিয়ে নিজৰ অন্তৰৰ দুখ বেদনাৰাশিৰ বাবে নিয়তিকে দোষী সাব্যস্ত কৰিছে আৰু বিষাদৰ গানৰ সহায়েৰে বেদনা ৰাশি প্ৰকাশ কৰি অন্তৰ শাত পেলাবৰ আশা কৰিছে।

কবিয়ে তেওঁৰ জীৱনৰ যি ফালেই চকু দিয়ে সেই ফালেই বেদনা ভৰা হুমুনিয়াহ আৰু ব্যৰ্থতাৰ ৰেঙনি দেখিবলৈ পাইছে। তাহানিৰ শৰতৰ শুভ্ৰ জোনাকত মতলীয়া হৈ পৰা কবিৰ অন্তৰত আজি আৰু কোনো আবেগ নাই—আছে মাথো অভিশপ্ত জীৱনৰ করুণ দুখ লগা ব্যৰ্থতাৰ পৰিণতি। সেয়েহে আজি শৰতৰ আগমনিত কবিয়ে নিৰানন্দ মনে গাইছে—

"সেই শৰতৰ কথা    নানিবা মনত সখী
    ভুলতো নাগাবা সেই প্ৰেমময় গান,
সেই সুৰ স্বৰগৰ    অচঞ্চল অন্তৰৰ
    মায়াময় মৰতত নাই তাৰ স্থান।"

অনন্ত প্ৰেমৰ মহান সুৰ যেন মৰ্ত্ত্যৰ মানৱৰ বাবে কাহানিও নহয়। সকলোবোৰ যেন এটা কবিৰ জীৱনৰ অমঙ্গলীয়া সপোন। সপোনক কোনোদিনে বিশ্বাস নকৰাৰ দৰে অতীতৰ সকলো ঘটনাকে বিশ্বাস কৰা মহা ভুল—

"অতিতক এতিয়াই    পাহৰি পেলোৱা সখী
    নাই তাত অশ্ৰুজল, নাই কীৰ্ত্তিযশ,
শ্যামল বসুধা আজি    সেয়ে হব কালিলই
    উত্তপ্ত জলন্ত প্ৰায় বলুকা নীৰস।"

পাপৰিৰ দৰে "স্বপ্নভঙ্গ" গগৈৰ একে সুৰৰে কবিতা কবিৰ পাপৰিৰ স্বপ্ন যেন হঠাতে ভঙ্গ হৈ ৰূপ ললে— "স্বপ্নভঙ্গত। সেয়েহে স্বপ্ন ভঙ্গ নিবেদনত বেদনা প্ৰসূত হিয়াৰ অতৃপ্ত কামনাৰ বাসনাৰ কান্দোনৰ সুৰ আমাৰ কাণত বাজি উঠে=

—নসৰিল চকুপানী সৰোতে 'পাপৰি"
আজি এটা কন্তেকীয়া অলিক সপোন
মাজনিশা নুবুজিলো ধাৰাসাৰে বোৱা
ৰাখিছিলে চকুপানী গোপন গোপনে।

( লিখকৰ নিবেদন )

পানীত পৰি ককবকাই উঠি বাছি থকাৰ অনন্ত ক্ষুধাৰ সপোন যেতিয়া চুৰমাৰ হৈ পুণৰাই অথাই পানীৰ মাজত সোমাই ডুবি যায় থিক তেনেদৰে নতুন সংসাৰ, নতুন জীৱন নতুন মায়াপুৰি কবিৰ সপোনৰ কল্পনা মাথোন। নিয়তিৰ অভিশাপত যেন কবি তেওঁৰ প্ৰিয়াৰ এশাৰি মিঠা মাতৰ পৰা বঞ্চিত। প্ৰিয়া মিলনৰ নিৰাশাত কবিয়ে চকুলোৰ মালা গাথিছে—

ময়ো সাজিছিলো মৌ চাক সখি
    ময়ো ৰচিছিলো সপোন সুৰ।
সেই সপোনৰ বিৰাট মেলাৰ
    অনন্ত লীলাৰ পৰিলে ওৰ।

তথাপি কবিৰ হিয়াৰ গোপন ৰাতৰি লিপিকাৰে প্ৰকাশ কৰিছে সত্য সুন্দৰৰ ৰূপ। জীৱনৰ গভীৰ সমস্যাৰ যেন সমিধান কবিৰ মুখে মুখে—

নাথাকে যদিহে মনৰ মাজত
    ভকতি ৰসৰ বিমল ধাৰ—
কি হব যাচিলে দেৱী দেৱতাক
    ফুল তুলসীৰ সুৰভি হাৰ?

"প্ৰেম"ৰ সূত্ৰ গগৈয়ে বৰ সহজ ভাবে দি গৈছে—

"প্ৰেমে নিবিচাৰে বিৰহ মিলন
    বিচাৰে মাথোন বুকুৰ সুৰ
প্ৰেমৰ আগত জগত থনেই
    যাউতি যুগীয়া অলকাপুৰ।"

গগৈৰ "ৰূপজ্যোতি"ত প্ৰেমমূলক কৱিতা কেইটামানহে আছে এই কবিতা কেইটীও কবিৰ ব্যৰ্থ প্ৰেমৰ উপলব্ধি বুলিব পাৰি। প্ৰেয়সীৰ মানস প্ৰতিমাৰ বাবে আপেক্ষিত কবিয়ে-যেতিয়া দেখিলে তেওঁৰ প্ৰিয়া কবিৰ পৰা বহুত আঁতৰত তেতিয়াই তেওঁৰ মধুসনা সপোনৰ অন্ত পৰিল? ব্যৰ্থতাৰ হুমুনিয়াহে কবিৰ অন্তৰৰ তপ্ত ভাৱৰাশিক ব্যক্ত কৰিছে "ব্যৰ্থ পথিক" কবিতাত—

আজি মোৰ জীৱনৰ
মধুসনা সপোনৰ
শেষ হল সুমধুৰ তান।

প্ৰিয়া বিচ্ছেদৰ যি বেদনা তাক প্ৰকাশ কৰা বৰ সহজ নহয়–। এনে উপলব্ধি গগৈৰ জীৱনত প্ৰত্যক্ষ ভাৱে দেখিব পাওঁ – 'স্বপ্ন' কবিতাত কবিয়ে কৈছে—

"মৰতৰ মানবীৰ যিদিনা মৰন হয়—
সেইদিনা বুজে সখা প্ৰণয়ৰ মোল
পুৰুষৰ পৰানেওঁ সেইদিনা বাজি উঠে
সতীক নুবুজি হায় হেৰুৱালো কুল।"

নিষ্ঠুৰ নিয়তিৰ অভিশাপত কবিয়ে ক্ষয় ৰোগত আক্ৰান্ত হৈ তিল তিল কৈ নিজকে শেষ কৰি জীৱনৰ ব্যৰ্থতাৰ কথাকে সুৱৰিছে। কবিৰ সুস্থ অৱস্থাত সপোন বা দিথকতে তেওঁক প্ৰিয়াই ধৰা দিয়া নাই— ধৰা দিছে— শেষ শয্যাত যেতিয়া কবিয়ে মাথোন ক্ষণ গণি আছিল। কিন্তু— সেয়া যেন মাৰ যাব ধৰা বেলিৰ হেঙুলিয়া ৰেঙনিহে—। প্ৰিয়াক দেখি তেওঁৰ অভিমানী অন্তৰত শোক দুগুণে উঠলি উঠিল—

"হেমন্তৰ হিমে ধোৱা লাজুকী ওঁৰণি টানি
আহিলা আজিনো তুমি কাক চাবলই
জীৱন প্ৰদীপ মোৰ এই মাৰ যায় যায়
নাই আৰু বেচি পৰ শেষ হবলই।"

কিন্তু কবিয়ে শেষ সময়ত তেওঁৰ প্ৰিয়াক দেখি হেজাৰ বিনিদ্ৰ নিশাৰ অভিশপ্ত জীৱনৰ কথা শুনাইছে—

কত দিন কত ৰাতি অভিশপ্ত জীৱনৰ
মৰন মঙ্গল বুলি আছিলো আহ্বানি
ভাবিছিলো নবজন্ম এটা মহা অভিশাপ
জীৱন বিহেৰে ভৰা মাথো ক্লেশ গ্লানি।

প্ৰিয়াক দুখ দি কবিৰ হিয়াই হাঁহাকাৰ কৰি উঠিছে তেওঁ প্ৰিয়াৰ চকুপানী যেন অসহনীয়—

"নেকান্দিবা প্ৰিয়ে মোৰ জীৱন ৰহস্য ঘোৰ
পলকতে ছিগে ডোল মায়া মমতাৰ
ভাবি চোৱা ভালকই কিহৰ সম্বন্ধ ঐ
তুমিতো নোহোৱা মোৰময়োকি তোমাৰ।"

প্ৰিয়াৰ পুনৰাগমণে গগৈৰ হেৰুৱা জীৱনৰ সুৰ উদ্ধাৰ কৰিলে যদিও সি কোনোমতে প্ৰাণ বন্ত হৈ নুঠিল। সময় কাহানিবাই অতীত হৈ পৰিল— সেয়েহে প্ৰিয়াক কবিয়ে পায়ো নোপোৱাৰ ঠাচেৰে সুধিছে—

এই ভূল আগেয়েনো নেভাঙিলা কিয় দেৱী
আজিতো সময় নাই বৰ বেলি হ'ল—
আছে বাকী মুখাগ্নি আছে বাকী পিণ্ডদান
আছে মাথো শতকৰে হাঁহিবৰ থল।"

শেষ শয্যাত প্ৰিয়া দৰশনে কবিৰ জীৱনৰ সাৰ্থকতা বুলি ভাবিছে—

"আজি জন্ম মৰণৰ সন্ধিয়া বেলিকা আহি
অলকাৰ দেৱবালা ভাঙিলাহি ভুল
বুজিলো জগতখন মনোৰমা পুষ্পোদ্যান
মানৱ জীৱন এটি স্থুল পদ্ম ফুল—।"

তথাপি নিয়তিৰ আহ্বানক সাৱতি লব লাগিব কাৰো সুখ দুখ হাঁহি কান্দোন মৃত্যু লক্ষ নহয় সেয়েহে মৃত্যুমুখি কবিয়ে মিলন পুৰি স্বৰ্গতে লগ পাবলৈ— মানস কৰি বিদায় মাগিছে—

নকৰিবা প্ৰিয়ে শোক আছে যদি পৰলোক
বিনাশ নহয় যদি অবিনাশি প্ৰাণ—
আজিৰ চেনেহ স্মৃতি নেযায় এনেয়ে উটি
তোমাৰ প্ৰেমৰ প্ৰিয়ে পাবা প্ৰতিদান

অভিমানি কবিৰ অন্তৰৰ ক্ষোভ অভিমান বেদনা সকলো প্ৰিয়াৰ চকুপানীয়ে ধুই নিয়ে। মৃত্যুৰ আগেয়ে তেওঁৰ প্ৰিয়াৰ মনৰ সুখৰ ৰেঙণি চতিয়াই দিলেহে তেওঁৰ মহান কৰ্ত্তব্য পালন কৰা হব। কবিয়ে তেওঁৰ প্ৰিয়াক অকণো দোষ দিব খোজা নাই সকলো যেন নিয়তিয়ে কৰিছে —কবি হঠাতে অদৃষ্টবাদী হৈ পৰিছে —

"প্ৰাণৰ প্ৰতিমা মোৰ কান্দিছা, কান্দিলে বাৰু
পাৰিবানে প্ৰিয়া মোক আনিব ঘূৰাই—
নিয়তিৰ নিয়মত পাৰে কোনে বাধা দিব—
জনমৰ লগে লগে মৃত্যু আহে আহে যায়

কবিৰ আৰু কবিতা লিখাৰ অনুপ্ৰেৰণা নাই- কীয়া হৈ গ'ল— কবিতাৰ শেষ মালাধাৰীৰ ফুলকেইটা গগৈৰ মনত শেষত কলিহে হ'ল। ব্যৰ্থ প্ৰেমীক এইজনা কবিয়ে— জীৱনত পালে কিছুমান পোৱা ছাই— আৰু পালে কিছুমান অব্যক্ত বেদনা যাৰ সমিধান কোনো দিনেই নাপালে। শয্যাশালী কবি গগৈৰ জীৱনত তেওঁৰ প্ৰিয়ালৈ দিবলৈ একোৰেই বাকী নাথাকিল— অৱশিষ্ট কলিজাৰ ৰঙাতেজৰ কনিকাকে অঙ্কিত কৰি গ'ল— কেইটিমান অমূল্য কবিতাৰে বিৰহী হিয়াৰ সান্তনাৰ চিন স্বৰূপে—।

শেষত কবি গগৈয়ে— বহুত আক্ষেপেৰে বহুত অভিমানেৰে আৰু বহুত তিক্ততাৰে জীৱনৰ পৰিণতিলৈ লক্ষ কৰি অনুশোচনা কৰিছে নোপোৱাৰ বেদনাত কাহানিও নহয়— পায়ো হেৰুৱাৰ বেদনাতহে—

"নাজানিলো আই ঐ মৰমে দহিব বুলি
চেনেহেওঁ হানে শেল বুকু ভেদি যায়
"ভাল পাওঁ" বুলি কই তেজ যদি পিব পাৰে
তেনেকুৱা ভাল পোৱা কেইজনে পায়?

গৌৰী প্ৰভা কলিতা
৩য় বাৰ্ষিক [ক'লা]

# পুৰাৰ সূৰুয

গোবিন্দ ৰাম ডেকা
৩য় বাৰ্ষিক

লাজুকী বেশেৰে উঠিল আজলী
মিচিকীয়া হাঁহি মাৰি ;
ডাৱৰৰ মাজেৰে ভুমুকি মাৰিলে
যেন শুৱনী নাৰী ।
লগৰ সখীয়াতি চৰাই-চিৰিকতি
ৰংমনে দিলে উৰুলি ;
পুৱতী তৰায়ে মাগিলে বিদায়
আঁতৰি গ'ল গধুলী ।
গধুলীৰ পিছতে পুৱতী আহিলে
আহিলে দিনৰে বেলি ;
নিচেই চালুকিয়া দেখোতে ধুনীয়া
যেন গোলাপৰ কলি ।
সোণালী বহনে আগুৰিলে ধৰা
গহীন গম্ভীৰ মুখ ;
সকলো প্ৰাণীৰে হৰি নিলে মন
দুখীয়াৰ গুছিল দুখ ।
সংসাৰৰ মায়া মোহ নোৱাৰে বুজিব
মন অতি কুমলীয়া
হিংসা-দুখ-ক্লেশ অলপো নেজানে
নিখুত উদাৰ হিয়া,
কোমল হিয়াৰে থাকিবৰ মনে
আবিৰ্ভাৱ হল পৃথিবীত ;
পাষণ্ড মানৱৰ পৈশাচিক স্বভাবে
কালিমা সানিলে মনত ।
ক্ষন্তেক পিচতে ৰাক্ষসী বেশেৰে
আৱৰি ধৰিলে ধৰা ;
নিষ্ঠুৰ মানৱৰ সকলো সম্পদ
কাঢ়িলে হাতৰ পৰা ।





"..................আৰু অলপ পিছতে মই শেষ হৈ যাম.......। ৰণজিৎ দা মোৰ কিয় বাৰু এনে হবলৈ পালে। ইয়াৰ বাবে দায়ী কোন! মই নে? আন কোনোবা? হয়তো আপোনালোক। আপোনালোকৰ সমাজৰ কপট চাতুৰিয়ে মোক কন্দুৱালে।"

# ধূপ নীৰৱে জ্বলে

জয়শ্ৰী আজি আৰু বৰুৱাৰ ছোৱালী হৈ থকা নাই। তেওঁ আজি বিবাহিত মৃন্ময় চৌধুৰীৰ পত্নী। মুকুল বাবুৰ ঘৰ বোৱাৰী। দেউতাক প্ৰকাশ বৰুৱা কুৰি শতিকাৰ এজন ন-লিখাৰু হিচাবে সকলোৰে বেচ পৰিচিত। জয়শ্ৰীও আছিল আধুনিকতাৰ বোল নলগা এজনী জ্ঞানী ছোৱালী। বেছি শিক্ষা তেওঁৰ নাছিল। তথাপি আনৰ দুখ বুজিব পৰা এখন কোমল অন্তৰ তেওঁৰ আছিল। যেতিয়াৰে পৰা সহজ সৰল জয়শ্ৰী সকলোৰে চিনাকি মৰমৰ। ওপৰ মহলাৰ কেবাটাও অৰ্হতা মৃন্ময় চৌধুৰীৰ আছিল। মুঠতে শিক্ষিত, সন্মানী ব্যক্তি, সমাজ কৰ্ম্মী। সমগ্ৰত স্থানীয় উন্নয়ন খণ্ডত সামাজিক বিভাগৰ এটি কামলৈ জীয়াই থকাৰ দায়িত্ববোধ কৰিছিল মৃন্ময় চৌধুৰীয়ে। ইফালে স্থানীয় মহিলা সমিতিত সভা নেত্ৰী হিচাবে তালিকাভুক্ত হল জয়শ্ৰীৰ নামটো। বৰুৱাৰ ছোৱালী হিচাবে এই কণ সুবিধা লাভ কৰিলে জয়শ্ৰীয়ে।

জয়শ্ৰী; চৌধুৰীৰ মৰমী পত্নী। কিন্তু দায়িত্ব তেওঁৰ আজি বহুত। তেওঁ বৰুৱা ঘৰৰ ছোৱালী। আনৰ নহয়। ডিগ্ৰী নহলেও জয়শ্ৰীৰ এটা ভাল আদৰ্শ আছে। তেওঁ দুই কুলৰ হিত সাধিব। এফালে দেউতাকৰ ঘৰৰ আৰু আনফালে স্বামীৰ। এয়া আছিল জয়শ্ৰীৰ দৃঢ় মনৰ পৰিচয়। সভানেত্ৰী হৈ সন্মানৰ আসনত তেওঁ বহিব। এই আশা হয়তো নাছিল। চৰকাৰৰ ওচৰত দাবী জনাই কেইটামান টকা আনি এখন মহিলা সমিতিৰ কাৰ্য্যালয় স্থাপন কৰিলে। এখন বালিকা স্কুল স্থাপন কৰিলে। আনহাতে এখন বয়ন শিল্প প্ৰতিষ্ঠানৰ আচৰি হাতত ললে। বেছি নহলেও কিছু কামত জয়শ্ৰী ফলৱতী হ'ল। চৰকাৰী সাহায্যপ্ৰাপ্ত মহিলা সমিতি হিচাবে তেওঁলোকে স্বীকৃতি লাভ কৰিলে। ভবিষ্যতে আৰু কিবা কিবি পোৱাৰ আশাই তেওঁলোকক উৎসাহিত কৰিলে। জয়শ্ৰীৰ অনুগ্ৰহত তেওঁলোকে এটি নতুন প্ৰেৰণা লাভ কৰিলে। পিচ পৰা ঠাইত এখন নতুন মহিলা সমিতি গঠন হল। আনন্দ পালে ৰাইজে। বাতৰি কাকতত ডাঙৰ ডাঙৰ আখৰেৰে প্ৰকাশ হল জয়শ্ৰীৰ নামটো সভানেত্ৰী হিচাবে। কম দিনৰ ভিতৰতে জয়শ্ৰী সকলোৰে পৰিচিতা হৈ পৰিল।

ইফালে দুই এটি প্ৰৱন্ধ আলোচনীৰ পাতত প্ৰকাশ পালে মৃন্ময় চৌধুৰীৰ। সমাজৰ কামৰ মাজেদি আগবাঢ়িল জয়শ্ৰী আৰু চৌধুৰী। জয়শ্ৰীৰ ৰঙিন মনটো আৰু মধুৰ হৈ উঠিল। মৃন্ময় চৌধুৰীয়ে ইটো সিটো বহু কথা কৈ যায় জয়শ্ৰীৰ আগত। চৌধুৰীৰ বিগত দিনবোৰৰ কথা শুনি নীৰৱ হৈ যায় জয়শ্ৰী। জয়শ্ৰীক লৈ যে চৌধুৰীয়ে কিবা এটা নতুন সপোন ৰচনা কৰিব এনে এটি চিন্তা জয়শ্ৰীৰ মুখমণ্ডলত ভাহি উঠিল। মুখত এটি মিচিকীয়া হাঁহি লৈ জয়শ্ৰীয়ে সকলো কথাৰ উত্তৰ দি যায়। মৃন্ময় আৰু জয়শ্ৰী। দুয়ো যেন মনেৰে ভবা কথাবোৰ বাস্তৱত ৰূপায়িত কৰি এখন উজ্জ্বল ভৱিষ্যত গঠন কৰিব, তাৰে এটা আশাই তেওঁলোকক বাৰুকৈয়ে সান্তনা দিছে। এইদৰে দাম্পত্য জীৱনৰ লানি নিচিগা দিনবোৰ পাৰ হবলৈ ধৰিলে। পঞ্জিকাৰ পাতত দিনবোৰ শেষ হৈ গৈ আছে। সিহঁতৰ আপোন মনে গঢ়া পৃথিৱীখন আৰু সেউজীয়া হৈ পৰিছে। পূৱ আকাশৰ সুৰুযটো আৰু ৰঙিন হৈ পৰিছে। জয়শ্ৰীয়ে তেতিয়া আৰাধনাৰ বেদীত আশাৰ ফুল ছতিয়াইছে। ফুটো-নুফুটো হোৱা শেৱালী জোপাই সিহঁতৰ মনত এটি নতুন আশাৰ সঞ্চাৰ তুলিলে। দুদিন পিছতে শেৱালি ফুলি জক্মক হব। আৰু জয়শ্ৰী হব মাতৃ।

তিনি বছৰৰ পিচত ৰণজিৎ সিহঁতৰ ঘৰলৈ আহিল আলাসৰ লাডু হৈ। জয়শ্ৰী ৰণজিতৰ মাতৃ হ'ল। চৌধুৰীয়ে প্ৰাণৰ পুতলা ৰণজিতৰ পিতৃ হবলৈ পাই সৰগ চুকি পোৱা যেন পালে। সফল হ'ল বহুদিনৰ আৰাধনা তেওঁলোকৰ। সচাকৈয়ে ভাগ্যবান ভাগ্যৱতী দুয়ো। ৰণজিতক লৈয়ে সিহঁতে কল্পনাৰ ৰাজ্যত উটি ভাহি ফুৰে বহু আশা বুকুত কঢ়িয়াই লৈ। লেখিব পৰা কেইটামান টকাৰে চলে চৌধুৰীৰ ঘৰখন। পমি নামৰ কেচুৱাজনীক লৈ সিহঁতৰ চাৰিজনীয়া পৰিয়াল খন। মৰমতে পমি বুলি মাতা ৰুমীজনী সিহঁতৰ চতুৰ্থ সংখ্যাত পৰা একমাত্ৰ ছোৱালী। ৰুমী সৰুৰে পৰা আহিল দাবী কৰি মৰম আদায় কৰা বিধৰ ছোৱালী। অকণমান ৰুমীজনী ডাঙৰ হবলৈ ধৰিলে। ৰণজিৎ আৰু ৰুমী। ভাই-ভনী। দুবছৰ পিছত জন্মগ্ৰহণ কৰা ৰুমী মাক-দেউতাকৰেই নহয় ৰণজিতৰো মৰমৰ ভনী। সুখী হৈছিল সিহঁত। নীল আকাশৰ জোনটি আৰু উজ্বল হৈ পৰিছিল তেতিয়া। ৰণজিৎ তেতিয়া কলেজৰ শেষ শ্ৰেণীৰ ছাত্ৰ। আৰু ৰুমী কলেজৰ প্ৰথম বাৰ্ষিকত পঢ়িছিল। চৌধুৰীৰ ৰণজিতক এটি মানুহ হিচাপে গঢ়ি তোলাৰ আশা আছিল। ৰুমীয়ে যৌৱনৰ দেওনা গচকিলে। তাই গাভৰু হ'ল। সমাজৰ কামত চৌধুৰীৰ এটা সুনাম গঢ়ি উঠিল। বাৰুকৈয়ে সমাজৰ কামত প্ৰশংসা লাভ কৰিলে। চৌধুৰী আৰু জয়শ্ৰী। সকলোৰে চিনাকি তেওঁলোকৰ পৰিয়ালটো। সভানেত্ৰী হোৱাৰে পৰা জয়শ্ৰীৰ ঘনিষ্ঠতা নিবিড় ভাবে সকলোৰে সৈতে গঢ়ি উঠিছিল। বিবাহিত জীৱনটোত যে মাদকতা অধিক সেই কথা তেওঁ পৰিস্কাৰকৈ বুজি পালে। ৰণজিৎ আৰু ৰুমীৰ মৰমীয়াল মাক জয়শ্ৰী। ৰুমীৰ



'মা' 'মা' বোলা মাতটোত যেন এটি মাদকতা আছে, তাক অনুভৱ কৰে জয়শ্ৰীয়ে। জয়শ্ৰী আছিল এগৰাকী আদৰ্শ মাতৃ।

হঠাৎ এটি মটৰ দুৰ্ঘটনাৰ খবৰ ওলাল। সমাজৰ কোনো কামৰ বাবে গুৱাহাটীলৈ যোৱা মৃন্ময় চৌধুৰীয়ে বেয়া ভাৱে আহত হল। ৰাইজৰ পূজাৰী, ৰুমী আৰু ৰণজিতৰ ভবিষ্যত গঢ়োতা চৌধুৰী চিৰদিনৰ বাবে সিহঁতক কন্দুৱাই গুচি গ'ল। সৰগ ভাগি পৰিল জয়শ্ৰীৰ। ৰণজিতৰ। চৌধুৰী আৰু নাই। অকল শৰীয়া হ'ল সিহঁত। নিয়তি জয়শ্ৰীৰ বাবে নিষ্ঠুৰ। জয়শ্ৰীৰ কল্পনা, কল্পনা হৈয়ে ৰল। বহু চেষ্টা কৰিও আশাৰ কুসুম ফুটাই তুলিব নোৱাৰিলে। এটুপি চকুলো ৰণজিতৰ বাগৰি যায়। ব্যৰ্থতাই তাক ভাগৰুৱা কৰিলে। সচাকৈয়ে সি পিতৃহাৰা সন্তান। দেউতাকৰ এবুকু মৰমে তাক আজি কন্দুৱালে। কান্দি কান্দি জানো দেউতাকক ঘুৰাই আনিব পাৰিব? নোৱাৰে।

ভগবানৰ ওচৰত আৰু আক্ষেপ কৰি লাভ নাই। শাস্ত্বনা লভিলে জয়শ্ৰীয়ে। এটি নতুন সপোন ৰচনা কৰিব তেওঁ। ভাগ্য দেৱতাক সাক্ষী কৰি জীৱনৰ প্ৰদীপ জ্বলালে ৰণজিতে। দুখৰ পিচত অকণমান ধৈৰ্য্য ধৰি ৰণজিতে আৰম্ভ কৰিলে অধ্যায়ন। দেউতাকৰ নাম স্মৰণ কৰি গ'ল— সুদূৰত থকা মহানগৰী গুৱাহাটীলৈ। মনৰ আশাই ৰণজিতক হেৰোৱা উদ্যম ফিৰাই দিলে। আজি সি ছাত্ৰ বিশ্ববিদ্যালয়ৰ। এম. এ. এদিন পাছ কৰিব। এয়ে তাৰ ইচ্ছা।

এইদৰে চলি যায় ৰণজিতৰ বঠা নোহোৱা জীৱন নৈত নাওখন। ৰুমীয়ে আৰু এবছৰ পিছত শেষ পৰীক্ষা দিব কলেজৰ। ঘৰখনত জয়শ্ৰী অকলশৰীয়া হৈ পৰে। মনে মনে জয়শ্ৰীয়ে ভাবে— আৰু দুটা বছৰ জীয়াই থাকিলে চৌধুৰীয়ে ৰণজিতক নিশ্চয় ডাঙৰ মানুহ কৰিব পাৰিলেহেঁতেন। এনেতে ৰুমীৰ মাতৰ শব্দই আগচোতালত বিয়পি পৰে। মাকৰ বুকুত এটি ভাবিব নোৱাৰা দুখ দেখি ৰুমী থমকি ৰয়। হয়তো দেউতাকলৈ মাকৰ মনত কৰিছে। ৰুমীজনী ক্লান্ত হৈ পৰিছিল তেতিয়া। খপ্ জপ্‌কৈ জয়শ্ৰী আগবাঢ়ি গ'ল কিবা অলপ খাবৰ দিহা কৰিবলৈ। ৰুমীয়ে অলপ কিছু খাই ককায়েকৰ চিঠিখন মাকক দিলে। বহুদিনৰ মুৰত ৰণজিতৰ এইখন ঘৰলৈ পঠিওৱা চিঠি। মাকলৈ লিখিলে 'মই পাছ কৰিলো, চাকৰি পালো'।

যন্ত্ৰৰ দৰে থিয় হৈ থকা মাকৰ মুখলৈ চাই ৰুমীয়ে এটা হাঁহি মাৰে। ৰুমীৰ হাঁহিসনা মুখখন দেখি মাকৰ ভাল লাগে। ৰুমীয়ে হাঁহিছিল ককায়েকে এটি চাকৰি পোৱাৰ বাবে। মাকৰ একমাত্ৰ সন্তান ৰণজিত। এইখন ঘৰৰ ভবিষ্যত নিৰ্ভৰ কৰিব তাৰ ওপৰত। এদিনৰ ৰুমীজনী আজি ডাঙৰ ছোৱালী হৈ পৰিল। গাঁৱৰ সম্ভ্ৰান্ত কোনো এজন মানুহৰ লগত ৰুমীজনীৰ বিয়া সাজিলে। এটা চিন্তাৰ পৰা ৰণজিৎ মুক্ত হ'ল। মুকুল চহৰীয়া জয়শ্ৰীৰ জোৱাই হ'ল।

হেমন্ত হাজৰিকাৰ ভনী বৃন্দা অতীতৰে পৰা চিনাকি ৰণজিতৰ। হেমন্ত ৰঞ্জিতৰ বন্ধু আছিল

বাবেই বৃন্দাৰ লগত বেচ্ সম্বন্ধ ৰণজিতৰ। বৃন্দাই ৰণজিতক ভাল পাবলৈ শিকে। একেলগে গান গোৱাৰে পৰা। হেমন্ত আছিল এটকাৰ ঠাইত এশ টকা খৰছ কৰিব পৰা ঘৰৰ ল'ৰা। সেই বুলি হেমন্ত ৰণজিতৰ গুৰি ধৰোতা নহয়। বিশ্ববিদ্যালয়ৰ বাটত বৃন্দা হৈ পৰিছিল ৰণজিতৰ বন্ধু। মানে বৃন্দাই ৰণজিতক হাতৰ মুঠিত ৰাখিবলৈ চেষ্টা কৰিলে। বৃন্দাৰ নিচিনা এজনী ধনী মানুহৰ ছোৱালী ৰণজিতৰ কাৰণে হব নোৱাৰে। অথচ বৃন্দা ধুনীয়া— দেখনিয়াৰ। এজনী মৰম লগা আধুনিকা। বৃন্দাৰ চকুৰ চাৱনিয়ে ৰণজিতক সকলো পাহৰাই দিছিল। বৃন্দা আৰু ৰণজিত। এদিন সকলোবোৰ কথা জয়শ্ৰীৰ কাণত পৰিল। কমীয়ে মাকৰ কথামতে এদিন লিখিলে ৰণজিতলৈ যে বৃন্দা নামৰ ছোৱালীজনী এটি সাঁথৰ। পুৰুষৰ খেলৰ সামগ্ৰী।

চিঠিখন পঢ়ি ৰণজিতে ভাজতে ভাজ মিলাই জাপি থয়। বৃন্দাক লৈ চিঠিৰ সামৰণি পৰিছে। বহুত কথাই তাক আঘাট কৰিছে। তাৰ মনলৈ আহে চিঠিৰ দুই এটি কথা। মাকে কৈছে— তাইৰ লগত হলি-গলি নকৰিবি আৰু লিখিছে ভাল ছোৱালী হলেই ধুনীয়া নহয়। বৃন্দাক তাৰ মাকেও চিনি পায়। ৰণজিতৰ লাজ লাগিল। ছোৱালীৰ কথা মাকক সি কোনোদিনে কোৱা নাছিল। আজি তাৰ সকলো জানে। তাৰ মনত পৰিছিল গোপন অন্তৰত সাঁচি থোৱা কথা এটা এটাকৈ কৈ যোৱা বৃন্দাৰ। বহুদিনে ৰণজিতৰ পৰা চিঠি পোৱা নাই। বেছি আক্ষেপ তাতে। বৃন্দাৰ কথাবোৰ যেন ৰণজিতৰ ভাল লগা নাই। বৃন্দাই তাৰ অন্যমনস্ক ভাৱ বুজিব পাৰি এটি যেন প্ৰশ্ন কৰিব খুজিছিল …।

আবেলি পৰত ৰণজিৎ ওলাই যায় মহানগৰীৰ পিনে। নগৰতে সাজি লোৱা মিচ্ ফাতিমা তাৰ কলেজীয়া বান্ধৱী। বহুদিনৰ মূৰত ফাতিমাহঁতৰ ঘৰলৈ যোৱাৰ নিমন্ত্ৰণ আহিছে ৰণজিতলৈ। নিমন্ত্ৰণ ছোৱালীৰ। ফাতিমাৰ। ভৰলুমুখৰ কোণোৰ এটি অকাই পকাই যোৱা ৰাস্তাৰ দাতিত ফাতিমাৰ ঘৰ। ৰণজিতৰ অপেক্ষাত মিচ ফাতিমা পদুলি মুখত ৰৈ আছিল। ফাতিমাহঁতৰ ঘৰখন তাৰ আজিন–কৈ চিনাকি। ৰণজিতে ড্ৰইং ৰুমত বহি এবাৰ চাৰিও পিনে চকু ফুৰালে। বেচ আধুনিকতাৰে সঁজা ড্ৰইং ৰুমটো। আচিব আগত নিজকে সজাই পৰাই লোৱাত ফাতিমা তেতিয়া ব্যস্ত। মেখেলা চাদৰ পিন্ধা মিচ ফাতিমা সিদিনা ৰণজিতৰ এজনী অপৰিচিতা যেন লাগিছিল। হাতত বটাটো লৈ মিচ ফাতিমা ৰণজিতৰ ওচৰলৈ আহিল। মুখত এটি কদমফুলীয়া হাঁহিৰে ৰণজিতক কিবাকিবি সুধি যায় মিচ ফাতেমাই। তিনি বছৰ থকাৰ পিছত সকলো চিনাকি হৈছিল ৰণজিতৰ। ফাতেমাহঁতৰ লগত পৰিচয় নথকা এই গলিটো তাৰ পুৰণি চিনাকি। লাহেকৈ বৃন্দাৰ খবৰ সুধি মিচ ফাতেমাই একাপ চাহ দি কয়— বৃন্দাৰ দৰে হোৱা নাই দেই। আবেগ ভৰা প্ৰাণৰ মাজত মিচ ফাতেমাই ৰণজিতৰ কথাক ঠাই দিয়ে। ৰণজিতে দুই হাত তুলি মিচ ফাতিমাৰ শলাগ জনাই বিদায় ললে। ভদ্ৰতাৰে পৰিপূৰ্ণ ঘৰখনত চিনাকি হৈ ৰণজিতৰ ভাল লাগি যায়। এইদৰে তাৰ পাৰ হবলৈ ধৰে দিনৰ পিছত দিনবোৰ। হঠাৎ ৰণজিতৰ ট্ৰেন্সফ'ৰ অৰ্ডাৰ আহিল। গুৱাহাটী এৰি তেজপুৰলৈ গ'ল ৰণজিত। চাকৰিত নতুনকৈ জইন কৰি নতুন উদ্যমেৰে তেজপুৰত থাকিবলৈ ললে ৰণজিতে।

চিনাকি চিনাকি আখৰৰ চিঠি এখন পাই ৰণজিতৰ হাতখন আচম্বিতে কপি উঠে। যেন কিবা এক বোবা বেদনাই ৰণজিতক নিশ্চুপ কৰিছিল। ভয়ে ভয়ে চিঠিখন খুলি ৰণজিতে উৎকণ্ঠাৰে চিঠিখন পঢ়িবলৈ ধৰিলে।

"মৰমৰ ৰণজিতদা,"

"আৰম্ভনিতে মৰম যাচিলোঁ। লব। মোৰ এই ভিতা–কেঁহা লগা দুই এটা কথা লিখিম বুলি কলম তুলি ধৰিলোঁ। আঁশা কৰো কোনো সংকোচ নকৰি মোৰ এই নীৰস নীৰস লগা চিঠিখন এবাৰ পঢ়ি চায়। বহু দিনৰ মূৰত বৃন্দাই আপোনালৈ মনত পেলাই এখন চিঠি শেষবাৰৰ কাৰণে লিখিলে। কাৰণ মোৰ দৰদী অন্তৰত সোমোৱা প্ৰথম মানুহজন হ'ল আপুনি। মানে মোৰ মৰমখিনি আপোনাৰ ওচৰত উজাৰি দিছিলোঁ। সেয়ে শেষবাৰৰ বাবে সুঁৱৰিছো— দোষ নধৰিব। মোক আপুনি বহু খং কৰিছিল। আপোনাৰ খং মোৰ বেচি মৰমৰ হৈ থাকিব। ৰণজিতদা আৰু দুদিনৰ পিচত আপোনাৰ ওচৰলৈ ৰূপহী নীৰু বাইদেউ জনী আহিব। সুখী হওঁক ৰণজিৎদা। মোৰ খবৰ দিবলৈ একো নাই। সকলো শেষ। হুমুনিয়াহ আৰু ব্যৰ্থতাৰে ভৰা মোৰ এই জীৱনটো। কি কৰিম উপায় নাই। হতভাগিনী আজি মই। পৃথিৱী ঘুৰিছে; কিন্তু মোৰ ভাগ্য নুঘুৰিল। আৰু মই বৃন্দা হৈ থকা নাই। নাম নোহোৱা কিবা এটা বস্তু হৈ গৈছো। এতিয়া মই বেয়া হলো। পঙ্কিলতাৰ অটল গৰ্ভত মই সোমাই পৰিছো। সমাজৰ চকুত হেয় হৈ পৰিছো। মোৰ কথাত আপোনাৰ ঘৃণা ওপজিব। লাজ লাগিব। তথাপি সকলো কৈ শেষ কৰিম। গুপ্ত বেদনাৰ কথা কবলৈ আজি আৰু লাজ নেলাগে। আপোনাক কৈ কৈ মনটো কিছু পাতল পেলাম। আপুনি অকল দাদাৰ বন্ধুই নাছিল। মোৰো এজন চিনাকি মানুহ। এদিন আপোনাক মৰম যাচিছিলো। কিন্তু আপুনি দাদাৰ দুখীয়া বন্ধু আছিল। সেয়ে আপোনাক পাহৰি গলো। মানে আপোনাক মোৰ পৰা বিদায় দিলো। তাৰ বাবে ক্ষমা কৰে যেন। ইয়াৰ পিছৰ পৰাই মোৰ আৰম্ভ হ'ল এই ইতিহাস। প্ৰৱেশিকা পাছ কৰি কলেজত পঢ়িবৰ নহল। দাদাই প্ৰমোচন লৈ বহুদূৰ গ'লগৈ। ঘৰত থাকিলো মা আৰু মই! নিজমতে ঘুৰি ফুৰিলো। এনেকৈ মোৰ বাহিৰা জগতখন চিনাকি হৈ পৰিল। শেষত মাই মোৰ ওপৰত নজৰ নিদিয়া হল। তেতিয়া মই হৈ গলো মুকলি আকাশৰ চৰাই। খোলা মনৰ ছোৱালী মই আছিলো—। গান গাওঁ। সকলোৰে সতে মোৰ বন্ধুত্ব। মোৰ গাভৰু দেহটো আনে বেলেগ ধৰণে ললে। অৰ্থাৎ কিছুমান ডেকাই মোৰ এই মৰম লগা কোমল দেহটো খেলৰ সামগ্ৰী কৰি ললে। যৌৱনৰ শাসন নমনা

মই সিহঁতৰ হাতৰ পুতলা হৈ গলো। ৰূপে মোৰ ওপৰত প্ৰতিশোধ ললে। দিনৰ পিচত ৰাতি। আজি মাতৃ হলো। পিতৃ পৰিচয় নথকা সন্তানৰ মাক মই। মানে জাৰজ সন্তানৰ মাক হলো। মোৰ স্থান সমাজৰ বাহিৰত। মই অৱহেলিতা। পদদলিতা। মোৰ কথা শুনি আপোনাৰ হয়তো ঘৃণা উপজিব। অথবা মোৰ ওপৰত কৰা অত্যাচাৰৰ বাবে আপোনাৰ দুখ লাগিব। দুখ কৰি লাভ নাই ৰণজিতদা। মোক বচাবলৈ আপুনি চেষ্টা নকৰিব। কিন্তু মই যে আৰু নাই। আৰু অলপ পিচতে মই শেষ হৈ যাম। মোৰ কিয় এনে হবলৈ পালে? ইয়াৰ বাবে দায়ী কোন? মই নে? আন কোনোবা? হয়তো আপোনালোক। আপোনালোকৰ সমাজখন। সমাজৰ কপট চাতুৰিয়ে মোক কন্দুৱালে। মই মৰিম। সিহঁতে হাঁহিব। মই কান্দিম। কান্দি বুজাই দিম মোৰ জীৱনৰ কাহিনী। ৰণজিতদা, মোৰ এই তেজ মঙহৰে গঢ়া সন্তানটি আপোনাক গটালো। আপুনি ইয়াৰ ৰক্ষাৰ কৱচ। ইয়াৰ গাত অকনো দোষ নাই। ই নিৰ্দোষী অলপ পিচতে মই শেষ হৈ যাম। মই আহিলো ৰণজিতদা.......। ইয়াক আপোনাৰ সমাজত অকণমান ঠাই দিব পাৰিবনে?"

ইতি—

আপোনাৰ=

"বৃন্দা"

চিঠিখন পঢ়ি ৰণজিতে দুখৰ হুমুনিয়াহ কাঢ়িলে। মাতৃত্বৰ বোজা কঢ়িওৱা, সমাজৰ চকুত কলঙ্কিতা হোৱা নাৰীৰ মৰ্ম বেদনাত ৰণজিতৰ নিজৰ ওপৰতে ধিকাৰ জন্মিছিল বৃন্দাৰ মন বুজাত পলম হোৱা বাবে।

ভবিন ৰাজবংশী
২য় বাৰ্ষিক

——

## বসন্ত গুচি গ'ল—

খিৰ হুছেইন
১ম বাৰ্ষিক

শীতৰ আধিপত্য গুচাই
আহিল ঋতুৰাজ বসন্ত
মলয়াৰ মৃদু স্পৰ্শেৰে
বিয়পালে গোটেই অনন্ত।

কুলু-কুলু সুৰে বৈছে নৈ
চৰায়ে গাইছে গীত
নৱ কণ্ঠৰ সুৰ সানি
কুঞ্জবন কৰি সুললিত।

কুলি কেতেকীৰ মৃদুস্বৰে
ধৰণী কৰিলে উতলা.
গাভৰু পৃথিবীৰ বুকুত
সজিলে সকলো শ্যামলা।

কেতেকীৰ তীব্ৰ গোন্ধত
হৰি নিয়ে মনপ্ৰাণ
গোলাপৰ পাতল ওঠত
উঠিছে কামনাৰ বাণ।

গুণ গুণ কৰি ভোমোৰাবোৰে
যাচিছে প্ৰেমৰ সুৰ
যৌৱন বাউলি ফুলবোৰে
বিলাইছে প্ৰেম মৌ বোৰ।

নিঠুৰ বৰ্ষাৰ কুটিল গ্ৰাসে
পেলালে সকলো মচি,
সেমেকা হাঁহিটি লৈ
বসন্ত ৰাজ গ'ল গুচি।

যান্ত্ৰিক কৌশল আৰু তাৰ পৰা উদ্ভৱ হোৱা শক্তিৰ যোগেদিহে উনবিংশ শতাব্দীত পাশ্চাত্যৰ বাস্তৱ সভ্যতা ভাৰতবৰ্ষৰ ওপৰত পৰিছিল। এই সভ্যতাতে ভাৰতবাসীতো কপনি তুলিছিল আৰু পৰিৱৰ্ত্তন ঘটাইছিল। ঠেক গণ্ডীৰ ভিতৰতে আৱদ্ধ হৈ থকা দৃষ্টি সীমা বহন কৰিছিল। ইয়াৰ প্ৰথম প্ৰতিক্ৰিয়া ইংৰাজী শিক্ষিত কম সংখ্যক মানুহৰ ভিতৰতেই সীমাবদ্ধ আছিল আৰু এই প্ৰতিক্ৰিয়াই পাশ্চাত্যৰ প্ৰায় সকলো কথাকেই প্ৰশংসা আৰু গ্ৰহণ কৰিছিল। হিন্দু ধৰ্ম্মৰ কিছুমান সামাজিক প্ৰথা আৰু কাৰ্য্যকলাপত বিক্ষুব্ধ হৈ অনেক হিন্দুৱে খ্ৰীষ্ট ধৰ্ম্মৰ প্ৰতি আকৃষ্ট হৈছিল আৰু বঙ্গদেশত কেইজনমান প্ৰখ্যাত

# হিন্দু ধৰ্ম্মত বিবেকানন্দৰ সংস্কাৰ মূলক আন্দোলন

ৰফিকুদ্দিন আহমেদ
প্ৰাগ্ বিশ্ববিদ্যালয়

লোক খ্ৰীষ্ট ধৰ্ম্মত দীক্ষিত হৈছিল। ভাৰত বৰ্ষৰ অইন অইন ঠাইতো সেই একেটা স্ৰোতত্তেই বৈছিল।

ঠিক এনে সময়তেই আৱিৰ্ভাৱ হৈছিল ৰামকৃষ্ণৰ প্ৰধান শিষ্য স্বামী বিবেকানন্দৰ। বিবেকানন্দই তেওঁৰ সতীৰ্থ সকলৰ লগতে সেৱা অনুষ্ঠান ৰামকৃষ্ণ মিছন স্থাপন কৰিছিল। ভাৰতবৰ্ষৰ ঐতিহ্য গৰ্ব্বেৰে গৰ্ব্বী বিবেকানন্দৰ শিপা অতীততে শিপাইছিল যদিও তেওঁৰ জীৱনৰ সমস্যাৱলী আধুনিক দৃষ্টিভঙ্গীৰে লক্ষ কৰিছিল আৰু ভাৰতবৰ্ষৰ অতীত আৰু বৰ্ত্তমানৰ মাজত তেওঁ এক ধৰণৰ এখন সাঁকো আছিল। বঙালী আৰু ইংৰাজী ভাষাৰ তেওঁ এজন শক্তিশালী বক্তা আছিল। তেওঁ মধুৰ গদ্য আৰু পদ্যত বঙালী লিখিছিল। তেওঁ এজন সুপুৰুষ আছিল। মানুহৰ ভক্তি আকৰ্ষণ কৰাৰ উপৰিও তেওঁ সুবিবেচক আৰু মহৎ আছিল। নিজৰ ওপৰত আৰু নিজ লক্ষত বিশ্বাস ৰাখিছিল আৰু লগতে তেওঁ আছিল ভাৰতবৰ্ষক আগলৈ ঠেলি নিবলৈ গতিশীল কোবাল শক্তি আৰু উৎসাহ। মৰহি যোৱা নৈতিক বল হেৰুৱাই পেলোৱা হিন্দু মনলৈ তেওঁ বলকাৰক ঔষধ লৈ আহিছিল আৰু হিন্দু মনক আত্ম নিৰ্ভৰশীল কৰি অতীতৰ লগত লগ লগাই দিছিল। তেওঁ ১৮৯৩ চনত চিকাগোত নানা ধৰ্ম্মৰ পালিয়ামেণ্টত যোগ দিছিল। ইয়াতে তেওঁ হিন্দু ধৰ্ম্মৰ শ্ৰেষ্ঠত্ব প্ৰকাশ কৰিছিল। এবছৰ কাল যুক্তৰাষ্ট্ৰত কটাইছিল; প্ৰায় সমস্ত ইউৰোপ ভ্ৰমণ কৰি এথেন্স আৰু কনষ্টান্টিনোপল পৰ্য্যন্ত গৈছিল আৰু ইজিপ্ত, চীন, জাপান ভ্ৰমণ কৰিছিল। যলৈকে তেওঁ গৈছিল, তাতেই তেওঁৰ উপস্থিতিৰ উপৰিও, তেওঁ যি কৈছিল আৰু যেনেকৈ কৈছিল, সেইবোৰে এটা সৰু সুৰা উত্তেজনাৰ সৃষ্টি কৰিছিল। এই হিন্দু সন্যাসীজনক এবাৰ দৰ্শন কৰিলে বা তেওঁৰ বাণী শ্ৰৱন কৰিলে তেওঁক পাহৰি পেলোৱা কঠিন। আমেৰিকাত তেওঁক "প্ৰৱল ধুমুহাৰ দৰে হিন্দু" আখ্যা দিছিল। পাশ্চাত্যৰ দেশবোৰ ভ্ৰমণ কৰি তেওঁ নিজেও বৰ অভিভূত হৈছিল। তেওঁ বৃটিছৰ অধ্যাৱসায় আৰু আমেৰিকাবাসীৰ জীৱনী শক্তি আৰু সাম্যভাৱ প্ৰশংসা কৰিছিল। ভাৰতৰ এজন বন্ধুলৈ তেওঁ লেখিছিল —" মনৰ যি কোনো ধাৱনাৰে উৎকৰ্ষ সাধিবলৈ আমেৰিকাই সকলোতকৈ ভাল ক্ষেত্ৰ"। কিন্তু ধৰ্ম্মৰ যেনেভাৱে বিকাশ ঘটিছিল, সেইটোত তেওঁ সন্তোষ নেপাইছিল আৰু ভাৰতীয় দাৰ্শনিক আৰু আধ্যাত্মিক পটভূমিৰ ওপৰত থকা তেওঁৰ বিশ্বাস আৰু দৃঢ় হৈছিল। ভাৰতবৰ্ষৰ অধঃপতন সত্বেও ভাৰতবৰ্ষ তেওঁৰ অন্তৰত বস্তিৰ প্ৰতীক হৈয়েই থাকিল।

বেদান্তৰ অদ্বৈতবাদ দৰ্শনৰ একেশ্বৰবাদ তেওঁ প্ৰচাৰ কৰিছিল আৰু প্ৰত্যয় গৈছিল যে ভৱিষ্যতত চিন্তাশীল মানৱ জাতিৰ ইয়েই একমাত্ৰ ধৰ্ম্ম হব পাৰিব। কাৰণ বেদান্ত কেৱল আধ্যাত্মিকেই নহয়, ই যুক্তিপূৰ্ণও আৰু বাহ্য প্ৰকৃতিৰ বৈজ্ঞানিক গৱেষনাৰ লগত ইয়াৰ সামঞ্জস্যও আছে। "এই সৌৰজগতখন কোনো অভিজাগতিক ঈশ্বৰে সৃষ্টি কৰা নাই, সৌৰজগতৰ বাহিৰৰ কোনো প্ৰতিভা শক্তিৰ দ্বাৰাও ই সৃষ্ট নহয়। ই আত্মসৃষ্টিমূলক, আত্মবিযোজ্যমূলক, আত্মপ্ৰকাশমূলক, ই এক অনন্ত অৱস্থিতি ব্ৰহ্ম মানৱ ঐক্য আৰু মানুহৰ স্বতঃস্ফুৰ্ত্ত দৈৱ প্ৰকৃতিয়েই বেদান্তৰ আদৰ্শ আছিল। মানুহক ঈশ্বৰ জ্ঞান কৰাই ঈশ্বৰ দৰ্শন। সকলো প্ৰাণীৰ ওপৰতেই মানুহ। কিন্তু "এই ভাবাত্মক বেদান্তই প্ৰাণ পাব লাগিব, ই দৈনন্দিন জীৱনৰ কবিতা হব লাগিব; নৈৰাশ্যজনক জটিল পুৰাণৰ পৰা বাস্তৱ নৈতিক আকৃতি নিশ্চয় ওলাব লাগিব আৰু হতাশজনক যোগীবাদৰ পৰা বৈজ্ঞানিক বাস্তৱ মনোবিজ্ঞান নিশ্চয় লাভ কৰিব লাগিব।" ভাৰতবৰ্ষৰ অধঃপতন ঘটিছিল; কাৰণ ভাৰতবৰ্ষই নিজকেই ঠেক কৰি পেলাইছিল; নিজৰ খোলাটোৰ ভিতৰতে সোমাই পৰিছিল আৰু অইন জাতিৰ লগত সম্বন্ধ হেৰাইছিল। এনেকৈয়ে নপচা মৃত অৱস্থা আৰু গোটমৰা কাচৰ সভ্যতা এটাত আচ্ছন্ন হৈ আছিল। জাত প্ৰথাৰ আগছোৱাত জাতৰ যি আকৃতি আছিল; সেই আকৃতিত ই প্ৰয়োজন আৰু বাঞ্চনীয় আছিল। ইয়াৰ উদ্দেশ্য আছিল ব্যক্তিত্ব আৰু স্বাধীন ভাব ফুটাই তোলা। সেই জাতৰ দানবীয় অধঃপতন ঘটিল; যি অৰ্থে ইয়াৰ সৃষ্টি হৈছিল; তাৰ বিপৰীতে গল আৰু জনসাধাৰণক মথিমুৰ কৰিলে। জাত সামাজিক অনুষ্ঠানৰ এটা আকৃতি আছিল; ইয়াক ধৰ্ম্মৰ পৰা বেলেগকৈ ৰখা হৈছিল আৰু ৰখা উচিত। সামাজিক অনুষ্ঠানবিলাক সময়ৰ সলনিৰ লগে লগে সলনি হব লাগে। বিবেকানন্দই সদাচাৰ বিলাকৰ বিষয়ে অৰ্থহীন আধ্যাত্মিক আলোচনা আৰু তৰ্ক, বিশেষকৈ উচ্চ জাতৰ হিন্দুবিলাকৰ "মোক নুছুবা" মনোভাব অন্তৰেৰে অন্যায় বুলি ঘোষণা কৰি-

ছিল। আমাৰ ধৰ্ম্ম থাকে ৰান্ধনি ঘৰত। আমাৰ ঈশ্বৰ হল ভাতৰ চৰু আৰু ধৰ্ম্ম হল "মোক নুছুবা মই পবিত্ৰ"।

তেওঁ ৰাজনীতিৰ পৰা দূৰত আছিল আৰু তেওঁৰ কালৰ ৰাজনীতিজ্ঞ সকলক অপচন্দ কৰিছিল। কিন্তু তেওঁ স্বাধীনতা আৰু সাম্য জনসাধাৰণৰ জীৱনৰ মান ওখ কৰাৰ ওপৰত বাৰে বাৰে জোৰ দিছিল। চিন্তা আৰু কামৰ স্বাধীনতাই জীৱনৰ উন্নতি আৰু মঙ্গলৰ একমাত্ৰ চৰ্ত্ত। ইয়াৰ অভাৱ ঘটিলে মানুহৰ বংশ আৰু জাতি যাবই লগিব। সাধাৰণ মানুহেই ভাৰতবৰ্ষত একমাত্ৰ ভৰষা। "ওপৰ শ্ৰেণীকেইটাৰ শাৰিৰীক আৰু নৈতিক মৃত্যু ঘটিছিল।" তেওঁ পাশ্চাত্যৰ অগ্ৰগমনৰ লগত ভাৰতবৰ্ষৰ আধ্যাত্মিক পটভূমিৰ সংযোগ ঘটাবলৈ মন মেলিছিল।' "ভাৰতবৰ্ষৰ ধৰ্ম্মেৰে এখন ইউৰুপীয় সমাজ সৃষ্টি কৰা।" "সাম্য, স্বাধীনতা, কৰ্ম্ম আৰু শক্তি সম্পৰ্কীয় মনোভাৱত এজন পাশ্চত্যবাসী বা পাশ্চত্যবাসী সকলৰ নিচিনা হবা, কিন্তু ধৰ্ম্ম অনুশীলন আৰু সহজ বৃত্তিত হাড়ে-হিমজুৱে হিন্দু হবা।" ক্ৰমে ক্ৰমে বিবেকানন্দৰ দৃষ্টি-ভঙ্গী আন্তৰ্জাতিক হৈ পৰিছিল। অইন কি একুৰি বছৰ আগতে ৰাজনীতি আৰু সমাজ বিজ্ঞানৰ যি বিলাক সমস্যা জাতীয় সমস্যা বুলি বিবেচনা কৰা হৈছিল; সেই বিলাক এতিয়া কেৱল জাতীয় ভেটিত সমাধান কৰিব নোৱাৰি। সেই বিলাকে বৃহৎ অৱয়ৱেৰে প্ৰকাণ্ড আকৃতি ধাৰণ কৰিছে। আন্তৰ্জাতিক ভেটিত বেছি পোহৰ বিবেচনা কৰিলে সেই বিলাক সমাধান কৰিব পৰা হব। আন্তৰ্জাতিক অনুষ্ঠান; আন্তৰ্জাতিক সংযোগ আৰু আন্তৰ্জাতিক আইন হল আজিৰ দিনৰ ধ্বনি। এই বিলাকে একতা সূচাইছে। পদাৰ্থ বিষয়কো তেওঁলোকৰ অৰ্থাৎ পাশ্চাত্যৰ বিজ্ঞানে দিন বঢ়াৰ লগে লগে একে ৰকমৰ বহল দৃষ্টিভঙ্গী এটাকে পোষণ কৰিবলৈ ধৰিলে।" আকৌ তেওঁ কৈছে - সমস্ত পৃথিবী পিছত নেথাকিলে কোনো উন্নতিয়েই হব নোৱাৰে আৰু প্ৰত্যেক দিনেই এইটো স্পষ্ট হৈ আহিছে যে বংশ বা জাতি ঠেক ভেটিত কোনো সমস্যাৰে কোনো সমাধান কেতিয়াও পাব নোৱাৰি। প্ৰত্যেক ধাৰণাই বিস্তাৰিত হৈ গোটেই পৃথিবীক আৱৰি ধৰিব লাগিব; প্ৰত্যেক উচ্চাকাঙ্খাই বাঢ়ি গৈ সমস্ত মানৱ জাতিকে নহয়; তাৰ চাৰি সীমাৰ সমস্ত সত্বাকে সামৰি লব লাগিব।" বিবেকানন্দৰ বেদান্ত দৰ্শনৰ মতৰ লগত এই সকলো বিলাক খাপ খাই পৰিছিল আৰু এই মত তেওঁ ভাৰতবৰ্ষৰ ইমূৰৰ পৰা সিমুৰলৈকে প্ৰচাৰ কৰি ফুৰিছিল।" মই সম্পূৰ্ণ প্ৰত্যয় মানিছো যে কোনো ব্যক্তি বা কোনো জাতি অইনৰ সাহচৰ্য্য এৰাই অকলে তিষ্ঠিব নোৱাৰে আৰু যেতিয়াই মহত্বৰ বা পৱিত্ৰতাৰ মিছা ধাৰণাৰ এনে চেষ্টা কৰা হৈছে, তেতিয়াই সেই সাহচৰ্য্য নিবিচৰা জনৰ ওপৰত বিষম ফল ফলিয়াইছে। আমি যে পৃথিবীৰ সকলো জাতিৰ পৰা এৰা পৰিছো এই ঘটনাই আমাৰ অধঃপতনৰ কাৰণ আৰু এই ৰোগ নিবাৰণৰ একমাত্ৰ উপায় হল পুণৰ পৃথিবীৰ বাকী অংশৰ ভটীয়নি পানীত ভটীয়াই যোৱা। গতিশীলতাই জীৱনৰ চিহ্ন।"

তেওঁ এসময়ত লিখিছিল— "মই এজন সমাজবাদী। মই তেনে হোৱাৰ কাৰণ এইটো নহয় যে, এই পদ্ধতি সম্পূৰ্ণ বিৰুদ্ধ; আচল কাৰণ হল ভাতৰ চৰু তেনেই উদং হোৱাতকৈ আধা চৰু ভাতেই ভাল। অইন পদ্ধতি চলাই যোৱা হৈছিল, কিন্তু সেইবোৰত অভাৱ লক্ষ কৰা যায়। সেই দেখি একো কাৰণ নহলেও অন্ততঃ নতুনত্বৰ কাৰণেই ইয়াক চলাই চোৱা যাওক।"

বিবেকানন্দই বহুত বিষয়ে প্ৰচাৰ কৰিছিল; কিন্তু তেওঁৰ ৰচনাৱলীত যিটো কথা সঘনে পুনৰাবৃত্তি হৈছিল; সেইটো হৈছে অভয়, "নিৰ্ভীক হোৱা" "সবল হোৱা"। মানুহ দুৰ্দ্দিশাগ্ৰস্ত পাপী নহয়, মানুহ দৈৱশক্তিৰ অংশ। সি কিহৰ ভয় কৰিব লাগিছে. যদি পৃথিবীত কিবা পাপ আছে, তেনেহলে সেইটো হৈছে দুৰ্ব্বলতা; সকলো দুৰ্ব্বলতা পৰিহাৰ কৰা। দুৰ্ব্বলতাই পাপ, দুৰ্ব্বলতাই মৃত্যু' উপনিষদৰ এইটোৱেই আটাইতকৈ মহৎ শিক্ষা। ভয়ে অসৎ সৃষ্টি কৰে, ভয়ৰ পৰাই হা-হুমুনিয়াহ আৰু ভয়ৰ পৰাই চকুলো। আমি যথেষ্ট ভয় খালো, দুৰ্ব্বলতাও যথেষ্ট দেখুৱালো। "এতিয়া দেশৰ যিটো দৰ্কাৰ; সেইটো হল, লোহাৰ নিচিনা মাংসপেশী আৰু আৰু তীখাৰ নিচিনা স্নায়ু, একোৱে ভিটিব নোৱাৰা প্ৰচণ্ড ইচ্ছা শক্তি। ই ভেদ কৰিব জগতৰ সকলো ৰহস্য, সকলো প্ৰহেলিকা ই নিজৰ কৰ্ত্তব্য যেনেকৈ হওক পালন কৰিব। তাৰ বাবে যদি সাগৰৰ তললৈ গৈ মৃত্যুৰ মুখত ঠিয় হব লাগে, তাকো কৰিব।" তেওঁ "ধৰ্ম্মৰ গোপনীয়তা, ধৰ্ম্মৰ অতীন্দ্ৰিয়বাদ, ধৰ্ম্মৰ এই ৰোমাঞ্চকৰ কথাবোৰ অসৎ বুলি বিবেচনা কৰিছিল। এই বিলাকত মহৎ সত্য থাকিব পাৰে, কিন্তু এইবিলাকে আমাক প্ৰায় ধ্বংস কৰিলে। আৰু সত্যৰ পৰীক্ষা হল— যিটোৱেই আমাৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক অৱসাদ ঘটাব, বিষবৎ তাক পৰিত্যাগ কৰিবা, তাত প্ৰাণ নাই, ই কেতিয়াও সত্য হব নোৱাৰে। সত্য বলকাৰক। সত্যই পৱিত্ৰতা। সত্যই সকলো জ্ঞান। সত্যৰ আচ থাকিলে অতীন্দ্ৰিয়বাদে সাধাৰণতে দুৰ্ব্বলতা আনে। তোমাৰ উপনিষদলৈ উভতি যোৱা এই চিকমিকিয়া শক্তি প্ৰদায়ক উজ্বল উপনিষদ দৰ্শন শাস্ত্ৰ লৈ উভতি যোৱা আৰু যিবিলাক প্ৰহেলিকা, যিবিলাক শক্তি নাশক, সেই সকলোৰ পৰা আতৰ হোৱা। এই দৰ্শন গ্ৰহণ কৰা যে পৃথিবীত যিটো অতি সৰল, সেইটোৱেই মহৎ সত্য ই তোমাৰ অৱস্থিতিৰ নিচিনাই সৰল।" আৰু কুসংস্কাৰৰ পৰা সাৱধানে থাকিবা। কুসংস্কাৰী মূৰ্খ হোৱাতকৈ মই তোমালোকক প্ৰত্যেককে উগ্ৰ নাস্তিক হোৱা হলেও সন্তোষ পাম; কাৰণ নাস্তিকৰ প্ৰাণ আছে আৰু তাৰ পৰা কিবা এটা হব। কিন্তু কুসংস্কাৰ যদি সোমায় তেনেহলে মগজু আতৰ হয়, মগজু দুৰ্ব্বল হয় আৰু জীৱনলৈ অধঃপতন আহে। ৰহস্যৰ বেহা আৰু কুসংস্কাৰ সদায় দুৰ্ব্বলতাৰ লক্ষণ।

এনেকৈয়ে বিবেকানন্দই ভাৰতৰ দক্ষিণ

মুৰ কুমাৰিকা অন্তৰীপৰ পৰা হিমালয়লৈকে বজ্ৰনিনাদে প্ৰচাৰ কাৰ্য্যত ব্ৰতী হৈ ভাগৰুৱা শৰীৰ জৰ্জ্জৰিত কৰি মাত্ৰ ৩৯ বছৰ বয়সত স্বৰ্গী হয়।

---

# জীৱন চাহাৰাত প্ৰথম খোজ

নৈ খনৰ সিপাৰে সোণচেকুৰা গাওঁখনি। তাৰ ওচৰেদি বহল আলি বাটটো। পাৰৰ কহুৱা ফুলবোৰে বতাহত হালি-জালি নৈখনৰ লগত হিয়া উবুৰিয়াই প্ৰেম নিবেদন কৰিছে। চৰাইবোৰেও আনন্দত কিৰিলি পাৰিছে। সেই গাওঁখনিতে এদিন পৱনৰ জন্ম হৈছিল। কিন্তু গাওঁখনৰ অৱস্থা আজি আৰু তেনে নাই। পৱন আৰু অলকাৰ শোকতেই যেন গোটেই গাওঁখন জৰা-জীৰ্ণ অৱস্থাত পৰিণত হৈছে।

নৈ খনৰ সিপাৰে অলকাহঁতৰ গাওঁখনি। অলকাহঁতৰ ঘৰখনি গাওঁৰ মূৰতে। পদূলি মুখৰ বকুল জোপাই ঘৰখনি সোণত সুৱগা যেন চৰাইছে। অলকা ওচৰৰে হাইস্কুল খনৰ অষ্টম মান শ্ৰেণীৰ ছাত্ৰী। পঢ়াত তীক্ষ্ণ নহলেও মধ্যম শ্ৰেণীৰ। পৱনো সেই হাই স্কুলৰ দশম মান শ্ৰেণীৰ ছাত্ৰ। সি অৱশ্যে পঢ়া-শুনাত চোকা। অকল পঢ়া-শুনাতেই নহয়; খেল-ধেমালিৰ পৰা আদি কৰি নাচ-গান পৰ্য্যন্ত তাৰ নাম আছে। সেয়েহে হবলা অলকাই তাইৰ হৃদয় মন্দিৰত পৱনৰ ছবি আঁকি আঁকি ভাগৰি পৰিছিল। এদিন স্কুল ছুটীৰ পিছত তাই পৱনক লগ ধৰিলে। লাজতে তাই ৰঙা-চিঙা পৰি গৈছে। কেনেকৈ পৱনক তাইৰ অন্তৰৰ বুৰ-বুৰণিবোৰ জনাব ...? শেহত আইন উপায় নেদেখি তাই লাহেকৈ মাত লগালে—"পৱনদা, আপুনি যে সিদিনা মিটিঙত গানটো গাইছিল মোক লিখি দিবনে?" পৱনে এটি মিচিকিয়া হাঁহিমাৰি "বাৰু" বুলি সামৰি থলে। সিদিনাৰ পৰাই পৱনৰ অন্তৰলৈ আহিল এছাটি মলয়া, যাৰ কপঁনিত অলকাৰ প্ৰতিচ্ছবিবোৰ বাৰে বাৰে ভাঁহি আহি যেন কয়—"পৱনদা, আপুনি যে সিদিনা মিটিঙত গানটো গাইছিল মোক লিখি দিবনে?" ভাবি ভাবি তাৰ ভাল লাগি যায়। সিদিনাৰ পৰাই সিহঁতৰ সম্বন্ধ বাঢ়ি গ'ল।

পৱনে মেট্ৰিক পাছ কৰি গুৱাহাটীৰ কলেজত পঢ়িবলৈ ললে। কলেজৰ প্ৰথম বছৰত ফেইল কৰিলে। পুণৰ পঢ়িবলৈ ললে। দ্বিতীয় বছৰো সেই একে অৱস্থা হ'ল। ভাবি চিন্তি সি উপায়হীন হৈ পৰিছে। কি কৰিব, কি নকৰিব এনে অৱস্থাত সি ঘামি জামি গৈছে। এনেতে চীনা আক্ৰমণ কাৰীৰ প্ৰত্যুত্তৰ দিবলৈ আহ্বান আহিল ডেকা সকলৰ লৈ। পৱনো সেই আহ্বানৰ ভিতৰত সোমাই পৰিল। সি মিলিটাৰীত ভৰ্ত্তি হ'ল। সি এতিয়া সৈনিক—তাৰ কৰ্ত্তব্য মাতৃভূমিক ৰক্ষা কৰা।

ইফালে অলকাই মেট্ৰিক পাছ কৰিছে। তাইৰ কলেজত পঢ়াৰ ইচ্ছা আছিল যদিও মাক বাপেকৰ কঠোৰ শাসনে তাইৰ সেই আশা চূৰ্ণাকৃত কৰিলে। মাক-বাপেকৰ ইচ্ছা ডাঙৰ ছোৱালী উপযুক্ত দৰা পালেই বিয়া দিব লাগে। অলকাই কান্দি কান্দি ভাগৰি পৰিছে। শেহত তাই পৱনলৈ এখন চিঠি লিখিলে—

'মৰমৰ পৱনদা',

"হিয়া উবুৰিয়াই মৰমবোৰ পঠালো—হয়তো চিৰদিনৰ কাৰণে; লবদেই। চিঠিখনি পায় নে নেপায় সন্দেহ......। আই-বোপায়ে মোৰ বিয়া পাতিছে। আমাৰ গাৱৰ ওচৰৰে অনিলৰ লগত। সি গুৱাহাটীৰ কোনোবা এখন অফিচতে কেৰানিগিৰি কৰে। কেই দিনমান পিচতে হয়তো জোৰণ পিন্ধাব। কি কৰিম.... উপায়ান্তৰ হৈছো। আপুনি যেনে তেনে এবাৰ আহিব। মাজে সময়ে অতীতৰ কথাবোৰ মনত পৰিলে কেনেবা কেনেবা লাগে। মনত পৰে সেইদিনা নদীৰ পাৰত দুয়ো একে লগে ফুৰি নদীখনিক সাক্ষি ৰাখি প্ৰতিজ্ঞা বদ্ধ হোৱাৰ কথা, কেনেকৈ পানী ঘুৰলিত বহিঁ মাছবোৰ চাই চাই তৃপ্তি লাভ কৰিছিলো। আজিও মনত পৰে স্কুলৰ লৰা-ছোৱালী জাকৰ হিয়া ভেদি যোৱা ঠাট্টা মস্কৰা বোৰ।

কি কৰিম পৱনদা, লিখিবলৈ ইচ্ছা নোহোৱা হৈছে। আপোনালৈ যে বাৰে বাৰে মনত পৰে....। মাত্ৰ আপোনাৰ ফটোখনি চাই চাই হেপাহ পলুৱাই চুমা এটি দিওঁ। বেছি লিখি আমনি নিদিওঁ। উত্তৰ নিজে লৈ আহিব। আপোনাৰ মঙ্গল কামনা কৰি আজিলৈ সামৰিলো।" ইতি—

আপোনাৰ—
'অলকা'।

চিঠিখন পঢ়ি পৱনৰ বেয়া লাগি গ'ল। সি কি কৰিব ভাবি চিন্তি অস্থিৰ হৈ পৰিছে। সি এনে সংকটপূৰ্ণ অৱস্থাত বাৰু ঘৰলৈ যায় কেনেকৈ? শেহত অলকালৈ এখানি মান লিখি পঠালে—

'মৰমৰ অলকা,'

"মৰমবোৰ লবা। কি কৰিম— মাতৃ ভূমিৰ আহ্বানে মোক আৱদ্ধ কৰি ৰাখিছে। তোমাৰ দৰে শ শ অলকাৰ জীৱনৰ মৰ্ম্মন্তুদ কাহিনীবোৰ শুনিলে তোমাৰেই চকুপানী ওলাব। যাব নোৱাৰিলো। তাৰ বাবে ক্ষমা কৰিবা।" ইতি—

তোমাৰ—
'পবন'

ইফালে বেচেৰী অলকা! পবনৰ পৰা এনেকুৱা চিঠি পাই বিয়াত সন্মতি জনালে। বিয়া সুকলমে হৈ গ'ল। দৰা-কইনাক আশীৰ্ব্বাদ দি মাক-বাপেকে বিদায় দিলে। বিয়াৰ পিছত অলকাক অনিলে গুৱাহাটীলৈ লৈ গ'ল।

ফুল-শয্যাৰ ৰাতি অলকাই বিছনাৰ মূৰত বহি কান্দি আছে। ৰাতি ভাত-পানী একো খোৱা নাই। কেৱল কান্দি কান্দি চকুজুৰি চল চলীয়া কৰিছে। অনিলে তাইৰ ওচৰলৈ আহি সুধিলে—"অলকা, তুমি এনেদৰে কান্দি আছা কিয়? এনেকুৱা শুভ-মিলনৰ নিশাত কান্দিলে কেনেবাখন লাগে নহয়।" ভাত খাবলৈ তাইক কেবাবাৰো অনিলে অনুৰোধ কৰিলে। তাই ভাত-পানী একো নেখালে আৰু বিছনাত বাগৰ দিলে। অলকাই অনুভৱ কৰিলে যে তাইৰ কলা চুলিটাৰী পিটিক্কি পিটিক্কি দি অনিলে তাইক ওচৰলৈ লাহে লাহে টানি আনিছে....। তাই অনুভৱ কৰিলে যেন এটি অনামী শিহৰণে তাইৰ শৰীৰটো দুৰ্ব্বল কৰি পেলাইছে। তাই চকু কেইটা মুদি দিলে, কিছুসময় দুয়ো নীৰৱ....। তাৰ পিছত তাই আবেগতে কৈ উঠে— "আপুনি সঁচাকৈয়ে মোক ভাল পায় নে?" উত্তৰত সি মাত্ৰ হেপাহ পলুৱাই চুমা এটি খালে।

কেইদিনমান পিছত অনিল ট্ৰেন্সফাৰ হল যোৰহাটলৈ। সি অলকাক ঘৰলৈ লৈ গল। বিদায়ৰ সময়ত তাই অনিলক সেৱা এটা জনাই কলে— "চহৰত বহুতো মটৰ, ৰিক্সা আদি ভোঁ ভোঁ পোঁ পোঁ কৈ চলি থাকে, সাৱধানে ফুৰিব। তাৰোপৰি নিজৰ স্বাস্থ্যৰ প্ৰতি চকু দিব।" অনিলেও তাইৰ শৰীৰৰ যত্ন লবলৈ দি গুছি গ'ল।

কেইদিনমান পিছত মাকৰ ঘৰলৈ গ'ল। এমাহ পাৰ হ'ল তথাপি তাই নাহিল। এদিন অনিলৰ পিতাকে আনিবলৈ গ'ল। কিন্তু তাই নাহিল। পিতাকক বহুত কদৰ্থনা কৰি কলে— 'আগতে যদি তেনেকুৱা কিবা এটা আছিল মোক কেলেই বিয়া কৰাইছিল? তাৰোপৰি বিয়াৰ আগতেই খোলাখুলি ভাবে কব লাগিছিল।" পিতাকে নিৰ্ব্বাক নিস্পন্দক হৈ তাইৰ ফালে তধা লাগি চাই ৰ'ল। ঘৰলৈ উভতি আহি অনিললৈ এখন চিঠি লিখি মাতি পঠালে। কেইদিন মান পিছত অনিল আহিল। সকলোবোৰ শুনি তাৰ খং উঠিল আৰু তাইলৈ লিখি পঠালে—

'মৰমৰ শ্ৰীমতী,'

"তোমাৰ যদি তেনেকুৱা কোনোবা আছিল বিয়াৰ আগতেই জনাব লাগিছিল। অন্ততঃ বিয়াৰ পিছত কলেও তোমাক মই মুক্তি দিলোহেঁতেন। কিন্তু এতিয়া ছল পাই এঠা খিনি মোৰ গাত মছিলেই নহব। সাপেহে দেখে সাপৰ ঠেং। বেছি লিখি নিজকে ক্ষিপ্ত কৰি নোতোলোঁ। ভাবি চিন্তি উত্তৰ দিবা।" ইতি—

তোমাৰ—
'শ্ৰীমান'

চিঠিখন পঢ়ি তাই দোধোৰ মোধৰত পৰিল। কেইদিনমান পিছত অনিলে ঘৰলৈ আহি অলকাক দেখি আচৰিত হ'ল। সি হাত মুখ ধুই বিছনাত বাগৰ দিলে। অলকাই ভাত খাবলৈ মাতিলত 'নেখাওঁ' বুলি কলে। কিন্তু অলকাৰ অনুৰোধত ভাত খাই উঠি শুবলৈ গ'ল। অলকাই সুধিলে— "আপুনি মোৰ জীৱনটো লৈ কিয় খেলা খেলিছে?" তাই ট্ৰাঙ্কৰ ভিতৰৰ পৰা ফটোখন উলিয়াই সুধিলে — "অনু কোন ?" উত্তৰ দিয়ক?"

কেতিয়াহে অনিলে বুজিব পাৰিলে আচল কথাৰ গুৰি কত? সি এটি মিছিকিয়া হাঁহি মাৰি কলে, "পাগলী, এইজনী নকলী অনু।

"কি?" তাই আচৰিত হৈ সুধিলে।

অনিলে কলে,— "আমি এখন থিয়েটাৰ কৰিছিলো। নায়কৰ ভাও লৈছিলো মই আৰু নৰাজনে নায়িকা অৰ্থাৎ অনুৰ ভাও লৈছিল। এইজনী নৰাই ছোৱালী সজা থিয়েটাৰৰ অনু।" তাই আকৌ এবাৰ ফটো খনলৈ চালে। হৰ্ষ-বিষাদৰ মাজত পৰি তাই সুধিলে, "মোক আগতে কোৱা নাছিল কিয়?" "তোমাক কোৱাৰ কোনো আৱশ্যক নাছিল। তদুপৰি মই সম্পূৰ্ণ পাহৰিছিলো। ফটোখন দেখি তুমিওতো সুধিব পাৰিলাহেঁতেন। "মোক ক্ষমা কৰক" বুলি তাই সাৱট মাৰি ধৰিলে। অনিলে তাইক সান্ত্বনা দি সুধিলে— "যি হব লগা আছিল হৈ গ'ল; তুমি আকৌ কান্দিছা কিয়? এইটোৱে তুমি যে মোক কিমান ভাল পোৱা তাকেহে প্ৰমাণ কৰিলো।"

কেইদিনমান পিছত অনিলে অলকাক লগত লৈ যোৰহাটলৈ গুছি গ'ল। তাত অলকাৰ এজনী ছোৱালী উপজিল। তাইৰ নাম 'ৰেণু' ৰাখিলে।

যুদ্ধ শাম কটাত পবন ঘৰলৈ আহিল। ঘৰখনৰ অৱস্থা একেবাৰে দুখ লগা হৈছে। মাক-পিতাক যোৱা বেলি গ্ৰহণীত ঢুকাল। ঘৰত মাথোন নিজৰ বুলিবলৈ আছে এজনী বিধবা ভনীয়েক। তায়ো মোমায়েকহঁতৰ ঘৰত আছে। সি কেইদিনমান থাকি পুণৰ গুছি আহিল।

স্কুললৈ অহা-যোৱা কৰোতে সি প্ৰায় ৰেণুক লগ পায় আৰু তাইৰ ফালে ৰ লাগি চাই থাকে। সি ৰেণুক খুব মৰম কৰে। সি তাইক প্ৰায়ে চকলেট, লজেন্স আদি দি থাকে। কেতিয়াবা কেতিয়াবা ৰেষ্টুৰেণ্টত নি চাহ-পানীও খুৱায়। ৰেণুৱে তাৰ মৰম পাহৰিব নোৱাৰি তাক প্ৰায়ে লগ ধৰে। ৰেণুক দেখিলে তাৰ শৈশৱৰ স্মৃতিবোৰ ভাঁহি উঠে। বিধবা ভনীয়েকলৈ তাৰ মনত পৰে.......।

এদিনাখন মিটিঙত ৰেণুৱে গোৱা গীতটি শুনি পবন অতিকৈ আচৰিত হৈছিল। স্কুলত পঢ়ি থাকোতে পবনে সেই গীতটি অলকাক

লিখি দিছিল। সেই গীতটিয়ে এসময়ত পবন আৰু অলকাক আগবঢ়াই লৈ গৈছিল কোনো এক অজান দেশলৈ ........। মিটিঙৰ শেষত সি ৰেণুক লগ ধৰি সুধিলে— "ৰেণু, তুমি এই গীতটি ক'ত পালা?" ৰেণুৱে উত্তৰ দিলে— "আয়ে মোক এই গীতটি শিকাইছে। আয়ে হেনো গীতটিৰ সুৰটো খুব ভাল পায় আৰু প্ৰায়ে গাই থাকে।" পবনৰ বুজিবলৈ বাকী নেথাকিল যে ৰেণু অলকাৰে ছোৱালী।

এদিন ৰেণু হঠাৎ তাৰ ওচৰত উপস্থিত হ'ল আৰু কলে— "আয়ে আপোনাক এতিয়াই মাতি পঠাইছে।" সি যাবলৈ অসন্মত হ'ল। কিন্তু ৰেণুৰ স্নেহে যাবলৈ বাধ্য কৰালে।

ৰেণুৱে তাক ড্ৰইং ৰুমত বহিবলৈ দি মাকক মাতিবলৈ ভিতৰলৈ গ'ল। অলপ পিছতেই ওৰণিখন লৈ অলকা উপস্থিত হ'ল। তাইৰ গাত সেই যৌৱনৰ মাদকতা নাই। কিন্তু ক্ষীণাইছেও। মুখত আগৰ সেই বাংঢালী হাঁহিটিও নাই। তাই পবনক দেখি অতিকৈ আচৰিত হ'ল। উচুপি উচুপি পবনৰ ভৰিত ধৰি কলে—"পবনদা, আপুনি মোক ক্ষমা কৰক! ভুল মোৰো নহয়, আপোনাৰো নহয়; মাথো অদৃ-ষ্টৰ লিখন।" পবনে তাইক আশীৰ্বাদ দি ৰেণুক চুমা এটি খাই সাউং কৰে ওলাই গুচি গ'ল। তাৰ মনতে প্ৰশ্ন জাগিল— ইয়াৰ বাবে দায়ী কোন? পবন নে অলকা? নে ভগবান....? ওচৰৰ ঘৰটোৰ পৰা 'ভাগ্য' বোল চবিৰ গীত এটি ভাঁহি আহি তাৰ কাণত পৰিল—

"কোনে জানে তোমাৰ সপোন
হবনে পূৰণ?
আকাশতে থকা জনে লিখে
কপালৰ লিখন ......।"

ভেতিয়া পৃথিবীখনত ঘন এন্ধাৰ নামিছে। দুই এটোপাল বৰষুণো কণিয়াইছে। ৰাস্তাৰ বিজুলী বাতিবোৰ সম্পূৰ্ণ জ্বলিছে।

**নুৰুল ইছলাম**
প্ৰাক বিশ্ববিদ্যালয়



# আমি ভাৰবীয়া

**চৰিফুদ্দিন আহমেদ**
২য় বাৰ্ষিক।

অবাস্তব কল্পনা মোৰ অলীক সপোন
উঠে মাথো গুঞ্জৰি গুমৰি.
হৃদয় বিদাৰক কি স্পন্দন উঠে
নাই কোনো দিওঁতা সঁহাৰি।
সহায় সহায় বুলি ঘুৰিলো বিশ্বত
সঁহাৰি যে কাৰো নাই
আজিৰ বিশ্ববাসী হিংসাতেই মচগুল
খালো মাথো কষ্ট হায়।
(সেয়েহে) হিমালয় চূড়াৰ সৌ শৃঙ্গত বহি
চাওঁ ভাৰৱীয়াৰ ভাও,
বিশ্ববাসী আজি নিজক লৈয়েই ব্যস্ত
চাই চাই নিজে দুখ পাওঁ।
জীৱন্ত পুতলা আমি অতি নগণ্য
খেলি আছো জগতৰ খেলা,
যাবই লাগিব গন্তব্য স্থানলৈ
জীৱনৰ বিয়লি বেলা
সকলোকে এদিন ধৰিব কাল যমে
মৃত্যু বিনে নাই আন,
পাপীও যাব মানীও যাব
নোৱাৰে সাৰিব কোনোজন।
বলীৰ বল দুৰ্ব্বলীৰ যাতনা
মাৰ খাব জগতৰ খেলা,
ইহকাল পৰকাল এই চিৰন্তন প্ৰথা
ইয়ে এখন জন্ম মৃত্যুৰ খেলা।
অহাই আহিছে যোৱাই গৈছে
হৈছে ভাওঁনা শেষ যাৰ,
হাতৰ লাখুটিও পিছলি পৰিব
পৃথিৱীয়ে ঘোৰ অন্ধকাৰ।
হিংসা অহিংসাৰ এই বিচিত্ৰ বোজা
নোৱাৰে ফুৰিব লৈ,
আহিলো সবাকে প্ৰণাম জনাই
জগতৰ যন্ত্ৰণা এৰি থৈ।
যোৱাৰ বেলিকা কৈ থৈ যাওঁ—
হে মোৰ মৰমৰ ভাইহঁত
মিলা প্ৰীতিৰে শেষ কৰা ভাও
লভিবা সাদৰে শান্তি মনত।

# মন কামনাৰ জুই

ৰুবীন্দ্ৰ মহন্ত
২য় বাৰ্ষিক

ভিতৰলৈ যাওঁ বুলি দুৱাৰখনত হেচা দিলে ৰূপমায়াই। দুৱাৰখন কেৰ্কেৰাই উঠিল। তাইৰ খং উঠি গ'ল মনতে। আজি সকলোৱে তাইক উপহাস কৰিছে। কৰক! সকলোৱে কৰক !! কালৈকো তাই ভ্ৰূক্ষেপ নকৰে। তাই তাইৰ কাম কৰিবই। আকৌ এবাৰ জোৰেৰে ঠেলি দিলে দুৱাৰখন। ভিতৰত কিবা এটা ঘটংকৈ শব্দ হ'ল। তাই ক্ষন্তেক ৰৈ গ'ল। ইমান সময় ভিতৰলৈ যাব খোজা আন্ধাৰবোৰ এই সুযোগতে ভিতৰত প্ৰবেশ কৰিলে।

লাহে লাহে ভিতৰলৈ আগ বাঢ়িল ৰূপমায়া। আন্ধাৰতে তাই লেম্পটো বিচাৰিবলৈ ধৰিলে। দিয়াচলাইটো যেনিবা হাতত পৰিল। লেম্পটো ক'ত ? লেম্পটো দেখোন আগৰ ঠাইত নাই। কি আউল লাগি পৰিছে ঘৰটোত। তাই ভৰি দুখন চোচৰাই চোচৰাই বিচাৰিবলৈ ধৰিলে লেম্পটো। হঠাৎ কিবা এটা বস্তু ঘটংকৈ উঠিল তাইৰ ভৰিত। লেম্পটো একাষত কাটিহৈ পৰি আছে। কোন মুহূৰ্ত্তত তাই লেম্পটো আগৰ ঠাইত নথৈ দুৱাৰৰ ওচৰতে থৈ আন কামলৈ গৈছিল তাইৰ মনতে নপৰে।

ৰূপমায়াই লেম্পটো জ্বলাই টেবুলৰ ওপৰত কাগজ এখনত থৈ আকৌ ব্যস্তহৈ পৰিল। গাৰ চাদৰখন আল্না দাললৈ দলিয়াবি দি তাই কিবা এটা ভাবিলে। লেম্পটো হাতত লৈ ভিতৰলৈ গ'ল ৰূপমায়া। গ্লাচ এটাত অলপ গাখীৰ আছে। চেনীটো ঠিকেই আছে। মাত্ৰ চাহ পাত, হব এই কনেই; কোনোমতে চাহ একাপ। চাহ কাপ ভাল নহলেও 'ৰতন' দাদা খং কৰা বিধৰ মানুহ নহয়। বিস্কুট কেই টুকুৰা মানো আছে, বেয়া হোৱা নাই, ভাজি দিলেই হব।'

হঠাৎ তাইৰ চকু পৰিল কাপোৰ থোৱা আল্না দাললৈ। ছিঃ কি যে হৈ আছে কাপোৰবোৰ। কি অসাবধান তাই, কাপোৰ বোৰ তেনেই বিশৃঙ্খল হৈ আছে আল্নাদালত। 'ৰতন' দাদাই দেখিলে যে কি ভাবিব। ৰূপমায়াই কাপোৰবোৰ জাপি জুপি ঠিক ঠাক কৰি থলে। মজিয়াত সিচৰিত হৈ থকা কাগজ আদিৰ টুকুৰা কেইটাও সাৰি থলে তাই। ৰতন দাদা বেচি বিলাসী নহলেও বৰ চাফ-চিকুণ। পৰিস্কাৰ পৰিছন্নতাক ৰতন দাদাই সদায় পচন্দ কৰে। তাতে আকৌ এই ঘৰ খনত এজনী গাভৰু ছোৱালী .... ...।

ৰূপমায়া এজনী সাধাৰণ গাভৰু ছোৱালী। তাইৰ এদিন সকলো আছিল। কিন্তু কালৰ সোঁতত সকলো নোহোৱা হৈ গ'ল। দেউতাক আছিল এজন সাধাৰণ চাকৰীয়াল আৰু সেই চাকৰীকে "কল্পতৰু" জ্ঞান কৰি ঘৰৰ চাৰিটি প্ৰাণীয়ে জীৱন নিৰ্ব্বাহ কৰিছিল। মাক-দেউতাক, তাই আৰু তাইৰ সৰু ভায়েক ৰমেন। কিন্তু এই সুখ কণো বিধাতাই সহ্য কৰিব নোৱাৰিলে। এটি অচিন ৰোগে তাইৰ বাহিৰে সকলোটিক লৈ গুছি গল।........ তাই কান্দিলে ! বহুত কান্দিলে ৰূপমায়াই !! নীৰৱে নীৰৱে এতিয়াও কান্দে। লাভ নহয় একোৱেই। বিধাতাই জানো তাইৰ এই কান্দোন শুনিব। পিতাকে তাইলৈ এৰি থৈ গল খেৰৰ ঘৰ এটা। মাটি দুই বিঘা আৰু তাইৰ খুটি খাব পৰা এটী যৌৱন....।

আজি তাইৰ ভাত খাবৰ মনে নাই, ভাত নাৰান্ধিলেও চলিব। দিনতে ৰান্ধি থোৱা আছে সৰহকৈ। ভাবৰ হেন্দোলনিত ৰূপমায়াৰ মনত এটা আত্ম তৃপ্তিৰ ভাৱ বিৰিঙি উঠিল। ৰতন দাদাতো কামনা চৰিতাৰ্থ কৰিবলৈ নাহে আহিব তাইক জীয়াই থকাৰ এটা উপায় দিবলৈ, দুৰ্বৃত্তৰ হাতৰ পৰা ৰক্ষা পোৱাৰ এটা উপায় দিবলৈ। ভবেন, গোপাল, নবীন আদিৰ দৰেটো ৰতন দাদা নহয়। ধুনীয়া সাজ পাৰৰ দিপ্-লিপ্ ৰমনীক দেখি ভোল যোৱা বিধৰ মানুহ নহয় ৰতন দাদা। সেই বিলাকে তেওঁক আকৰ্ষণ কৰিব নোৱাৰে। আকৰ্ষণ কৰিব পাৰে সৰ্ব্বহাৰাৰ চকু পানীয়েহে।

তথাপি অলপ সাজি কাচি দেখনিয়াৰ হৈ থাকিলেও ৰতন দাদাই বোধহয় বেয়া নেপাব। সৰু আইনাখন টেবুলৰ ওপৰত থিয় কৰি তাই বহি পৰিল এখন চিয়াৰত। আইনা খনলৈ চাই তাইৰ মনত পৰিল ৰতন দাদাৰ কথা এষাৰ—"ৰূপ তুমি ৰঙা ব্লাউজটো নিপিন্ধিবা। সেইটোৱে তোমাক নুশুৱায়।" ব্লাউজটো এবাৰ খুলি অন্য এটা পিন্ধি ললে তাই। যিটো ৰতন দাদাই ভাল পায়, আৰু তাইক উপহাৰ দিছিল।

আকৌ তাই বহি পৰিল চিয়াৰত। ককাললৈ বৈ পৰা চুলিটাৰি মেলি অলপ নাৰিকল তেল ঘহি খোপা বন্ধাত, তাইৰ খোপাটো বৰ ধুনীয়া হৈ পৰিল। সৰু আইনা

খন মুখৰ ওচৰলৈ তুলি ললে তাই। পকা ডালিমৰ নিচিনা দুখন গাল আৰু এখন ঘুৰণীয়া মৰম লগা মুখ আইনাখনত ভাহি উঠিল। গাল দুখনৰ ওপৰেদি হাতখন বুলাই দিলে তাই। ইমান মিহি, ইমান নিমজ। ইমান মিহি হব পাইনে তাইৰ গাল দুখন? আত্ম তুষ্টিত আপোনা-আপুনি হাঁহি বিৰিঙি উঠা পাতল ওঠ দুটা তাই চেপি ধৰিলে। গাভৰুৰ গাল বোৰেই ইমান মিহি নেকি। স্নোৰ ঘহনি খাই তাইৰ তেজাল গ'ল দুখন আৰু বেছি তেজাল হৈ উঠিল।

কপাল খনত এটি তেজ ৰঙা ফোঁট আঁকি ললে তাই। ভবিষ্যতেও তেনে এটা ৰাঙলী সিন্দুৰৰ ফোঁট লবলৈ সাধনা কৰিছেনে নাই এবাৰ ভাবি চালে। ছোৱালীবোৰৰ এই বয়সটো খুব ৰঙীন কল্পনা কৰাৰ বয়স, আকাশত উৰি ফুৰাৰ বয়স। বহুত সপোন দেখে ৰাণীৰ দৰে প্ৰিয়জনৰ ওচৰত বহি থকাৰ সমনীয়াৰ লগত মনৰ গোপন কথা কৈ প্ৰাণ খুলি হঁহাৰ বয়স।

ব্লাউজটোলৈ এবাৰ চকু গল ৰূপমায়াৰ। ওলাই যোৱা বুটামটো আকৌ লগায় দিলে গোটেই গাটো আটি ধৰিছে তাইৰ। যৌৱনৰ পৰিচয় দিয়া বুকুখন আৰু বেচি ফিন্দখাই উঠিল। আকৌ এবাৰ সেই ৰূপটো তাই চাই ললে আইনাখনত। কেতিয়া তাই ইমান জনী হৈ গল মনতে নপৰে। লাজ লাজ লাগি গল ৰূপমায়াৰ নিজৰেই। উঠি অহা যৌৱনে যেন তাইৰ এই ব্লাউজটোৰ কোনো বাধাকে মানিব খোজা নাই। তথাপি তাইৰ মনটো আনন্দত নাচি উঠিল, তাই যেন আজি চিৰ সুখী, চিৰ সুন্দৰৰ প্ৰনয়িনী। বিষাদৰ কলা ৰেখা, বিজুলীৰ চিক্-মিকনি তাই যেন কোনো দিনে দেখা নাই।

ৰূপমায়াৰ নিজকে নিজে খুব ধুনীয়া পাত গাভৰু যেন লাগিছে আজি। তাই সচাকৈয়ে খুব ধুনীয়া নেকি? তেনেহলে ৰতন দাদাৰ কথা মিছা নহয়— "ৰূপ তুমি সৌন্দৰ্য্যৰ ৰাণী।" এৰা সচাকৈ হবলা তাই এজনী ধুনীয়া ছোৱালী। নহলেনো ইমান কেইজন শিক্ষিত ডেকাই আত্মাহাৰা হৈ তাইৰ হাতত ধৰা দিয়েনে? সেই যে গোপাল দাস দোকানীটো কিযে আশা লৈ আছে মনত, তাই ভাবিবই নোৱাৰে। ইমান ঘিণ লাগি যায় তাইৰ সেই ধনী মানুহবোৰক।

বাহিৰত কিবা এটা শব্দ হ'ল। তাই শুনিলে খৰ্খৰকৈ চাদৰ এখন মেৰিয়াই অপেক্ষা কৰি ৰ'ল তাই। নাই! কোনো নাই!! ৰতন দাদা হলেতো বাহিৰত বৈ নেথাকে। ৰাতি বহুখিনি হল। আজি বাৰু কিয় ইমান দেৰি কৰিছে ৰতন দাদাই। আহিব নিশ্চয় তেওঁৰ সুবিধা মতে। অলপ মান ৰাতি হলেইবা তাতনো কি ভাবিবলগীয়া আছে। মতা মানুহ, কিবা কাম থাকিব পাৰে। ৰতন দাদা বিশ্বাস ঘাটক নহয়। তেওঁ আহিবই। ৰাতি বহুত হ'ল। কিন্তু তেতিয়াও অতিথিৰ পদক্ষেপ শুনিব পৰা নগল। নানা চিন্তাই তাইক জুমুৰি ধৰিলে।

পুৰণি কথাবোৰ তাইৰ মনৰ দাপোনত এটা এটাকৈ জিলিকি উঠিল। মাত্ৰ এবছৰৰ





আগৰ কথা তথাপি বৰ পুৰণি যেন লাগিছে, তাইৰ সেইবোৰ তাই পাহৰি যাবলৈ বিচাৰিলেও সিহঁতে তাইক কন্দুৱাবলৈহে বিচাৰে। তাই তেতিয়া পূৰ্ণা যৌৱনা যদিও সেইবোৰ কথা একো বুজি পোৱা নাছিল। দেউতাকৰ মৃত্যু হ'ল, আৰু মৃত্যু হল মাকৰ, ভায়েকৰো। তাইৰ ওচৰলৈ বহুত মানুহ আহিল শান্তনা দিয়াৰ চলেৰে বহুত আশা বুকুত বান্ধি। তাই বুজি পাইছিল, কাকো প্ৰশ্ৰয় নিদিলে। সিহঁতে তাইক জীয়াই থাকিবলৈ সম্পদ দিব পাৰে। কিন্তু দিব নোৱাৰে প্ৰেৰণা আৰু দিব নোৱাৰে গোটেই জীৱন জীয়াই থকাৰ আশা। সিহঁতে সাপ হৈ খোটে আৰু বেজ হৈ জাৰে। কি বিশ্বাস ঘাটক মানুহবোৰ। সিহঁত ফেটী সাপতকৈয়ো বেচি বিষাক্ত। ৰূপমায়াই আৰু ভাবিব নোৱাৰে। বিষাদৰ হুমুনিয়াহ এটি ওলাই আহিল আপোনা-আপুনি। নাকান্দিবলৈ অশেষ চেষ্টা কৰা তাইৰ ওঠ দুটা কঁপি উঠিল। চকু দুটা সেমেকি উঠিল।

ৰতন দাদাচোন এতিয়াও নোলালহি! কিয়? আজি তেওঁৰ বাৰু কি হ'ল? এতিয়া আৰু ইমান ৰাতি অহাৰতো আশা নাই। ভাবি ভাবি ৰূপমায়াই বিচনা খনতে বাগৰ দিলে। কিন্তু কত? টোপনীটো নাহে। আহে মাত্ৰ নভবা নুশুনা দুৰ্ভাৱনাময় কল্পনাবোৰহে। তাইতো কাকো আদৰি অনা নাছিল তাইৰ অতিথি হবলৈ। তাই বিচাৰিছিল মাত্ৰ সাধাৰণ জীৱনৰ এটা সাধাৰণ উপায়, জীয়াই থাকিবলৈ। জীয়াই থকাতো জানো তাইৰ কৰ্ত্তব্য নহয়? ৰূপমায়াৰ ভাৱৰ অন্ত নাইকীয়া হ'ল। গাৰ কাপোৰখন এবাৰ টানি-টুনি ইকাতি-সিকাতি কৰি আঠু দুটা বুকুত সোমাই ললে।

ৰতনক তাই ভাল পায়। আৰু আশা কৰে গোটেই জীৱনৰ সঙ্গী কৰি লবলৈ। ৰতন দাদাই জানো তাইৰ ইঙ্গিত বুজি পোৱা নাই, নাইবা বুজিবলৈ ইচ্ছা কৰা নাই? ৰূপ মায়াৰ অন্তৰখনে বহুদিনৰ পৰাই ৰতনক বিচাৰি আছে, তেনেহলে ৰতনৰ অন্তৰখনে ৰূপমায়াক বিচৰা নাই কিয়? "ৰতন দাদা তুমি মোৰ, অন্য কাৰো নোহোৱা, মই তোমাক এৰি দিব নোৱাৰো। কাহানিবাই তুমি মোৰ মন প্ৰাণ কাঢ়ি নিছা।" ছিঃ কিযে লাজ নোহোৱা কথাবোৰ মনলৈ আহিব ধৰিছে তাইৰ।

গভীৰ চিন্তাই ৰূপমায়াৰ মন অস্থিৰ কৰি তুলিলে! তাইৰ আজি ভাৱৰ অন্ত নাই। কল্পনাৰ শেষ নাই। গাৰুটো বুকুৰ মাজলৈ টানি হেচি ধৰিলে। ৰতন আহিলে কন্তেকৰ কাৰণে হলেও ৰূপমায়াই পৃথিৱীখনক পাহৰি যাব।

ৰতন নাহেমানে ৰূপমায়াক এই কৰুণ স্মৃতিয়ে জ্বলা-কলা কৰিব, কন্দুৱাব আৰু বিভীষিকাৰ প্ৰতিচ্ছবি দেখুৱাব। এনে এটা অশান্ত মন লৈ ৰূপমায়াই ৰতনৰ পদক্ষেপৰ কাৰণে সজাগ হৈ থাকিল কাণ দুখন পাতি।

# অসীমৰ ৰূপ জেউতি

দূৰ নীলিমাৰ
অপৰূপ ৰূপ জেউতি
হলে আজি মোৰ দুচকুত
প্ৰাণত জাগে মোৰ
অতৃপ্ত বাসনা।
সীমাহীন অনন্ত আশা
স্ৰষ্টাৰ অপূৰ্ব্ব সৃষ্টিৰ
মই হলো এটি
চৈতন্যৰ প্ৰহেলিকা,
প্ৰহেলিকা ময়,
অতৃপ্ত আতমাই
সেই অপৰূপ ৰূপ জেউতি
মিলন বিছাৰি যায়—
মই ভাবো সেই ৰূপ জেউতি
সসীম নহয়
শৰীৰী নহয়—
অসীমৰ বুকু ভেদা জ্বলন্ত শিখা।
ভাবো মই মনে মনে
সসীম মানৱ মই
পাম জানো অকন মানি
অপৰূপ জেউতিৰ পৰশ ?

সীমাহীন ৰূপচ্ছবি
ভাহে মোৰ দুচকুত
দেখো মই জেউতিৰ স্বপ্ন,
কিন্তু এদিন মোৰ স্বপ্ন ভাঙিল
দেখিলো নিজকে মই—
মই অসীমৰ এক উদ্দিপ্ত শকতি
দুৰবি নহয় মই
গচকত চিঙি যোৱা
মৰা ফুল নহয় মই—
ৰ'দ লাগি লেৰেলি যোৱা
দুৰ্ব্বল নহয় মই
অলপতে ভাগৰি যোৱা
সসীম হৈ মই অসীমৰ বুকুভেদি
মযো যাব পাৰো
অসীমৰ ৰূপজ্যোতি—
ময়ো দেখিছো
সোৱা মোক বিঙিয়াই মাতে
অসীমৰ ৰূপ জ্যোতি—
অসীমৰ বুকু ভেদি
কোনে মোক অজানিতে যাচে
তৃষ্ণা মোৰ নিৰ্ব্বাপিত কৰে।

হৰেন্দ্ৰ কুমাৰ দাস





# সম্পাদকীয়

## ছাত্ৰ জীৱন—

মানব জীৱনৰ সকলো শিক্ষা বিকাশৰ মূলতে ছাত্ৰ-জীৱন। আমি জানো যে ছাত্ৰ জীৱনটোৱে ভৱিষ্যত জীৱনৰ ভেটি স্বৰূপ। সেই কাৰণে ছাত্ৰাবস্থাতে এই ভেটি দৃঢ় কৰি লোৱা উচিত। ইয়াৰ অন্যথা হলে ছাত্ৰ জীৱনৰ অনন্ত জীৱনটো আগবাঢ়ে এক বিশাল সমুদ্ৰৰ পিনে। পোনতে আৰ্য্যসকলে গাই-গুটিয়া মানব জীৱনটোক চাৰিটা বহল ভাগত ভাগ কৰিছিল— ব্ৰহ্মচাৰ্য্যশ্ৰম, গাৰ্হস্থ্যশ্ৰম, বান-প্ৰস্থাশ্ৰম আৰু সন্যাসাশ্ৰম। ইয়াৰ ভিতৰত ব্ৰহ্মচাৰ্য্যশ্ৰমেই হৈছে ছাত্ৰ জীৱন। অতি পুৰণি কালত ছাত্ৰই গুৰুৰ ঘৰত থাকি শিক্ষা লাভ কৰিছিল। সেই কালত গুৰুৱে ছাত্ৰক সকলো শিক্ষাতে পাৰ্গত কৰি তুলিছিল। কিন্তু বৰ্ত্তমান যুগত তেনেকুৱা ছাত্ৰ নাই যিজনে একান্ত মনে গুৰু সেৱা কৰিব পাৰে আৰু এনেকুৱা এজন গুৰু নাই যিজনে ছাত্ৰক সকলো বিষ্যাতে পাৰ্গত কৰি তুলিব পাৰে।

ভৱিষ্যত জীৱনটো সুখময় কৰি গঢ়ি লোৱাৰ মূলতে ছাত্ৰ-জীৱন। ছাত্ৰ-জীৱনত পকুৱাৰ দৰে লানি নিচিগা কামবোৰে জুমুৰি দি ধৰে। এই কামবোৰ ছাত্ৰাৱস্থাতে সুচাৰু-ৰূপে কৰিব নোৱাৰিলে ভবিষ্যত জীৱনটো হৈ পৰে এন্ধাৰ। প্ৰতি খোজে খোজে পোৱা যায় প্ৰৱল ধুমুহা। জীৱনটো হৈ পৰে এটা দুৰ্ব্বোধ্য সাঁথৰ আৰু জীৱনটো এৰি দিয়া হয় প্ৰবল ধুমুহাৰ মাজত এখন বঠাহীন নৌকাত বিশাল সমুদ্ৰৰ বুকুলৈ। সেই কাৰণে ছাত্ৰাৱস্থাতে ছাত্ৰ জীৱনৰ সকলো কাম নিয়া-ৰিকৈ কৰি ভবিষ্যত জীৱনৰ পথ সুগম কৰি লোৱা উচিত। 'Time and tide wait for none' বুলি ইংৰাজী ভাষাত কোৱাৰ দৰে অসমীয়াতো 'কলা বগা ভেউকাৰে উৰি যায় সময় পখিলা" বোলা কথাটোলৈ মনত পেলাব পাৰি। সময়ৰ সোঁত নৈৰ সোঁতৰ

লগত তুলনা কৰিব পাৰি। সেয়ে ছাত্ৰসকলে বহুমূলীয়া সময় নষ্ট নকৰি সৎকামত লগাবলৈ যত্নপৰ হোৱাটো একান্ত বাঞ্চনীয়।

### ছাত্ৰ আৰু ৰাজনীতি—

ছাত্ৰই দেশৰ ধৰণা স্বৰূপ। সেই কাৰণে দেশৰ মান-মৰ্য্যদা, সম্পদ, সংস্কৃতি আদি ৰক্ষা কৰাৰ মূলতে ছাত্ৰ। কিন্তু এইবিলাক ৰক্ষা কৰিবলৈ যাওঁতে ঘোৰ ৰাজনীতিৰ মেৰ-পাকত পৰিব লগীয়া হয। তেতিয়াই ছাত্ৰই নিজৰ প্ৰধান কৰ্ত্তব্যৰ ফালে আওঁকান কৰে আৰু ৰাজনীতিত সক্ৰিয় ভাবে অংশ গ্ৰহন কৰে।

অৱশ্যে এইটো ধুৰুপ যে ছাত্ৰাৱস্থাতে ৰাজনীতিত কিছু পৰিমাণে জনাৰ আৱশ্যক সেই বুলি ছাত্ৰই ৰাজনীতিত সক্ৰিয় ভাৱে অংশ গ্ৰহন কৰা অনুচিত। ডঃ বাণী কাকতিৰ ভাষাত কবলৈ গলে ছাত্ৰ সকলে ৰাজনীতিত যোগদি বজাৰত আৰি থোৱা বেলুনৰ দৰে উৰি ফুৰিলে ভবিষ্যত জীৱনটো হৈ পৰে কণ্টক পূৰ্ণ। আকৌ এচাম সমাজ কৰ্ম্মী আছে যি সকলে ছাত্ৰ সকলক নানা প্ৰলোভন দেখুৱাই নিজস্বাৰ্থ পূৰণ কৰি ফুৰে। কোমল মতীয়া ছাত্ৰ সকলে এই কথাৰ ভূ পলমকৈহে পায়। প্ৰসঙ্গ ক্ৰমে আৰু এচাম মানুহ আছে যি সকলে ছাত্ৰ সকলক হাতত লৈ নানা হিংসাত্মক কাৰ্য্যত ৰত হয়।

অসমীয়াত এটা উক্তি আছে যে ভীমৰ গদা ঘুৰাবলৈ হলে আগেয়ে ভীমৰ বল অৰ্জ্জন কৰিব লাগে। সেয়ে ছাত্ৰ সকলে ৰাজনীতিত সক্ৰিয় ভাৱে অংশ গ্ৰহন কৰা অনুচিত। কাৰণ ৰাজনীতিত যোগ দিয়াৰ আগেয়ে ৰাজনীতিৰ যিখিনি জ্ঞান অৰ্জ্জন কৰিব লাগে সেই খিনি অৰ্জ্জন কৰিব লাগিব। আন কালে ৰাজনীতিৰ জ্ঞান অৰ্জন কৰিবলৈ যাওঁতে আমি নিজৰ প্ৰধান কৰ্ত্তব্যৰ ফালে পিচ পৰিব লাগে।

### সৰ্ব্বোদয়ত আমাৰ কলেজ :

১৯৬১ চনৰ নবেম্বৰ মাহত আমাৰ কলেজত সৰ্ব্বোদয় সমাজৰ গ্ৰামদান অধ্যয়ন শিবিৰ এটা পতা হৈছিল। বৰ্ত্তমান সমাজ অন্ন বস্ত্ৰ সমস্যাত জুৰুলা। সেয়ে আমাৰ সৰ্ব্বোদয়ৰ আচনিৰে সুস্থ সৰল সমাজ এখন গঢ়াৰ দুৰ্ব্বাৰ কামনা। এনেহেন এটা মহান উদ্দেশ্যৰ কাৰণে আমি নানা ঠাইত শিবিৰ আদি পাতি জন সাধাৰণৰ মাজত ঐক্য ভাৱ স্থাপনৰ কাৰণে যথেষ্ট কষ্ট স্বীকাৰ কৰিছো। এই আঁচনি ভৱিষ্যতে যদি কাৰ্য্য কৰি হয় তেনেহলে এটা যে নতুন যুগৰ সুচনা হব তাত আমাৰ সন্দেহ নাই।

### কলেজৰ ভিতৰ চ'ৰা—

বড়িয়া কলেজত এখন "আদৰ্শ কৃষি পাম" খোলা হৈছে। এই কৃষি পামখন পূৰ্ণ পৰ্য্যায়ৰ কৰাত কলেজৰ ছাত্ৰ আৰু শিক্ষকৰ প্ৰচেষ্টা সচাকৈ আদৰ্শনীয়। ইয়াত প্ৰতি বছৰে ধান, মাহ, সৰিয়হ, আলু আদি আধুনিক বৈজ্ঞানিক পদ্ধতিৰে কৰা হয়। কৃষি পামৰ পৰা কলেজে বহুখিনি ধন সঞ্চয় কৰিছে। বৰ্ত্তমান এই কৃষি পামখনে বড়িয়া অঞ্চলৰ খেতিয়ক সকলক যথেষ্ট অনুপ্ৰেৰণা যোগাইছে।

বড়িয়া কলেজৰ অসুবিধাৰ সীমা নাই। যাৰ কাৰণে শিক্ষক আৰু ছাত্ৰই যথেষ্ট কষ্ট



স্বীকাৰ কৰিব লগা হৈছে। কলেজত এতিয়া লৈকে প্ৰয়োজনীয় সকলো বিষয় খোলা নাই যাৰ কাৰণে বহু ছাত্ৰ-ছাত্ৰী অইন ঠাইলৈ গুচি যায়। ছাত্ৰাবাস আদি থকাত দুৰণিৰ ছাত্ৰ-ছাত্ৰীৰ খুব অসুবিধা হৈছে। কলেজলৈ যোৱা বাটটো একেবাৰে বেয়া, বাৰিষা কলেজলৈ যোৱা কথাটো সঁচাকৈ টান। ইয়াৰ উপৰিও খেলা-ধুলাৰ সকলোবোৰ সুবিধা নথকাত কলেজখন খেলা-ধুলা আদিত পিচ পৰি আছে। সেয়ে আমি এইবোৰ অভাৱ অভিযোগ দূৰ কৰাৰ কাৰণে কলেজ কৰ্তৃপক্ষক অনুৰোধ জনালো।

### আলোচনী সম্পৰ্কে দুআষাৰ—

আলোচনী একোখন প্ৰত্যেক বছৰে পাবলৈ ছাত্ৰবন্ধু সকল নিশ্চয় ইচ্ছুক। এই আলোচনীখন দুই বছৰৰ মূৰত প্ৰকাশ পোৱাত ছাত্ৰবন্ধু সকলে নিশ্চয় আলোচনীৰ সম্পাদককে জগৰীয়া কৰিব বিচাৰিছে। মই ভাবো এই ক্ষেত্ৰত সম্পাদক দায়ী নহয়। কাৰণ প্ৰত্যেক বছৰে কলেজ আলোচনীৰ কাৰণে যিখিনি টকাৰ আৱশ্যক হয় সেইখিনি টকা আমাৰ এবছৰৰ ভিতৰত সংগ্ৰহ নহয়। সেয়ে আমি দুবছৰৰ মূৰে মূৰে কলেজৰ আলোচনী প্ৰকাশ কৰিবলৈ বাধ্য হৈছো।

### তিতা-মিঠা—

সকলো ছাত্ৰ বন্ধুৰ মনোগ্ৰাহীকৈ আলোচনী একোখন প্ৰকাশ কৰা সহজ কাম নহয়। সেই বুলি আমি চেষ্টা নকৰা নহয়। আলোচনী প্ৰকাশৰ পিছত সম্পাদক নানা সমালোচনাৰ পাত্ৰ হয়। আলোচনীৰ সম্পাদক হৈ ভাবিছিলো যে প্ৰবন্ধ-পাতি যথেষ্ট পৰিমাণে পাম। কিন্তু দেখিলো ইয়াৰ সম্পূৰ্ণ বিপৰীত। আৰু আলোচনী পলমকৈ ছপা হোৱাৰ ইয়ো এটা কাৰণ। ছয়-সাতবাৰ জাননী দিয়াৰ উপৰিও একোজন ছাত্ৰক আঠ-নবাৰকৈ ব্যক্তিগত ভাবে কোৱা মোৰ মনত পৰে আৰু শেষত প্ৰবন্ধাদি পোৱা নহয়। প্ৰবন্ধাদি দিম বুলি সময়ত লিখা হোৱা নাই বুলি কোৱা ছাত্ৰ বন্ধুৰ সংখ্যাও সৰহ। আকৌ আলোচনীত প্ৰকাশ পাবলগীয়া দুই এটা ফটো নিজে ঘৰলৈ গৈওঁ আনিব নোৱাৰিলো। এনে ক্ষেত্ৰত কোনোবাই যদি সম্পাদকক দায়ী কৰিব বিচাৰে তেতিয়া আৰু উপায় নাই।

### কৃতজ্ঞতা-জ্ঞাপন—

আলোচনী সম্পৰ্কত উপদেশ আগবঢ়োৱা কাৰণে মানীয় অধ্যক্ষ মহোদয়লৈ অন্তৰৰ পৰা কৃতজ্ঞতা অৰ্পণ কৰিলো আলোচনী প্ৰকাশ কৰাত আদিৰ পৰা অন্তলৈ নিজৰ বহুমূলীয়া সময় নষ্ট কৰি প্ৰবন্ধ-পাতিবোৰ চাই দিয়াত আৰু প্ৰুফ চোৱাত সহায় কৰা বাবে অধ্যাপক হৰি শৰ্ম্মালৈ ধন্যবাদৰ শৰাই আগবঢ়ালো তাৰোপৰি যি সকলে প্ৰবন্ধ-পাতি আলোচনীলৈ আগবঢ়াইছে তেখেত সকললৈও মোৰ কৃতজ্ঞতা থাকিল। এইখিনিতে আৰু এযাৰ কথা কবলৈ বাধ্য হলো। আলোচনীত ঠাই পাবৰ কাৰণে বহু প্ৰবন্ধ-পাতি পোৱা গৈছিল কিন্তু তাৰে একেবাৰে কম সংখ্যকহে আলোচনীত ঠাই দিয়া হ'ল। ইয়াৰ কাৰণ

নকলেওঁ নিশ্চয় ছাত্ৰবন্ধু সকলে বুজিব। সেই বুলি আলোচনীত ঠাই পোৱা বিলাকে যে আলোচনীৰ কাৰণে উপযুক্ত এই কথা কবলৈ মোৰ সাহস নাই।

সদৌ শেষত আলোচনীৰ কামত সময়ে সময়ে উপদেশ দি থকা শ্ৰীবিভবা ভট্ট আৰু সহায় কৰোঁতা নুকুল ইচলাম আৰু দিপ্তী নাথলৈ এই চেগতে মনত নেপেলাই নোৱাৰিলো।

ইতি—

শ্ৰীবানেশ্বৰ শৰ্ম্মা।
সম্পাদক, বজিয়া কলেজ
আলোচনী।
১৯৬৭-৭০ চন।

সমাপ্ত



"সহজ সৰল গাৱঁৰ জীৱন খন্তেক বৈ চাবা"



"কহিমাৰে আধুনিকা ডালিমী"



"সন্ধিয়াৰ আকাশত··· ····"



Kabindra Mahanta,
Senior Under Officer N. C. C.
He completed successfully the Army Attachment camp at Bomdila (NEFA) with with 5/5 G. R. in 1968, and was selected best senior under officer, Adjutant in the Annual Training camp of 6 A. Bn. N. C. C. held at Howli in 1969-70. Mahanta is a good sports man and social worker also.



Naren Baro
Best Debator, 1969



Shri Lohit Ch. Kumar
General Secretary of the Rangia College S U. 1968-69



Miss Dipti Nath
Best Lady Athlet, 1969.



Mati Bora
Best actor, 1968



Girish Mahanta
Best singer, 1969



Safiquor Rahman
secured distinction in the B. A.
Examination 1969 from the
Rangia College.



Miss Nilima Khatoon
secures distinction in the B. A.
examination, 1970. from this
college. She is an artiste of
A. I. R. Gauhati



Golok Kalita
Best actor, 1969



Chandra Kalita
Best sportsman, 1969

# RANGIA COLLEGE MAGAZINE

## ENGLISH SECTION

### 3rd. Issue.

1
9
6
9
7 0

In-charge—
*Hari Sarma*

Editor—
*Baneswar Sarma.*

# Contents


| | | | |
|---|---|---|---|
| 1. | Illusion : | Sharat Sarma. | 1 |
| 2. | Truth and Non-Violence : | Prof. Jawaharlal Singh. | 2 |
| 3 | O, Youth of the Season : | Prof. R. C. Deka. | 9 |
| 4. | The Spring : | Md. Ochman Ghanee. | 11 |
| 5. | Educational reform : a personal review : | Prof. U. C. Goswami. | 12 |
| 6. | Raven : | Syed Gamal Abdul Hamid. | 17 |
| 7. | Secretarial Reports : | .... | 19 |
| 8. | Editorial : | .... | 28 |

# RANGIA COLLEGE STUDENTS' UNION, 1969-70.



**Sitting on the chair**—(L to R) **Prof. H. Das (In-charge Music), Prof. R. Deka (In-charge, Common room)**, Principal, B Bardaloi (President, S. U), Prof. N. Mahanta, Prof. Hari Sarma (In-charge Magazine).

**2nd. Row (Standing)** —(L to R) Prof. J. Chaudhury, (Treaurer, S. U.), Prof, Hiren Sarma (In-charge Social Service), Prof. J. Pathak (In-charge Games & Sports), Prof. G. Phatowali (Vice-president, S. U.).

**3rd. Row (Standing)**—(L to R) J. Das, Secy. Debating, P. Deka, Secy. Social Servie, M. Hussain, Secy. Music, G. Baro, Secy. Games, P. Deka, Secy. Common room, B. Sarma, Editor Magazine.

# 'ILLUSION'

Sharat Sharma.
Ex-student.

Behold her!
Standing in a paragon of beauty and love,
Indeed the image of Venus in skillful art,
An immortal paradie lies in every part,
Can inflame every human heart—
With an intoxicating desire
And her delicate parts.

Oh, what an immortality lies
In the bed of roses !
Who has breathed the sweet fragrance
Of her lovely body,
Who has fondled even for a moment
Those petals of roses—
That have blossom
On her bosom.

She has stolen my heart !
With one single smile from her lips
And with one single glance from her eyes;
To hold her tight in my bosom
And forget the whole universe.

But Alas! she can never be mine,
She is born for all — as fair;
To tempt and enchant other's hearts
And to make them die of despair.

# Truth and Non-Violence.

Prof. Jawahar Lal Singh, M. A.
English Department.

It is difficult to speak of Gandhiji for he himself speaks through us. He was a "little man" poor in physique and ungainly in appearance. Yet he had something rocklike in him which did not bend or bow before insolent might. To-day when we are in the great need of this "half-naked Fokir". We are in search of the secret source of this inexhaustible reservoir of strength, amazing energy, his unparalleled influence over men's mind, confined not only to those who agreed with him and accepted him as friend, guide and philosopher but even those who disagreed with him and criticized him. He was with a magic wand and was a unique phenomenon, best described in the eloquent words of Pandit Jawahar Lal Nehru on the occasion of his 75 th birthday.

"How can a book tell us about him and his strange and wonderful personality that has gripped the millions of India? In this world of hatred and uttermost violence and the atom bomb, this man of peace and good will stands out, a contrast and a challenge...wherein does his strength lie, wherin his power and authority? Has he drunk somewhere from the secret spring of life which has given strength to India through the ages?"



We can get clue to this great wonder of his life in his words and activities when he warned the modern war-hysteric world and called upon Indians for national integrity. The spirit of truth and non-violence which he practised throghout his whole life, enlightened the world. It is a matter of deep thought for us that we are forgetting the relveance of the philosophy of that great soul in our lives And in the country from which truth and non-violece sprang, violence prevails. Destruction of property, communal hatred, political strife, shatters the nation. Disfigures its cultural heritage, cramps its political progress. But the spirit of "the light that represented the living truth lives, reminding us the right path, drawing us from error, taking this ancient country to freedom'—freedom from forces that divide the land Let the light not flicker and die. Let the poignant voice of a nation not cry out" the light has gone out our lives and there is darkness evrywhere.'

We can preserve the national prosperity and unity only by deriving power from the sprit of truth and non—violence practised and preached by the real Karmyogi who transported himslef by virtue of his sincerity and honesty to the title of the "Father of the Nation" in true sense of the term by sacrificing his life to the cause of the nation and its integrity which he lived for and died for. Gandhiji performed miraculous feat in the world by means of truth and non-violence which others could not even dream of doing with the help of Atom Bomb and Lethal weapons. He did things in a flash of lightning which others did not with a long fighting of many months and years We get historic example of Great Emperor Asoka who came to the realization of unbounded power of non-violence after the blood shed and devastation of the war of Kalinga. He was moved to the full at the violence perpetrated in the war and aftewards abhorred the means of violence in expansion of the empire He did know that the great conquest could be achieved only by Ahimsa and love. He became true votary of love and Ahimsa. He rose to the position of great emperor not by his recorded history of battles full of violence and blood shed but because of his unrecorded history of the dictates of heart full of love and Ahimsa. Here was the instance of an emperor who became a devotee of non-violence after realization on of the failing

effects of violence. Gandhiji acted in quite reverse of this. He started with the positive value of truth and non-violence, experimented with it throughout his whole life and gained what he aimed at. Thus, from experiments with truth and non-violence, all his ideals mainly social, political economic, ethical and educational etc sprang. Hence truth and non-violence in his moral labratory of Ashram were the piviot of his other ideals.

It is necessary for us to remember what Gandhiji stood for, individually, nationally and internationally. He was essentially a religious man, religion meaning for him an unceasing search for truth and a cosistent practice of love. Gandhiji's idea regarding truth was crystal clear. When asked what is truth. He answered of late instead of saying, 'God is truth' He I have been saying, Truth is God. Nothing soccompletely descsibes my God as truth. Denial of God we have known, denail of truth we have not known.' It is truth which makes us know God. Truth alone conquers, not untruth. To Mahatma Gandhi truth was the power of thought. Jesus also said, 'you shall know the truth and truth shall make you free. The power of thought is essential for the understanding of reality. We cannot attain truth unless pass through a spiritual travail. Self-suffering is the way to it. The world will be healed if each individual begins the healing within himself, Gandhiji worked on his own mind and heart before he sought influence on others. He never claimed



to be infallible. He said, "I am a mixture of good and evil, weakness and strength violence and non-violence but Ahimsa has no adulteration."

To him truth and Ahimsa were not separate from each other. Truth in action is Ahimsa. Truth and love, Satya and Ahimsa are like the two sides of a coin. All great religious enjoy the pactice of love. Gandhiji observed, "Non-violenc is complete innoeence Complete non-violence is complete absence of ill will against all that lives. Non-violence is inocence in its active form, good will towords all life. It is pure love." Hatred deflects our thinking, endangers the very sense of humanity, love of power takes the place of conscience. Ahimsa requires us to promote the welfare of all-Sarvodaya. To quote him, "There is no freedom for India so long as one man, no matter how highly placed he may be, holds in the hollow of his hand the life, property and honour of millions of human beings. It is an artificial unnatural, uncivilized institution. The end of it is an essential preliminary to freedom-Swaraj."

We should not take non-violence for inaction and inestia. There are critics who misinterpret Gandiji's concept of non-violence as cowardice



and fear. To them it must be clear that he did not mean by Ahimsa ination because he himsef clarified; "I could see my way of delivering the message of Ahimsa to those who know how to die not to those who were afraid of death. I do believe that where there is only a choice between cowardice and violence I would advise violence. I would rather have India resort to arms inorder to defend her honour than that she should in a cowardly manner. become or remain a helpless witness to her own dishonour." Here we see that Gandhiji believed in complete Ahimsa or truthfulnes — in thought, word and deed. The upanishads say 'Satyamevo Jayate' 'Truth alone prevails The Mahabharat says, Yato Dharmo tatojayoh,' Victory waits upon right neousness." Satya is the power of righteousness. Gandhiji did not see truth was onething and business another. He stood for that non-violence which is capable of being traslated into action. He did not give any place to that kind of non-violence which is deprived of action. Truly speaking he based his praticable concept of non-violence on the teachings of the Gita. The true meaning and function of non-violence is to bring men from the



state of inertion to action which is in true concordance with the Gita. The Gita opens with a problem. Arjuna repuses to fight and raises difficulties. To conest him is the purpose of the Gita. It raises the question whether action or renunciciation of action is better and concludes that action is better. The Gita is, therefore, a mandate for action. The Gita adoceates detachment from desires and not cessation from work. Arjunas reluctance to fight is not the out come of spiritual development or predominance of Sattvaguna but is the product of ignorance and passion. Arjuna admits that he is overcome by weakness and ignorance. The ideal which the Gita sets before us is Ahinsa or non-violence. Krishna advises Arjuna to fight without passion or ill will, without anger or attachment. We must fight aganist what is wrong but if we allow ourselves to hate that ensures our spiritual defeat. It is not possible to kill people in a state of absolute serenity or absorption in God. Our action must be the result of our nature.

Gandhiji was a happy warrior. He said, "for a fighter the fight itself is victory for he takes delight in it above," Ahimsa was not a metaphysical doctrine to him but a way

